# গ্ৰীষ্মকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৯/০৭/২০১৯ সোমবাৰ

**আজি ইংৰাজী ২৯-০৭-২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিৱেশন অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নোত্তৰকাল। তৰাযুক্ত প্ৰশ্ন নং-৪১, শ্ৰী দিলীপ কুমাৰপাল ডাঙৰীয়াৰ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দিলীপ কুমাৰ পাল, বিধায়ক, শিলচৰ ঃ**মাননীয় অধ্যক্ষ মহোদয়, উত্তর পেলাম। মাননীয় মন্ত্রী মহোদয় উত্তর দিয়েছেন। অনেক বড় উত্তর। কিন্তু আমি পুরোপুরি সন্তুষ্ট নয়। শিলচর শহর প্রায় ২০০ বছর পুরনো শহর। তখন জনসংখ্যা ছিল সাত হাজার এখন হচ্ছে দুই লাখের উপরে। বহু কিছু নাই । সবচেয়ে বড় সমস্যা জমি বা মাটির। সরকারি ভূমির। আমরা অত্যন্ত আনন্দিত যে মাননীয় মুখ্যমন্ত্রী নেতৃত্বে এই সরকারের আমলে আমরা বহু স্কীম বা প্রকল্প শিলচরের জন্য পেয়েছি। কিন্তু বেশীর ভাগই বাস্তবায়ন করা সম্ভব হচ্ছে না কেননা জমি বা মাটির অভাব। বিশেষ করে গত ৩৫ বছর ১৯৮০ থেকে ২০১৫ পর্যন্ত সরকারি জমি যেভাবে খুশী দান-দক্ষিণা করে দেওয়া হয়েছে। শত শত বিঘা জমি। এ এক অদ্ভূত ব্যাপার। কারণ সবাই দাতা কর্ণ হয়ে গিয়েছিলেন। কেউ বা রাজা হর্ষবর্ধন, কেউ বা গৌরীসেন হয়ে গিয়েছিলেন। মাননীয় মুখ্যমন্ত্রী কিছু প্রকল্প হাতে নিয়েছেন। স্বাস্থ্য মন্ত্রীর মডেল হাসপাতালের জন্য তিন বিঘা জমি লাগে, কিন্তু জমি নেই। প্লেনেটোরিয়ামের জন্য দশ বিঘা জমি লাগে, ট্রেড সেন্টার ২০ বিঘা মাটি লাগে, কিন্তু মাটি নেই। সদভাবনা মণ্ডপের জন্য দুই বিঘা মাটি লাগে, কিন্তু মাটি নেই। সিগ্নেচার প্রজেক্টে সব বিধায়কদের দেওয়া হয়েছিল ১০ কোটি টাকা । আমাদের শিলচরে পুলিশ প্যারেড গ্রাউণ্ডে একটা খেলার মাঠ আছে। যেটার অবস্থা ভালো নয়। সেখানে আমি টাকা দিলাম, ভালো করে এথলিটেক ট্রেক করার জন্য। আজকাল আমরা সবাই গর্বিত অসম রত্ন হিমা দাস, কোন জায়গায় পৌছে গিয়েছেন। অসমে বহু প্রতিভা আছে।

**মাননীয় অধ্যক্ষ** - মূল Supplementary দিয়ক।

**শ্রীদিলীপ কুমার পাল** -- উত্তর পেয়েছি। সেখানে লিখা আছে, মাটি ছিল কাছাড় পুলিশ অধিক্ষকের আবণ্টিত হওয়া মাটি। ৯৫ বিঘা ৮ কাঠা ১৫ লেছা। প্রথমে ১ বিঘা ৮ লেছা স্বর্গীয় নন্দ কিশোর সিং প্রাক্তন বিধায়ককে দেওয়া হল। কিন্তু কেন দেওয়া হল ? এখানে একটা কথা বলি স্যার নেশন্যাল হাইওয়ে অর্থাৎ এন এইচ ৩৭ এর সামনে এক বিঘা মাটির দাম কম করেও আজকের দিনে ২৫ থেকে ৩০ কোটি টাকা। নন্দ কিশোর সিং প্রাক্তন বিধায়ক, আমরাও প্রাক্তন হব কিন্তু আমাদেরকে মাটি দেওয়া হবে কিনা আমরা জানতে চাই। জেলা পুথি ভঁরালকে দেওয়া হল ৪ বিঘা ৯ কাঠা । আবার দেওয়া হল ১ বিঘা ১৩ লেছা। এই ১ বিঘা ১৩ লেছা জমি কোথায় আছে? ৪ বিঘা ৯ কাঠা যে জমি সেইটা আছে। কিন্তু চার নাম্বার উত্তরে দেওয়া আছে যে জেলা পুথি ভরাল আর সভা

ঘরের জন্য দেওয়া হয়েছে ১ বিঘা ১৩ লেছা । কিন্তু সেই জমিটা কোথায় আছে? সেটা আমি জানতে চাই। জেলা ক্রীড়া সংগঠনের জন্য ২৫ বিঘা জমি আছে। কিন্তু আবার ১ বিঘা ৯ কাঠা ৫ লেছা জিলা ক্রীড়া সংগঠনের নামে আছে। সেটা কোথায় আছে? স্যার আর একটা প্রশ্ন হচ্ছে টোটাল মাটি ছিল ৯৫ বিঘা। তার মধ্যে ৫৭ বিঘা জমি বন্টন করা হয়েছে। হিসেব মতো দেখা যায় পুলিশ প্যারেড গ্রাউণ্ডে ২১ বিঘা উত্তর মতে আমরা পেয়েছি। কিন্তু আমি জানি সেখানে আছে সাড়ে ২৩ বিঘা। এখানে উত্তর টা স্পষ্ট নয়। ভুল আছে, আমার মতে। স্যার আরও একটা কথা, আমি সেটা পড়ে দি্ছি, অসম রাজ্য সরকারের যুটিয়া সচিব রাজহুয়া আরু দুর্যোগ ব্যবস্থাপনা বিভাগ দিসপুর ও কাছাড় উপায়ুক্তকে সম্বোধন করা চিঠি নং আর এস এস ৮৭০/২০০৫/২৩৯ তারিখে ২১-১-২০০৯ মর্মে মহম্মদ আলতাফ হুসেন, পিতা মহম্মদ জায়েদ আলী লক্ষীপুর রোড শিলচর টাউনকে আবন্টিত করেছিল। এই আলতাফ হুসেন লোকটি কে? তার বেকগ্রাউণ্ড টা কি? আমাদের এটা তদন্ত করা উচিত। কেন না নোট বন্দির সময় বাংলাদেশ পুলিশ দুই জন ব্যক্তিকে ভারতীয় কারেন্সি সহ গ্রেপ্তার করেছিল। সেই বিষয়ে এনকোয়ারি করতে হবে। এই আলতাফ হুসেন কে? কেন তাকে দেওয়া হল জমি। আজ আমরা এথলেটিক ট্রেক করতে পারছিনা। কেন না জায়গা নেই। ফুল রানিং ট্রেক হবে না। ওভাল শেপ হবেনা।

**মাননীয় অধ্যক্ষ** - come today conclusion otherwise you raise this matter Zero hour I will give you. Time is running out.

**দিলীপ কুমার পাল** – এখানে কিছু মাটি দেওয়া হয়েছিল কাছাড় পুলিশ ওয়াইফ ওয়েল ফেয়ার কোপারিটিভ সোসাইটি লিমিটেড কে। তাদের উদ্দেশ্য ছিল যে তারা গ্যালারি নির্মান করে তার লভ্যাংশ কাছাড় জেলার আরক্ষী পরিবারের উন্নয়নের জন্য ব্যবহার করবে। এখানে কোন গ্যালারি তো হয়ই নাই। বিবাহ ভবন হয়েছে, একটা বার রেস্টুরেন্ট হয়েছে, আর হয়েছে এম এস রোডের দোকান। আর এই ওয়েল ফেয়ার সোসাইটি কত টাকা দান করেছে পুলিশ ওয়েল ফেয়ার ফেমিলির কারনে সেটা জানতে চাই। আমাদের এই মূল্যবান জমি ফিরিয়ে দেওয়ার কোন টার্মস এণ্ড কণ্ডিশন যদি তারা না মানে, তাহলে সরকার কোন ব্যবস্থা নিয়েছেন কিনা সেটা জানতে চাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী, শ্রী চন্দ্রমোহন পাটোৱাৰী।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে যে, তেখতে বিশেষকৈ ক্রীড়াৰ ওপৰত যে গুৰুত্ব দিছে আৰু এই ক্ষেত্রত ইতিমধ্যে ২৫ বিঘা মাটি ক্রীড়াৰ কাৰণে দিয়া হৈছে আৰু ১ বিঘা ৯ কঠা ৫ লেছা মাটিও জিলা ক্রীড়া সংগঠনক দিয়া আছে আৰু তাৰোপৰিও এজন ব্যক্তিৰ কথা কৈছে যে নন্দ কিশোৰ সিং, প্রাক্তন বিধায়ক তেখেতক দিয়া আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৪ বিঘা ৯ লেছা জিলা পুথিঁভৰাল আৰু সভাগৃহৰ কাৰণে দিয়া আছে। এইবিলাক মাটি দিছে ১৯৫৬ ত আৰু ১ বিঘা ১৩ লেছা পুথিঁভৰালক দিছিল ১৯৫৬ ত। দিয়াটো বন্ধ হ'ল ২০০৯ চনত। মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে , মহম্মদ আলতাফ হুছেইন, পিতা মহম্মদ ছাহেদ আলী, লক্ষীপুৰ ৰোড, তেওঁক মাটি কিয় দিয়া হ'ল? সেইটো পৰীক্ষা কৰিব লাগিব। কাৰণ মাটিখিনি তেওঁ লোৱাৰ পিছত, পুলিচে তেওঁৰ মাটিখিনি ল'ব বিচাৰিছিল। বিচৰাৰৰ পিছত তেওঁ High Court কৰিলে। সেইটো আগৰ চৰকাৰৰ দিনৰ কথা। তথাপিও চৰকাৰ এটা continuous process, আগৰ চৰকাৰ বুলি কথা নাই। এই মাটি পুলিচে ল'লে তাৰ পিছত তেওঁ যেতিয়া High Court কৰিলে High Court এ ক'লে যে পুলিচে ইয়াত একো interfere কৰিব নোৱাৰে। এই মাটিখিনি তেওঁক সমজাই দিবই লাগিব। মহামান্য আদালতে

এইখিনি কথা কোৱাৰ পিছত আমি না ক'ব পৰা নাযায় কিন্তু মাটিখিনি পুলিচ reserve ৰ parade ground মাটি ব্যক্তিগত মানুহক এনেকৈ আগৰ চৰকাৰে কি ভিত্তিত দিলে সেইটো এটা পৰীক্ষা কৰি চাব লাগিব। তেওঁ যদি এজন বিশেষ বিশিষ্ট ব্যক্তি হোৱা হলে মাটি দিয়াটো বেলেগ কথা আছিল। কিন্তু পুলিচ ground ৰ মাটি আলতাফ হুছেইনৰ দৰে এজন ব্যক্তিক দিয়াটো কোনো যুক্তি নাই। কিন্তু পুলিচ ground ৰ মাটি দিব নোৱাৰে, আগৰ চৰকাৰে যিটো কৰিছে সেইটো ভুল কৰিছে। যিটো পুলিচ Welfare Society ক দিছে। তাতে এই কথাখিনি মই মাননীয় সদস্য গৰাকীক আপোনাৰ জৰিয়তে জনাওঁ যদিও পুলিচ Welfare Society দিছে, দিলেও এই মাটিখিনি সত্বাধিকাৰী হ'ল অসম চৰকাৰ। এই মাটিখিনি তেওঁলোকক আবন্টন দিয়া নাই । লিজত দিছে ৩৫ বছৰৰ কাৰণে। আপুনি যিটো প্ৰশ্ন কৰিছে ঠিকেই কৰিছে যে তাত গেলাৰী হ'ব লাগিব, commercial complex হ'ব লাগিব। commercial complex তাতেই হৈছেই, মদৰ বাৰ এখন তাত হৈছে, সেইটো এখন commercial complex য়েই। সেইখিনি আমাৰ চৰকাৰৰ দিনত হোৱা নাই। সেইবিলাক আগতে হোৱা। গতিকে এই যিবিলাক হৈছে এই গোটেইখিনি কথা যিটো কৈছে এইটো অসম চৰকাৰৰ মাটিৰ মালিক, কিন্তু অসম চৰকাৰে যিটো codition ত Police Welfare Society ক মাটিখিনি দিছে সেইটো condition যদি violet কৰে মাটিখিনি ঘুৰাই লোৱাৰ সম্পূৰ্ণৰূপে অধিকাৰ আছে। গতিকে আমাৰ কথাটো হ'ল Police Welfare Society, তেওঁলোকে যিকি নহওঁক তাতে কি'বা এটা Commercial Complex বা তেওঁলোকৰ উন্নয়ণৰ কাৰণে কৰিছে। কিন্তু ব্যক্তিগতভাৱে যদি মাটি দখল কৰিছে , যদি High Court ৰ পৰা order লৈ লৈছে, সেইটো আটাইতকৈ ডাঙৰ কথা। গতিকে আমাৰ কথাটো হৈছে এটা association ক মাটি দিছে, আজি complex হোৱা নাই, কাইলৈ complex হ'ব কাৰণ চৰকাৰেতো complex বনাই নিদিয়ে। Society য়ে বনাব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা)** ঃ আপুনি এটা নাম লৈ কিয় কৈ আছে?

**মাননীয় অধ্যক্ষ ঃ**This is not the way. This is question hour. মন্ত্ৰী ডাঙৰীয়াই এটা শেষত উত্তৰ দিছে সেইটো হ'লে শেষ হয়। উক্ত বিষয়খিনি চৰজমিন তদন্ত কৰি বিধিমত প্ৰয়োজন সাপেক্ষে, বাকীখিনি কথাও যিহেতু আহিছে । ১৯৫৬ চনত দিয়া বস্তু এটা আমি এতিয়া কৰিবলৈ গলে court য়ে আমাক allow নকৰিব। Recent যিখিনি হৈছে।

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, You can raise your supplementary. This is question hour.You have supplementary I will allow you but don't interfare.

(সদনত গণ্ডগোল)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক প্ৰগ্ৰেচিভ বিধায়ক বুলি ভা বো। তেখেতে বিধান সভাৰ মজিয়াত যিখিনি বক্তব্য ৰাখে মই ভাল পাওঁ। এইটো বৰ দুখৰ কথা যে নন্দ কিশোৰ সিঙৰ এটা উপাধি আছে তেওঁ এজন প্ৰাক্তন বিধায়ক, ১৯৫৬ চনত দিছে। তেখেতে নন্দ কিশোৰ সিঙংৰ কথাটো নোকোৱাৰ কাৰণে বেয়া পাইছে, আলতাফ হুছেইন বুলি কোৱাৰ লগে-লগে তেওঁৰ খং উঠিছে। আপুনি তেনেকৈ নকব কাৰণ মই নিৰপেক্ষভাৱে উত্তৰ দিছো।

**মাননীয় অধ্যক্ষ ঃ** আমি বিধানসভাৰ মজিয়াত আছো আমি সকলোৰে গম পাই আছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি মই মাননীয় সদস্য গৰাকীক জনাইছো যে এইবিলাক আমি enquiry কৰি চাম? কিন্তু মই সদনত এটা কথাই ৰাখো

যে আমি সকলোৱে  মিলা-প্ৰীতিৰে চলা ভাল।

**দিলীপ কুমার পাল** - মাননীয় অধ্যক্ষ মহোদয় অসম সরকারের একজন জয়েন্ট সেক্রেটারী লেভেলের অফিসার জমি বন্টন করতে পারেন না। এর পেছনে নিশ্চয়ই কোন রাজনীতিক নেতার হাত আছে। সুতরাং একটা উচ্চ পর্যায়ের তদন্ত চাই।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আলটাফ হুছেইনক মাটিটো কিয় দিলে এই বিষয়ে আমি এটা তদন্ত কৰিম।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো বিতৰ্ক হৈছে যি এক কঠা মাটি আলটাফ হুছেইনক দিয়া হৈছে হাইকোৰ্টে তাত ষ্টে দিছে কাৰণে চৰকাৰে তাত একো কৰিব পৰা নাই। কিন্তু বাকী যি ন টা সংগঠন দেখা গৈছে যে আটাইকেইটা ৰাজহুৱা সংগঠন। গতিকে এই কেইটা আৰু কেনেকৈ ঘূৰাই দিব। তাত নন্দ কিশোৰ সিংহ তেখেত এজন প্ৰাক্তন বিধায়ক বুলি লিখা আছে। গতিকে এইটো আৰু আলটাফ হুছেইনৰ টো দুটা ব্যক্তিগত অনুষ্ঠানক দিয়া হৈছে। গতিকে এই দুইটা বিষয়তে তদন্ত কৰা উচিত। কাৰণ বাকী গোটেইখিনি দেখা গৈছে যে তাত ৰাজহুৱা সংগঠন যেনে পুলিছ, বি আৰ পি এফ, ডি চি, জিলা লাইব্ৰেৰী, কাছাৰ কলেজ ক্ৰীড়া সংগঠন ইত্যাদি ৰাজহুৱা  কামত ব্যৱহৃত হৈছে। চৰকাৰী নীতিৰ এটা নিয়ম আছে যে, যদি তিনিবছৰ এলটমেণ্টৰ ভিতৰত তেওঁলোকে সেইয়া কামত ব্যৱহাৰ নকৰিলে চৰকাৰে পুনৰ টেকঅভাৰ কৰিব পাৰে গতিকে কিমানখিনি মাটি পুলিছ ৰিজাৰ্ভে লৈ আছে সেইখিনিও চাব লাগে বুলি মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই পিছৰ প্ৰশ্নলৈ যোৱাৰ আগতে এটা কথা ক'ব খুজিছো যে, মই অহাৰ আগতে কামৰূপ মেট্ৰোৰ ডি.চি ক মাতি আনিছিলো। আমাৰ নতুন এচেম্বলী বিল্ডিঙৰ কাষতে এটা জলাশয় আছে। এইটো আচলতে ভুল বশতঃ টি-অকশ্যনলৈ এলোটেড হৈ গৈছিলে। কিন্তু লাষ্ট ২৪-২৫ বছৰ ধৰি **it is lying idle.** গতিকে মই ভাৱো যদি এই জলাশয়টো প্ৰিজাৰ্ভ কৰিব পৰা যায় এচেম্বলী বিল্ডিঙৰ কাৰণে ভাল হ'ব। কাৰণ তিনি বছৰৰ ভিতৰত নহ'লে, মাটিবিলাক লৈ ল'ব লাগে নহ'লে চৰকাৰী ভূমি বিলাকৰ ক্ষেত্ৰত বহুত অসুবিধা হ'ব। মাটিখিনিৰ ক্ষেত্ৰত এনকুৱাইৰী হোৱা ডেৰমাহ হৈ গ'ল সেয়ে মই আজি ডি.চি. ক মাতি আনি এইটো সোনকালে কৰিবৰ কাৰণে কৈছো নহ'লে মানুহবিলাক কোৰ্টলৈ গুছি যায়। কাৰণ চৰকাৰী মাটি আমি কাৰোবাক দিয়াৰ পিছত সেইটো পাৰপাজৰ কাৰণে যদি ব্যৱসায় নকৰে **then we have the right to take it back** গতিকে সেইটো অলপ আমি **exercise** কৰিলে ভাল। মই ক'বলৈ পাই সুখী হৈছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা **suggestion** আমি দিওঁতে মানি লৈছিলে যে ষ্টেডফেডৰ মাটি বিলাক এতিয়া **liquidation** ত গৈছে। **Liquidation** কৰি বিক্ৰী কৰাতকৈ যদি মাটিখিনি চৰকাৰী কৰি পেলায় তেতিয়া চৰকাৰে কৰোবাক দিব পাৰিব। গতিকে এই কথাবিলাক আমি অলপ ঠিক কৰি ল'লে ভাল হয়। এতিয়া প্ৰশ্ন নং ৪২। শ্ৰী বিনন্দ কুমাৰ শইকীয়া। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয় উত্থাপন কৰিছো, এটা জলসিঞ্চণ আঁচনি 'নৈনৈ বোৰতী জলসিঞ্চণ আঁচনি', এই আঁচনিটো ২০০৮ -২০০৯ বৰ্ষত  ত্ৰিশ কোটি টকা ব্যয় সাপেক্ষে আৰম্ভ কৰা হৈছিলে আৰু প্ৰায় দুই হাজাৰ হেক্টৰ মাটিত পানী যোগানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। অধ্যক্ষ মহোদয়, এই বিষয়টো আজি মই এই কাৰণেই আকৌ

আনিলো কাৰণ মই আগতে কেইবাবাৰো এই পবিত্ৰ সদনৰ মজিয়াত এই বিষয়টো উত্থাপন কৰিছিলো। ২০১১, ২০১২, ২০১৪, ২০১৫ আৰু ২০১৬ বৰ্ষত মই একেৰাহে বিধান সভাৰ মজিয়াত এই প্ৰশ্নটো উত্থাপন কৰি আহিছো। কিন্তু কিয় আজিলৈকে এই জলসিঞ্চণ আঁচনিটো সম্পূৰ্ণ নহ'ল। ২০০৮ -২০০৯ বৰ্ষত আৰম্ভ কৰা আঁচনি এটা আজিলৈকে অসম্পূৰ্ণ হৈ থাকিল আৰু ওচৰ-পাজৰৰ গাওঁখিনিত পানী যোগানৰ কাৰণে যি লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল এইটো আঁচনিতে থাকি গ'ল, কেতিয়াওঁ বাস্তৱত ৰূপায়িত নহ'ল। মই আগৰ কথাখিনি বাদেই দিছো। কাৰণ ২০১২ বৰ্ষত্ৰে মোক কাম সম্পূণ কৰিম বুলি চৰকাৰে কৈছিল। ২০১৪ বৰ্ষত্ৰে এইখন সদনতে মোক সেইটো বিত্তীয় বৰ্ষতে কাম সম্পূৰ্ণ কৰিব বুলি উত্তৰ দিছিলে। ২০১৫ বৰ্ষত্ৰে মোক ২০১৬ বৰ্ষৰ মাৰ্চৰ ভিতৰত কাম সম্পূণ কৰিম বুলি সেই সময়ৰ চৰকাৰে উত্তৰ দিছিলে কিন্তু নহ'ল। পৰৱৰ্ত্তী পৰ্য্যায়ত যেতিয়া আমাৰ নতুন চৰকাৰ আহিল মই তেতিয়া আকৌ ২০১৬ বৰ্ষৰ জুলাই মাহত এই প্ৰশ্নটো উত্থাপন কৰিছিলো। আজি তিনি বছৰ হৈ গ'ল। সেই সময়ত জলসিঞ্চণ বিভাগৰ মন্ত্ৰী আছিল শ্ৰী ৰঞ্জিত দত্ত ডাঙৰীয়া। তেখেতে নিজেই গোটেই চাইডটো ভ্ৰমণ কৰিলে, চালে। চোৱাৰ পিছত তেখেতে তাত ৰাজহুৱা ভাৱে আৰু সংবাদ মাধ্যমৰ আগত ও কৈছিলে যে এই আঁচনিটো সম্পূৰ্ণ কৰাৰ দায়িত্ব আমি লৈছো আৰু বিধান সভাতো সেই সময়ৰ জলসিঞ্চণ বিভাগৰ মন্ত্ৰী শ্ৰী ৰঞ্জিত দত্ত ডাঙৰীয়াই উত্তৰ দিছিলে যে আমাৰ ৪১ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু বাকীখিনি আমি পুঁজি সাপেক্ষে সম্পূৰ্ণ কৰিম। তাৰপিছত একো নহ'ল। মই আকৌ ২০১৮ চনত এই বিষয়টো উত্থাপন কৰিলো আৰু বৰ্তমানৰ মন্ত্ৰী ডাঙৰীয়াই মোক উত্তৰ দিলে যে, এই বিষয়ে আমি এটা তদন্ত কৰিব দিছো। মুখ্য অভিযন্তাৰ পৰা আমি এটা তথ্য বিচাৰিছো। ইতিমধ্যে ১৫ কোটি টকা তাত খৰচ হৈছে, আৰু আটাইতকৈ ডাঙৰ কথা এটা আমাৰ এই চৰকাৰৰ কাৰ্য্যকালতেই দুগৰাকী মন্ত্ৰীয়ে দিয়া দুটাকৈ তথ্য আমি ইয়াত পালো যে এগৰাকী মন্ত্ৰীয়ে ক'লে যে ৪১ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু এতিয়া আজি দেখিছো যে আমাৰ মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে যে ২১ শতাংশ কাম সম্পূৰ্ণ হৈছে। এইটো এটা তথ্যগত কথা, তেওঁলোকে দিয়া উত্তৰ বিলাক আপোনাক জনালো। কিন্তু আচল কথাটো হৈছে যে সেই সময়তো ২০১৮ চনৰ ১ অক্টোবৰ ৰ উত্তৰ আছিল যে মুখ্য অভিযন্তাক আমি তদন্ত কৰিবলৈ দিছো আৰু তদন্তৰ ৰিপোৰ্টটোৰ পিছত আমি কামখিনি কৰিম। কিন্তু আজি আকৌ উত্তৰ দিছে যে, এই আঁচনিৰ অগ্ৰগতিৰ সম্পৰ্কত জলসিঞ্চণ বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তাক পৰিদৰ্শন আৰু মান নিয়ন্ত্ৰণৰ বাবে তেওঁক অনুসন্ধান কৰিবলৈ দায়িত্ব দিয়া হৈছে। আজি মই ক্ষোভ আৰু উষ্মাৰে অধ্যক্ষ মহোদয় আপোনাৰ আগত কৈছো যে ৰাইজৰ কাৰণে খেতি পথাৰত পানী যোগান ধৰিবলৈ লোৱা এটা আঁচনি কিয় ইমান দিনে পৰি থাকিল ? অনুসন্ধান কৰিবলৈ কিয় ইমানদিন লাগিল আৰু কেতিয়া কামটো সম্পূৰ্ণ কৰিব এই বিষয়ে মন্ত্ৰী মহোদয়ে বিতং ভাৱে জনাব লাগে।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াই ননৈ যিটো বোৰতী স্কীমৰ কথা কৈছে, এই আঁচনিটো ২০০৮-০৯ চনত এ আই বি পি স্কীমত ধৰিছিলে। ইতিমধ্যে তেখেতে বিতংভাৱে আপোনাৰ আগত এই পবিত্ৰ সদনত অৱগত কৰিছে। অধ্যক্ষ মহোদয়, এ আই বি পি স্কীম ২০০৮-০৯ চনত কেইবাটাও হৈছিলে। বৰ দুখ লাগিল যে যিবিলাক স্কীম লোৱা হৈছিলে সেই খেতিয়ক সকলৰ লগত কোনো **reassesment** হোৱা নাছিলে। তেখেতে কৈছে যে ১৫ কোটি টকা খৰচ হৈছে।পূৰ্বৰ মন্ত্ৰী মহোদয়ৰ তথ্য মতে ৪১ শতাংশ কাম হৈছে। কিন্তু দেখিলো যে তাত ২১ শতাংশ কাম সম্পূৰ্ণ হৈছে। ১৫ কোটি টকা খৰচ কৰি ২১ শতাংশ প্ৰগ্ৰেছ ......

**মাননীয় অধ্যক্ষ ঃ** যিসকল বিষয়াই ভুল তথ্য দিছে, কিবা একশ্যন লৈছে নে নাই?

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিশ্চিত ভাৱে একশ্যন লোৱা হ'ব। শেহতীয়াভাৱে মই অতিৰিক্ত মুখ্য অভিযন্তা এজনক মই কোৱালিটী কন্ট্ৰোলৰ দায়িত্ব দিছো যে ইমডিয়েট ৰিপোৰ্ট চাবমিট কৰিব লাগে। যদি সঁচাই ভায়েবিলিটী আছে আমি এই স্কীমটো কমপ্লিট কৰিম। ইয়াৰোপৰি যোৱা বাজেট চেচনত উক্ত আঁচনিখন সম্পূৰ্ণ কৰাৰ বাবে আমি বিত্ত বিভাগলৈ লিখিছিলো আৰু বাজেটত পাঁচ কোটি টকাৰ এচ অ পি ডি দিয়া হৈছিলে। কিন্তু এই স্কীমটো সম্পূৰ্ণ কৰিবলৈ পাঁচ কোটি টকা যথেষ্ট নহয়। অধ্যক্ষ মহোদয় এ আই বি পি য়েই হওঁক বা অন্যান্য স্কীমেই হওঁক ইৰিগেশ্যনৰ মেজৰ স্কীম আমি এতিয়া বাদ দিছো। আমি এতিয়া মিডিয়াম আৰু দিপ্ টিউবৱেল কথাটো বিবেচনা কৰিছো বুলি সদনক আজি মই অৱগত কৰিলো। মাননীয় প্ৰধানমন্ত্ৰীৰ কৃষি যোজনাৰ অধীনত ইতিমধ্যে আমাক ৫ হাজাৰ চেল' টিউবৱেলৰ চেংচন দিছে আৰু ২০ হাজাৰ টিউবৱেল চেংচন দিব বা ১০০০ কোটি টকা দিব। সেয়েহে মই সকলো সন্মানীয় সদস্য তথা মন্ত্ৰী সকলক অনুৰোধ জনাম যে ইৰিগেশ্যন বিভাগটোক জীৱন্ত ৰূপ দিবলৈ হ'লে আপোনালোকে নিজৰ নিজৰ এলেকাত মেজৰ স্কীম বিলাক অকনমান পৰিদৰ্শন কৰক। হাজাৰ হাজাৰ কোটি টকা গ'ল কিন্তু খেতিয়কে পানী নাপালে। সেয়েহে অধ্যক্ষ মহোদয়, মই পবিত্ৰ সদনত কৈছো যে আমি মেজৰ স্কীম বিলাক বাদ দিম। ইতিমধ্যে আমাৰ বিভাগৰ মিটিঙত কৈছো যে কিছুমান স্কীম আমি ফ'ৰক্লজ কৰি দিম। সংখ্যাটো বঢ়ালেই নহ'ব খেতিয়কে পানী পাব লাগিব। আমাৰ টাৰগেট আছে ২০২২ চন। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ হ'ব। আমি হীৰক জয়ন্তী মহোৎসৱ পালন কৰিম। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে কৃষকৰ আয় দুগুণ কৰিব লাগিব। এই মানসিকতাৰে আমি কাম কৰিবৰ কাৰণে প্ৰয়াস কৰিছো আৰু মাননীয় বিধায়ক ডাঙৰীয়াই যিটো খুব গুৰুত্ব পূৰ্ণ মোৰ ঘৰৰ ওচৰৰে এই আঁচনিখন, দুখ লাগে যিখিনি কাম হৈছে এতিয়া পানীৰ তলত আছে। তাত হয়তো আমি ১০০ কোটি টকা খৰচ কৰিলেও সেই আঁচনি যে জীৱন্ত ৰূপ দিব পাৰিম আৰু তাৰপৰা যে কৃষকে যে পানী পাব মোৰ সন্দেহ আছে। সেই কাৰণে মাননীয় বিধায়ক মহোদয়ক কৈছো আপুনি ১০০ নহয়, ২০০ নহয়, তাত ৩০০ Shallow Tube well লৈ সেই অঞ্চলৰ কৃষক ৰাইজক পানী দিয়াৰ ব্যৱস্থা কৰক। যদি পাৰি এই আঁচনিখন আপুনি বাদ দিয়ক। মই আজি প্ৰকৃত কথাটো কৈছো আপোনালোকক। তাত আমি ১০০ কোটি টকা খৰচ কৰিলেও যে সেইটো জীৱন্ত ৰূপ পাব, তাৰ পৰা যে পানী পাব অধ্যক্ষ মহোদয়, মোৰ সন্দেহ আছে। তাত ১৫ কোটি টকা খৰচ হ'ল, ২১% হওক বা ৪১% য়ে হওঁক সেইটো আহি যাব প্ৰকৃত সংখ্যাটো। যদি সেই অঞ্চলৰ চিপাঝাৰ বাসী ৰাইজ বা কৃষক সকলে কয় যে সঁচাই আমাক এই আঁচনিটো লাগিব, আমি কৰি দিয়াৰ কাৰণে প্ৰস্তুত আছো। তাতকৈ মই অনুৰোধ কৰিছো আজি এই পবিত্ৰ সদনত মাননীয় বিধায়ক ডাঙৰীয়াক আপোনাক ৫০ কোটি টকা দিম আপুনি Shallow Tube well লওঁক, আপোনাৰ সমষ্টিৰ গোটেই গাৱত খেতিপথাৰত পানী দিয়াৰ ব্যৱস্থা কৰক। আৰু মাননীয় সদস্যক মই আহ্বান জনাইছো আপোনালোকে শুনি ভাল পাব যে আমি ১৮ খন জিলাত ৫০০০ টা Shallow Tube well দিবলৈ সক্ষম হৈছো আৰু আমি ২০০০০ টা Shallow Tube well দিম। যিটো আঁচনি দিছে HKKP হাৰ খেত মে পানী, মই সকলোকে আহ্বান জনাইছো আপোনাক Shallow Tube well ১০০ টা লাগে, ১৫০ টা লাগে, Medium Deep Tube well দিয়ক য'ত আমি কম টকা খৰচ কৰি অধিক খেতিয়কক পানী দিবলৈ সক্ষম হ'ম। অধ্যক্ষ মহোদয়, মই আস্বস্ত কৰিছো তাত থাকিব যে Solar & Electrification. আগত Shallow Tube well পোটা হৈছিল বৰিং কৰা হৈছিল

ডিজেল মেচিন ব্যৱহাৰ কৰা হৈছিল যাৰ কাৰণে সকলো আঁচনি Viable নহ'ল আৰু আমি বহুত খেতিপথাৰ দেখা পাইছো সেইবিলাকত এই ব্যৱস্থাটো আধা হৈ আছে। সেই কাৰণে আমি এইবিলাকৰ Remodeling কৰি Restructure কৰি ৪৫ শতাংশ Solar কৰিছো আৰু ৫৫ শতাংশ Electrification কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ অকমান কবলগীয়া আছে, মই সন্তুষ্ট হোৱা নাই সম্পূৰ্ণ উত্তৰটোত। কিয়নো যে আঁচনিটোৰ সম্পৰ্কে মই পবিত্ৰ সদনত উত্থাপন কৰা কথাটো হৈছে যে ৰাইজে আঁচনিটো বিচাৰিছে আজি ইমান বছৰে। সেইটোৰ কাৰণে মই জবাবদিহি হৈ থাকিব লাগে। আপুনি জানে যে এইবিলাক কথাৰ কাৰণে সকলো দোষ বিধায়কৰ ওপৰত পৰে। বিধায়কে কামটো কৰি আনিব পৰা নাই। বিধায়কক এইটো কামৰ কাৰণে ইমান দিন কলো, তেওঁ কামটো কৰি নানিলে, এনেকুৱা ধৰণৰ যিটো দোষৰ যিটো বোজা সেইটো আমাৰ ওপৰত পৰে। গতিকে মই ইয়াত যিখিনি কথা কৈছো সেইখিনি মই ৰাইজৰ হৈ কৈছো আকৌ ৰাইজৰ লগত বেলেগে আলোচনা কৰি আঁচনি দিয়াৰ কথাটো সেইটো তেওঁলোকে লাগে বুলি কলে দিব, নালাগে বুলি কলে নিদিব সেইটো নহয়। মইটো ৰাইজৰ হৈ কৈছো, মই ৰাইজৰ প্ৰতিনিধি হৈ এইখন সদনত উপস্থিত আছো। কিন্তু মোৰ প্ৰশ্নটো হৈছে এই যে ১৫ কোটি টকা খৰচ কৰিলে এইটো ৰাইজৰ টকা হয়নে নহয়? এই টকাটো কিয় তেনেহলে অথলে গ'ল, তাৰ কাৰণে কোন দোষী? সেইটো তদন্ত আজি ইমান দিনে কিয় নহ'ল? কাৰণ এতিয়া এইখন চৰকাৰৰ তিনি বছৰ গৈছে। এই তিনি বছৰত যদি এইটো তদন্ত নহ'ল আৰু কেতিয়া তদন্ত হ'ব? এতিয়া বাৰিষা তাত পানী আছে, এতিয়া একো তদন্ত নহয় আৰু খৰালী মাহত কৰিব প্ৰতিবেদন দিওঁতে দিওঁতে আকৌ অহাবছৰ বাৰিষা পাব। তাৰ পিছত চৰকাৰ শেষ হ'ব, আঁচনি এনেকৈ থাকিল। তাৰমানে আমি বছৰে বছৰে এইটো কৰি থাকিম নেকি অধ্যক্ষ মহোদয়?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া মই ভাৱিছো যে আপুনি যিটো তদন্ত দিব বিচাৰিছে আৰু যোৱাবাৰো দিছিল কিন্তু কিবা এটা কাৰণত নহ'ল সেই বাবে আপুনি এইবাৰো দিব বিচাৰিছে। গতিকে এই ক্ষেত্ৰত আপুনি যিখিনি কথা কৈছে সেই গোটেই খিনি কথা সামৰি লৈ আপুনি যদি মাননীয় বিধায়ক জনক এটা Exclusive Report দিবলৈ কয় তেতিয়া সেই প্ৰতিবেদনটো আপুনি সদস্য জনৰ লগত আলোচনা কৰিব পাৰে তাৰ পিছত You can go forward. সেইটোৱে ভাল হ'ব। কেৱল ৰিপোৰ্টটো যাতে আগৰ নিচিনা নহয়। তেওঁক লাগিলে এটা সময় নিৰ্দ্ধাৰণ কৰি দিয়ক। কাৰণ এইটো পানী যোগানৰ কথা সবেই কৈছে। এইটো আপুনি কৰিলে হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** চাৰ, মই অলপ কম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক দিম এটা Supplementary, Supplementary হ'লে ভাল। কিন্তু এইটোৰ লগত সম্পৰ্ক থাকিব লাগিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** অধ্যক্ষ মহোদয়, চৰকাৰ খনে সদাই যোৱা তিনিটা বছৰে কৈ আহিছে যে কৃষকৰ আয় দুগুনে বৃদ্ধি কৰিব। কিন্তু মন্ত্ৰী ডাঙৰীয়াই এষাৰ কথা কৈছে যে আগন্তুক দিনত আৰু ২০০০০ Deep Tube well, Shallow Tube well বহোৱা হ'ব। মন্ত্ৰী ডাঙৰীয়াই আমাক এখন পত্ৰ দিছিল, তেখেতৰ লগত যোগাযোগ কৰি আমি বিভাগৰ পৰা গোটেইখিনি প্ৰপোজেল ইতিমধ্যে পঠাই দিছো। গতিকে সদায় আমি ইয়াত দেখিছো বিভিন্ন বিভাগে সদায় কয় কৰা হ'ব, কিন্তু কেতিয়াও কোৱাটো কৰা হোৱা নহয়। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক

মই অনুৰোধ জনাইছো আৰু আহ্বান জনাইছো যে তেখেতে এটা নিৰ্দিষ্ট তাৰিখ থিক কৰি দিব নেকি যে ইমান তাৰিখৰ ভিতৰত অসমত ২০০০০ Deep Tube well বা Shallow Tube well বহোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া আপুনি তাৰিখ নহলেও সময় এটা দি দিয়ক কাৰণ নিৰ্দষ্ট তাৰিখ এটা ক'বলৈ অলপ অসুবিধা হ'ব।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে যে আমাৰ 'হৰ খেতকো পানী' প্ৰধান মন্ত্ৰী কৃষি যোজনা আঁচনিৰ অধীনত আমি ৫০০০ ইতিমধ্যে অনুমোদন পালো। যোৱা ১৬ জুলাই তাৰিখে আমাৰ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী মাননীয় গজেন্দ্ৰ সিং শ্বেসত ডাঙৰীয়াই এই আঁচনিৰ শুভ উদ্যোধন কৰাৰ কথা আছিল। কিন্তু due to flood situation of Assam অসমৰ যিহেতু প্ৰায় ৩১ খন জিলা বানপানীৰ কবলত পৰিছিল তাৰকাৰণে এই পগ্ৰেমটো postpone কৰিছিলো। অতি সোনকালে আঁচনিখন launching কৰিম আৰু দুমাহৰ ভিতৰত এই ৫০০০ Shallow Tube well আমি বৰিং কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, মোৰ সৌভাগ্য বেয়া মোৰ Unstarred ত আহিছে মইও প্ৰশ্ন কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** কিন্তু সম্পৰ্কটো।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** সম্পৰ্কটো মঙ্গলদৈ, জলসিঙ্গনৰ ওপৰতে। চি এম দত্ত এটা বান্ধ আছে, মন্ত্ৰী মহোদয়ে জানে। আমাৰ তাত পৰিদৰ্শন কৰিবলৈ গৈছিল কমিটিয়ে। তাৰ যিটো কেনেল এইবাৰ বানপানীত মথাউৰীটো ভাঙি গৈছিল। তাৰ ফলত প্ৰায় তিনিটা পঞ্চায়ত পানীত ডুবি গৈছিল। সেইটো মই যেতিয়া পৰিভ্ৰমণত গলো সেইখিনি সময়ত এচ ডি অ' জনো আছিল এচ এ জনো আছিল কিন্তু অতি দুখ আৰু পৰিতাপৰ কথা সেইখিনি কৰিবৰ কাৰণে ইতিমধ্যে কোনো চৰকাৰী বিষয়া তাত নগ'ল। মই অলপ লাজ পাইছো, দুখ পাইছো। তাৰ পিছত গাঁৱৰ ৰাইজে কৰিছে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে যাতে সেইখিনি সুকলমে, সোনকালে কৰি দিয়ে আৰু চি এম দত্তৰ যিটো কেনেল সেইখিনি বহু বছৰৰ পৰা শুনি আহিছো কাম কৰি থাকে ৰাইজৰ পথাৰত পানী নপৰে। কানায় চুবাইৰ প্ৰায় ২০০ বিঘা মাটি এতিয়াও খেতি কৰিব পৰা অৱস্থাত নাই। সেইখিনিৰ এটা ব্যৱস্থাকৰণ কৰিব লাগে। আৰু এটা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো নোৱানৈ নদীৰ ওপৰত এটা Sluice Gate এখন বহাইছিল, যোৱা চৰকাৰৰ দিনত।

**মাননীয় অধ্যক্ষ ঃ** এইটো বেলেগ, তেওঁৰ হাতত তথ্য নাই, মন্ত্ৰীৰ হাতত তথ্য নাথাকিলে কৰ পৰা ক'ব?

**শ্ৰী গুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** মই কেৱল এটা অনুৰোধ কৰিছো এইবাৰ সেই Gate খনৰ কাৰণে পানীখিনি যাব পৰা নাই উফণ্ডি উঠি ৰাস্তাৰে বাগৰি পৰিছিল। সেই গেটখন আমাৰ ইতিমধ্যে বিত্তমন্ত্ৰী. মহোদয় যাওঁতে ৰাইজে অনুৰোধ কৰিছিল যে ভাঙি দিব লাগে। তাৰ এটা যাতে পৰ্য্যাবেক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** হয় অধ্যক্ষ মহোদয়, আমাৰ কেইবাখনো আঁচনি যোৱা বানত বিধস্ত হৈছে। ইয়াৰ কাৰণে আমাৰ বিত্ত বিভাগৰ সন্মানীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গোটেইকেইটা

বিভাগক লৈ, জলসিঞ্চনে হওঁক, জলসম্পদ, কৃষি, গড়কাপ্তানী, পশুপালন আটাইবিলাক বিভাগৰ এখন সভা হৈ গৈছে। তেখেতে আমাক কৈছে যে পৰিপূৰক দাবী উত্থাপন কৰি আমাৰ জলসিঞ্চন বিভাগৰ প্ৰায় ১৩ কোটি টকা ক্ষয়ক্ষতি হৈছে সেইখিনি পইচা আমাক দিব। দিলে আমি সন্মানীয় বিধায়ক গুৰুজ্যোতি দাস ডাঙৰীয়াই যি আঁচনিৰ কথা কৈছে তাত যিখিনি ক্ষয়ক্ষতি হৈছে সেইখিনিৰ আমি কাম কৰি দিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** Last Supplementary, এইটো নালাগে আৰু আজি।

**শ্ৰী আবুল কালাম ৰছিদ আলম (গোৱালপাৰা পূব) ঃ** মাননীয় অধ্যক্ষ মহেদয়, মই অকনমান যোগ দিম মাত্ৰ।

**মাননীয় অধ্যক্ষ ঃ** নালাগে আৰু আজি, মই এতিয়া পিছৰতোলৈ যাম। আজি আমাৰ সময় নাই আপোনাৰ কিবা থাকিলে আপুনি মোক লিখিত দিয়ক মই মন্ত্ৰীক দি দিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে সেইটোৰ ময়ো সাক্ষি। প্ৰত্যেকটো বিধান সভাতে এই প্ৰশ্নটো উত্থাপন কৰি আহিছে আৰু দেখা গৈছে যে মাননীয় মন্ত্ৰীয়ে আজি সহজভাৱে কথাটোৰ উত্তৰ দিছে। যে ১৫ কোটি টকা খৰচ কৰি যদি ২১ শতাংশ কাম কৰিছে তেতিয়াহলে তাত নিশ্চিত ভাৱে দূৰ্নীতি হৈছে। যদি দূৰ্নীতি হৈছে তেতিয়াহলে আমি এই কথাবিলাক বাদ দিম নেকি? এই কথাটো মই কেতিয়াও মানি লব নোৱাৰো। কাৰণ কথা হৈছে মাননীয় সদস্য গৰাকীয়ে নিশ্চয় এইটো গুৰুত্ব সহকাৰে প্ৰত্যেকটো বিধান সভাত উত্থাপন কৰি আহিছে আৰু ইয়াৰ উত্তৰত কোৱা হৈছে যে অতিৰিক্ত মুখ্য অভিযন্তাৰ প্ৰতিবেদন পোৱাৰ পিছত আঁচনিখন সম্পূৰ্ণ কৰাৰ বিষয়ে জনাব পৰা হ'ব। যদি প্ৰতিবেদন অহাই নাই তেনেহলে মাননীয় মন্ত্ৰী মহোদয়ে কিয় কলে যে এইটো বাদ দিয়ক অন্য ব্যৱস্থা গ্ৰহণ কৰক। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰীক কব বিচাৰিছো যে বিষয়টোৰ এটা সঠিক তদন্ত হ'ব লাগে। যিসকলে এই দুৰ্নীতিত লিপ্ত হৈছে সেই সকলক ৰেহায় দিয়াতো মই নিবিচাৰো আৰু অতিৰিক্ত মুখ্য অভিযন্তাৰ জৰিয়তে জলসিঞ্চন বিভাগৰ কামখিনি সম্পূৰ্ণ হ'ব লাগে। গতিকে যদি প্ৰতিবেদন খন লৈ ৫০ কোটি টকাৰ বেলেগ কাম দিব পাৰে তেতিয়াহলে মোৰ বোধেৰে ৫০ কোটি টকাৰে সেইটো সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ...ক্ৰমশ...ৰচিদ মণ্ডল লগত কি যোগ কৰি দিব ।

**শ্ৰী আ ব্দুৰ ৰচিদ মণ্ডল, বিধায়কঃ** ঠিক এনেকুৱা আঁচনি মোৰ সমষ্টিটো আছিলে, সদনত মই প্ৰশ্ন উত্থাপন কৰিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিলে যে এই বিষয়ত তদন্ত কৰিব, কিন্তু আজিলৈকে তদন্ত নকৰিলে। মাননীয় মন্ত্ৰীয়ে যিটো উত্তৰ দিছে সেইটোত পানী নাপাব কেৱল ঠিকাদাৰৰ লাভৰ বাবে আঁচনি বিলাক লোৱা হৈছে ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এই বিলাক একে দিনাই হোৱা কথা নহয়। আপোনালোক চবেই concern department should be very strick. আৰু ভিজিলেঞ্চতো খুব ষ্ট্ৰং হ'বলাগে, এইটোৱে বিচাৰিছে আপুনি। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যাতে এই বিষয়টো চায়।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু অন্য এজন সদস্যই যিটো কথা ক'লে আমি এতিয়া এই ক্ষেত্ৰত বহু ষ্ট্ৰীক আছো। এই আঁচনিটোত তিনিবাৰকৈ ঠিকাদাৰ সলনি হৈছে আৰু এই ১৫ কোটি টকা কিদৰে ব্যৱহাৰ কৰা হ'ল ইয়াৰ সঠিক তদন্ত কৰা হ'ব আৰু action লোৱা হ'ব । লাগিলে FIR দাখিল কৰি কোনোবা ঠিকাদাৰ বা বিষয়াৰ ওপৰত action লোৱা হ'ব আৰু বিধায়ক জনেও ইয়াৰ এটা ফল পাব লাগিব ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪৩। শিলাদিত্য দেব। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী শিলাদিত্য দেৱ (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ question টো খুব specific আছিলে কিন্তু উত্তৰতো বেছি specific হৈ গ'ল । হোজাই জিলা এটা নতুন জিলা । ২০১৬ চনত জন্ম লয় নগাওঁৰ পৰা। তাৰ পিছত দেখা গ'ল পুলিশ ডিষ্টিক্ট্ৰতো প্ৰায় ২০১৫ ত জন্ম লৈছিল আৰু প্ৰশাসনিক জিলা হিচাপে ২০১৬ চনত। কিন্তু যিটো bifurcation হ'বলাগিছিল নগাওৰ লগতে, সেই bifurcation টো নহ'ল তাৰবাবে হোজাই জিলাত পুলিচৰ সংখ্যাটো খুব কম পালো official, constable or whatever. এতিয়া কথাটো হ'ল কি হোজাই জিলাত এনেকুৱা এটা পৰিস্থিতি হৈছে যে অপৰাধটো বাঢ়ি গৈছে। বিশেষকৈ আমাৰ তিনিটা সমষ্টি আছে হোজাই, লামডিং আৰু জমুনামুখ। আমি মিডিয়াত প্ৰায় দেখা পাও যে মিডিয়া এই অপৰাধ জনিত কাৰণত উপস্থিত থাকে । bed reasons because of many incidents taking places in Jamunamukh LAC. প্ৰায় আমি শুনা পাওঁ মাৰ্ডাৰ, লেণ্ড গ্ৰেভিং, কিডনেপিং, human trafficking আৰু ইয়াৰ সঠিক তদন্ত নহয় । কেতিয়াবা যদি মাৰ্ডাৰ হৈছে, ৰেপ হৈছে আৰু নিউজ হৈছে। গোটেই ভাৰতবৰ্ষত আমি দেখা পাইছো নিৰ্দিষ্ট কেচটোৰ ৰায় হৈছে উচিত পদক্ষেপ লৈ। but there are create certain issues every day যিবিলাকৰ তদন্ত হ'ব পৰা নাই because of lack of police officials আমি যেতিয়াই administration ক জনাও তেওঁলোকে NRC আৰু shortage of police force ৰ কথা জনাই । মোৰ কথাটো হ'ল আমি যদি bifurcation ভালকৈ নকৰো, নতুন পুলিশ অফিচিয়েলচ এপোইন্ট নকৰো এইটো সমাধান কৰিব পৰা নাযাব । MP development fund ৰ পৰা ৫ লাখ টকা দি এছ পি অফিচৰ প্ৰথম মহলাটো বনাব লগীয়া হৈছিল । It is sad affect, so you have to sanction some for the SP office. আজিও SP office ৰ ৮০ শতাংশ আপোনাৰ এটা গুডাম ঘৰতে চলি আছে । এটা SP office যদি এটা গুডাম ঘৰৰ পৰা অপাৰেট হয়, তেতিয়া হ'লে সেই জিলাটোত অপৰাধ কেনেকৈ কমি যাব । My request is that the government should immediately put in some sanctions there so that infrustructure can be developed আৰু যিটো battalion ৰ ক্ষেত্ৰত কোৱা গৈছে যে It is not necessary for every district ত battalion থাকিব লাগে বুলি কিন্তু Assam Police ৰ এটা force আমাৰ তাত লাগে কাৰণ day-to-day administration তেওঁলোকে চায় আৰু ইয়াৰ influx হৈ আছে চাৰ, ৰিজাৰ্ভ ফৰেষ্ট ধংস হৈ আছে, land mafia বিলাকে তাত তান্দব চলাই আছে কিন্তু পুলিছে একো কৰিব পৰা নাই কাৰণ তাত ফৰ্চৰ সংখ্যা কমি আছে । সেই কাৰণে মই চৰকাৰক অনুৰোধ জনাও যাতে আমি বেছি সংখ্যক পুলিচ ফৰ্চ তাত পাও ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে যে বেটেলিয়েন তাত নতুনকৈ দিয়া হ'ব নেকি । আমি কৈছো যে কোনো এনেকুৱা নিৰ্দিষ্ট নিয়ম নাই প্ৰত্যেক জিলাত এটা বেটেলিয়ান কেম্প থাকিব লাগিব । হাতিখুলী লামডিং তেখেতৰ সমষ্টিতে পৰিব চাগে, তাত এটা বেটেলিয়ান কেম্প আছে । তেখেতে ইয়াত কৰা প্ৰশ্ন আৰু বক্তব্যৰ মাজত অলপ পাৰ্থক্য আছে । যেতিয়া জিলা খন bifurcation হৈ গ'ল পুলিচ জিলা আৰু

প্ৰশাসনিক জিলাত অলপ সমস্যা থাকে । তেনেকুৱা ধৰণৰ কিছুমান অসুবিধা থাকে অধ্যক্ষ ডাঙৰীয়া। তেখেতে কৈছে যে অপৰাধৰ সংখ্যা বাঢ়িছে। এইটো অধ্যক্ষ ডাঙৰীয়া উগ্ৰপন্থিৰ সমস্যা, অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত অশান্ত হৈ থকাৰ কাৰণে মাজে সময়ে এই অসুবিধা হৈছে । আমাৰ যিটো বেটেলিয়ানৰ সংখ্যা যিমান লাগে তাতকৈ বেছি হৈ গৈছে । কিন্তু আমাৰ চিভিল পুলিচৰ সংখ্যা বঢ়াব লাগে। যিমান সংখ্যক চিভিল পুলিচ থাকিব লাগে সেই খিনি নাই । চিভিল পুলিচৰ সংখ্যা বঢ়াবৰ কাৰণে চৰকাৰে চিন্ত কৰি আছে। তেখেতে যিখিনি ষ্টাফৰ কথা কৈছে সেই বিষয়টো আমি চাম তাৰোপৰি ষ্টাফৰ সংখ্যা কিমান আছে সেইটো আমি পৰীক্ষা কৰি চাম । মই আগতেও কৈছো যে চিভিল পুলিচৰ সংখ্যা আমাক যিমান লাগে সিমান নাই। সেই কাৰণে পদ পুৰণৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ হাতত লৈছে । পুলিচ নিযুক্তিৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে তৎপৰতাৰে ব্যৱস্থা গ্ৰহন কৰি আছে । আমাৰ পুলিচ নিযুক্তিৰ ক্ষেত্ৰত এতিয়া ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইতিমধ্যে এটা batch নিযুক্তি হৈ গ'ল আৰু এতিয়া ট্ৰেইনিং কৰি আছে । এতিয়া আৰু প্ৰায় তিনি-চাৰি হাজাৰ পুলিচৰ নিযুক্তি হ'ব। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত পদক্ষেপ হাতত লৈছে । যেতিয়া এখন নতুন জিলা হৈ যায় তেতিয়া infrustructure টো সোনকালে নহয়। অকল হোজাই জিলাই নহয়, কামৰূপ ৰুৰেলৰ ক্ষেত্ৰতো হৈছে বনস্পতি উদ্যোগটো উঠি যোৱাৰ পিছত তাতেই SP Office, DC office চলি আছে। এতিয়া লাহে লাহে সেইবিলাক বিল্ডিং হ'ব । যেতিয়া নতুন জিলা এখন হয় তেতিয়া infrustructure development ৰ ক্ষেত্ৰত অকমান সময় লাগে । মাননীয় সদস্য গৰাকীয়ে থানাৰ কথাত কৈছে যে তাত MP fund ৰ ৫ লাখ টকা দি কৰিছে । সেইটো একো বেয়া কথা নহয়, ভাল হৈছে। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত MOITRI আঁচনিৰ জৰিয়তে থানা বিলাক বিদেশৰ থানাৰ নিচিনা ধুনীয়াকৈ বনাই আছে। সেই খিনি শলাগ ল'বলগীয়া কথা। মাননীয় সদস্য গৰাকীয়ে কোৰটো ও হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ৰঞ্জিৎ দত্ত ডাঙৰীয়াই কিবা এটা ক'ব খুজিছে সেইটো ক'ব দিয়ক ।

**শ্ৰী ৰঞ্জিৎ দত্ত, মন্ত্ৰীঃ** মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা অৱগত কৰিব বিচাৰিছো যিহেতু হোজাই নতুন জিলা গঠন হৈছে, ঠিক তেনেদৰে বিশ্বনাথ ও এখন নতুন জিলা। তাত পুলিছৰ যিমান খিনি শক্তি থাকিব লাগে সেই শক্তিটো নাই তাত।

**মাননীয় অধ্যক্ষ ঃ** আপোনৰ বিষয়টো সদনত ৰেকৰ্ড কৰিলো। উত্তৰ দিব নালাগে ।

**শ্ৰী শিলাদিত্য দেব, বিধায়কঃ** Speaker Sir, I just to conclude to add that reason for asking the question again কাৰণ আমাৰ এতিয়া NRC ৰ ক্ষেত্ৰত বাহিৰৰ পৰা অতিৰিক্ত পুলিচ ফৰ্চ আনি হোজাইত ৰখা হৈছে । and they are using our other infrustructure . For example- NLCPR ৰ এটা মিনি Indoor stadium বনাইছে, আমি এতিয়ালৈকে উদ্বোধন কৰিব পৰা নাই । তাতেই প্ৰায় ১৫০ পুলিচ ফৰ্চ ভৰি আছে । সেই কাৰণে they are hamperring entire other new infrustructure also.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**...অধ্যক্ষ মহোদয়, General Situation ৰ সময়ত চৰকাৰী বা বেচৰকাৰী অনুষ্ঠানত আমি কোনো Force ৰাখিব নালাগে। আমাৰ যিখিনি Existing Force থাকে বা nearest Dist.ৰ পৰা temporarily Force আনি মেনেজ কৰিব পৰা যায়। কিন্তু অধ্যক্ষ ডাঙৰীয়া NRC এতিয়া চলি আছে বা তেনেকুৱা ধৰণৰ কথা যদি থাকে বা ধৰক এতিয়া বানপানী হৈছে। বানপানীত সেনাবাহিনীয়েও সহায় কৰিছে। সেই সেনাবাহিনী ক'ত থাকিব। বৰপেটা জিলাত সেনাবাহিনীৰ ছাউনি নাই। ঠিক তেনেদৰে NRC ৰ কামত অসম পুলিছৰ লগতে বহুকেইটা

চি আৰ পি এফৰ কোম্পানী অনা হৈছে। গতিকে Para military খিনিৰ থকাৰ ব্যৱস্থা কৰিব লাগিব। অধ্যক্ষ ডাঙৰীয়া বৰপেটাৰ কালাগৰ ৩০ বেডেট হস্পিটেলখন আৰম্ভনি নোহোৱালৈকে২০০১ৰ পৰা ২০০৮ চনলৈকে চি আৰ পি কেম্প আছিলে, তেনেধৰনৰ কথা। মানকাছাৰৰ যিটো International Check Gate আছে তাতো আজি Battalion Camp আছে। গতিকে এইবিলাক ডাঙৰ কথা নহয়, হৈ যাব। এন আৰ চিৰ কাম হৈ যোৱাৰ পিচত এইবিলাক ভেকেন্ট হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অতুল বৰা ডাঙৰীয়া

**শ্ৰীঅতুল বৰা (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া । বিধায়ক শিলাদিত্য ডাঙৰীয়াই কৈছে। হোজাইৰ এচ পি অফিছটো গুদাম ঘৰত চলি আছে। কিন্তু ৫০ বছৰ যে আমি গুদাম ঘৰতে এচেমব্লি চলাই আছো তেনেকৈ ৰিনোভেশ্যন কৰি ল'ব নোৱাৰি নেকি গুদাম ঘৰটো। এইখিনিয়ে মোৰ ক'ব লগা।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোৰ জিলাখন ১৯৮৩ চনত নতুনকৈ জিলা গঠন কৰা হৈছিল। তেতিয়া Police Strength যিমান আছিল এতিয়াও সিমানে আছে। আজিলৈকে বৃদ্ধি কৰা নাই। তেতিয়া আমাৰ population আছিলে ৫ লাখ আৰু এতিয়া population প্ৰায় ১৪ লাখ। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যাতে পৰিৱৰ্ত্তনটো ভালৰ কাৰনে কৰা হয়।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া এইটো মোৰ প্ৰশ্ন নহয় কিন্তু জানিব বিচাৰো- বেটেলিয়নৰ বহু মানুহে ডি এফ ওলৈ আহিব বিচাৰে। Governmentয়ে কিবা বন্ধ কৰি থোৱা বুলি কৈছে। যদি বেটেলিয়ন অধিক আছে ডি এফ ওলৈ আনিব পাৰিনেকি ? বহুতে আহিব বিচাৰে। মই আনিব লাগে বুলি কোৱা নাই। কিন্তু বন্ধ কৰি থোৱা বুলি কৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** বেটেলিয়নৰ পৰা ডি এফ ও লৈ কিছুমান মানুহ আহে। কিছুমান ৰুল আছে- মেট্ৰিক পাছ হ'ব লাগে- এনে ধৰনৰ কিছু ৰুল আছে। এতিয়া কথাটো হৈছে বেটেলিয়নৰ পৰা ডি এফ ও লৈ মানুহ আনিবলৈ সমস্যা আছে কাৰন বেটেলিয়ন ফোৰ্ছ আমাক যথেষ্ঠ লাগে। আমি চিভিল পুলিছ বঢ়াবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** পিছৰ প্ৰশ্ন- ৪৪ , ৱাজেদ আলি চৌধুৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীওয়াজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** অধ্যক্ষ মহোদয়, মই আৰক্ষী বিভাগত বিভিন্ন পৰ্য্যায়ত কিমান পদ খালি আছে এই সম্পৰ্কে প্ৰশ্ন দিছিলো। উত্তৰো পাইছো, কিন্তু উত্তৰত পালো- অসমত ১২,২১৩ টা পদ খালি হৈ আছে। এই পদখিনি যদিও তেখেতে ৰিপ্লাইত দিছে যে কিছুমান correspondence কৰা হৈছে। মই আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো যে কিমান দিনৰ ভিতৰত এই ভেকেন্ট পোষ্টখিনি ফিল আপ কৰা হ'ব। দ্বিতীয় কথাটো হ'ল- এচ আই - এ এচ আই সকলক প্ৰমোশ্যন দিওতে এটা ডিপাৰ্টমেন্টেলি পৰীক্ষা হয়। মই অৱগত হোৱা অনুসৰি ২০১৩ চনৰ পৰা ২০১৯ চনলৈ বিভাগে তেওঁলোকৰ promotion বা পৰীক্ষাৰ বাবে কোনো ব্যৱস্থা লোৱা নাই। ইতিমধ্যে কিছুমানে অৱসৰ লবৰ বাবে ৬ মাহ বা বছৰ দিন আছে। গতিকে তেওঁলোকৰ ক্ষেত্ৰত কি ব্যৱস্থা ল'ব মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো। সময় কম বাবে গোটেইকেইটা প্ৰশ্ন মই

একেলগে কৰিব বিচাৰিছো- ইতিমধ্যে হোজাই জিলাৰ ৰেফাৰেন্সত মন্ত্ৰী মহোদয়ে কৈছে- দুখৰ বিষয় যে, সাৰে তিনি বছৰ হ'ল- প্ৰতিটো বিধান সভাত মোৰ প্ৰশ্ন থাকে দক্ষিন শালমৰা- মানকাছাড় Police District delimitation সম্পৰ্কত । চিভিল ডিষ্ট্ৰিক্ট আৰু পুলিছ ডিষ্ট্ৰিক্ট একে হ'ব লাগে। আমাৰ দক্ষিন শালমাৰা নতুন ডিষ্ট্ৰিক্ট হ'ল। আগতে Sub Divisionwise কৰা আছিল এতিয়াও তেনেকৈয়ে থাকিল। এই বিষয়ে মই মুখ্যমন্ত্ৰী মহোদয়ক মেমোৰাণ্ডাম দিয়াৰ লগতে মন্ত্ৰী মহোদয়কো মিনতি কৰিছিলো। আমাৰ কাম কাজত বহু অসুবিধা হৈছে। এখন মিটিং পাতিবলৈ আমি ধুবুৰী জিলাৰ উপায়ুক্তক দৰখাস্ত দিব লাগে, আকৌ সেইটো এনকোৱাৰী বা ৰিপোৰ্টৰ কাৰনে হাটশিঙিমাৰীলৈ পঠিয়াই তাৰ পৰা ৰিপোৰ্ট আনিব লাগে। গতিকে মন্ত্ৰী মহোদয়ে এই অসুবিধাটো কিমান দিনৰ ভিতৰত ঠিক কৰি দিব পাৰিব সদনত জনাবলৈ অনুৰোধ জনালো। আৰু এটা কথা মন্ত্ৰী মহোদয়ে কৈছে আমাৰ হোম ডিপাৰ্টমেন্টৰ পইছাৰ অভাব নাই। দক্ষিন শালমৰা থানা ১৯৭৪ চনত ইৰোডেড হৈছিল। আমি পঞ্চায়তৰ অফিছটো থানা বনাই দিছিলো। প্ৰতি বছৰে মই এটা - দুটাকৈ ৰুম বনাই দিওঁ। এতিয়াও তেনে অৱস্থাত আছে। দক্ষিন শালমৰা থানা আটাইতকৈ পুৰণি থানা- এই থানাখনৰ বাবে Building Grant দিবনে নাই সেই কথাখিনি আজি আপোনাৰ জৰিয়তে জনাবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে যে পৰীক্ষা পতা নাই। পৰীক্ষাৰ প্ৰমোশ্যনৰ যিটো পৰীক্ষা সেইটো প্ৰচেচত আছে। কিন্তু প্ৰচেচ হ'লে কি হ'ব আপুনি নিশ্চয় জানে যি কিছুমানে কোৰ্টত কেচ কৰে। আগতে গম পাই যায়- এনেধৰনৰ litigation থকা কাৰনে কোৰ্টত মেটাৰটো পেণ্ডিং থকা কাৰনে আমি কৰিব পৰা নাই। কিন্তু এইটো প্ৰচেচত আছে। আমি চেষ্টা কৰি আছো যাতে কোৰ্টৰ পৰা আমি ৰিলিফ পাব পাৰো। কোৰ্টৰ পৰা ৰিলিফ পোৱাৰ পিছতে আমি নিযুক্তিসমূহ আৰম্ভ কৰিব পাৰিম। ৰিপ্লাইত আছে কথাখিনি মই ৰিপিট নকৰো , দ্বিতীয় কথা হ'ল পুলিছ ডিষ্ট্ৰিক্ট আৰু চিভিল ডিষ্ট্ৰিক্ট ৰ কথাটো আমাৰ গৃহ বিভাগৰ বিষয়াসকলে জানে, মইও জানো ভালকৈ- সেই কাৰনে General administration Departmentক দায়িত্ব দিয়া হৈছে । ক'ত কেনেকৈ থাকিব লাগে এইটো এটা ৰিপোৰ্ট দিয়াৰ কথা কৈছিল। তেতিয়া জিষ্ণু বৰুৱা আছিল এডিশ্যনেল চীফ চেক্ৰেটেৰী, তেখেতে হয়তো এইবাৰ ৰিপোৰ্ট দিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াও জানে ভালকৈ আপোনাৰ এই সমস্যাটো। গতিকে মই ভাবো এই ৰিপোৰ্টটো পোৱাৰ পিছত আপোনাৰ সমস্যাটো সমাধান হ'ব। থানাৰ যিটো কথা ক'লে আপুনিও জানে মইও জানো তাতে ইমান মাত্ৰাত বানপানী হয় সেই কাৰনে অলপ অসুবিধা হৈছে। অলপ সুবিধাজনক ওখ মাটি থানাৰ কাৰনে পালে হৈ যাব।

**শ্ৰীৰাজেদ আলি চৌধুৰী, বিধায়কঃ** অধ্যক্ষ মহোদয়- মন্ত্ৰী ডাঙৰীয়াক জনাও যে পাৰমানেন্ট এৰিয়া দিয়া হৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ঃ** হয়, যদি parmanent Area হয় তেন্তে চৰকাৰে সোনকালে স্থায়ী থানাৰ ব্যৱস্থা কৰিব। আপুনি যিখিনি সমস্যা ভুগি থকাৰ কথা ক'লে হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ “Point of order”**

**ড° নোমল মোমিন, (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ননং ১০৬ ত মোৰ এটা প্ৰশ্ন আছিল। ২০০৭ চনত মাৰ্ঘেৰিটাৰ APO কলনিৰ পৰা জনজাতীয় সম্প্ৰদায়ৰ এক দম্পতি প্ৰসন্ন টুৰুং আৰু কমাই টুৰুঙক অপহৰণ কৰা হৈছিল। ২০০৮ চনত C.B.I. য়ে কেচটোৰ তদন্ত

কৰি আপু ছান্দা আৰু ৰামু ছান্দা নামৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু অসম পুলিচে কেচটো সমাধান কৰিব নোৱাৰাত অৱশেষত কেচটো C.B.I. লৈ হস্তান্তৰ কৰা হৈছিল। কিন্তু ২০১৩ চনত কেচ নং 326/2008/11, Dt.-10-07-2007 আধাৰত তেখেত সকলে কেচটো বন্ধ কৰি দিলে আৰু মন্তব্য কৰে যে - Neither the missing persons have been recovered nor the kidnapper could be aprehended. অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰো যে - I.A.S. বিষয়া প্ৰেম প্ৰসাদ শৰ্মাৰ পুত্ৰক অপহৰণ কৰা হৈছিল, তেতিয়া প্ৰায় পাঁচ বছৰৰ পাচত বিহাৰৰ মুংগেল জিলাৰ কেবৰি থানাৰ অন্তৰ্গত এলেকাৰ পৰা উদ্ধাৰ কৰা হৈছিল। তেখেতৰ ক্ষেত্ৰত কেচটো বন্ধ নকৰি যদি পুনৰ বাহাল ৰাখিব পাৰে তেনেহলে এই টুৰুং দম্পতি হালৰ কেচটো কিয় ইমান সোনকালে বন্ধ কৰি পেলোৱা হল? মই ভাৱো, এই কেচটোৰ ক্ষেত্ৰত অন্যায় কৰা হৈছে আৰু অসম চৰকাৰৰ ফালৰ পৰা পুনৰ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়।

**Hon'ble Speaker ঃ** Dr. Momin, you can give in writing to me, so that I can reffer the matter to the Home Department. Only raising issues in the House is not enough.

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাযুক্ত প্ৰশ্ন নং ৪৮টো আনিছিলো যে ৰূপহীহাটত অগ্নি আৰু আপাদকালীন সেৱাকেন্দ্ৰ এটা স্থাপন কৰাৰ ক্ষেত্ৰত। এই প্ৰশ্নটো মই যোৱা ২০১৭-১৮ চনতো আনিছিলো। তেতিয়া চৰকাৰৰ ফালৰ পৰা আশ্বাস দিছিলে, কিন্তু আজিও সেই একেই প্ৰশ্নৰ উত্তৰত সেই একেই আশ্বাসেই দিলে। তেওঁ আশ্বাসতেই থাকিল। উত্তৰত লিখিছে প্ৰয়োজনীয় খিনিহে তেওঁলোকে কৰি আছে। ৰূপহী এনেকুৱা এটা বৃহত্তৰ অঞ্চল যত বহুতো উদ্যোগ আছে, ফেক্টৰী আছে, ই এখন অসমৰ ভিতৰতে বৃহৎ বজাৰৰ উপৰিও হাজাৰ হাজাৰখন বজাৰ আছে। তাত বছৰি কোটি কোটি টকাৰ সম্পত্তি অগ্নিত জাহ গৈ আছে। গতিকে তাত উক্ত অগ্নি আৰু আপাদকালীন সেৱা কেন্দ্ৰ এটা স্থাপন কৰাটো অতি প্ৰয়োজন হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, তৰাযুক্ত প্ৰশ্ন নং ৪৮টো মাননীয় মন্ত্ৰীয়ে চাই দিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সময়ত সকলোতকৈ চৰ্চিত বিষয়টো হৈছে C.A.G. ৰ প্ৰতিবেদন, গতিকে এই সম্পৰ্কত কোনোবা শিতানত আমাক আলোচনা কৰিব দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** আজি কিবা এটা Statement দিম বুলি কৈছে। মই Information পাইছো। তেতিয়া আপোনালোকে পাই যাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী পিযুষ হাজৰিকাই মাজতে কেইজনমান বিধায়কক লৈ বাংলাদেশলৈ গৈছিল। আমি বেয়া পোৱা নাই, ভালেই পাইছো । কথাটো হৈছে আমি যি খিনি পইছা খৰছ কৰো, সেইখিনি আচলতে Public Money.

**মাননীয় অধ্যক্ষ ঃ** এইটো নহয়। আপুনি যদি বিচাৰে "Zero Hour" ত বিষয়টো আনিব, মই আলোচনা কৰিবলৈ সুবিধা দিম। আপুনি ৩০১ টো Notice দিব পাৰিব। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন নং ১১৩ত এটা প্ৰশ্ন আছিল যে - মোৰ মৰিয়নি সমষ্টিৰ আসম-নাগালেণ্ড সীমান্তত যিটো Mograi নামৰ B.O.P.

আছে, তাৰ কাম কেতিয়া আৰম্ভ হব? ২০১৭ চনতেই Sanction হোৱা এই B.O.P. টো এতিয়ালৈকে নিৰ্মাণ কৰা হোৱা নাই। তাত বিভিন্ন সময়ত নাগা লোকসকল আহি গুলী চলোৱা, আমাৰ অস্থায়ী শিবিৰ বিলাক ভাঙি পেলোৱা আদি নানা উপদ্ৰৱ কৰে। মই ২০১৭চনৰ পৰায়ে এই ক্ষেত্ৰত চিঞৰি আহিছো।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটো কি দিছে? হব বুলি দিছে নে নাই?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** হ'ব বুলি দিছে। কেতিয়াবাই আৰম্ভ হ'বলগীয়া এইটোৰ কাম এতিয়াও কৰা হোৱা নাই। B.O.P. টো এতিয়াও অস্থায়ী শিবিৰতে আছে,ফলত তাত থকা নিৰাপত্তাৰক্ষী সকলে চৰম নিৰাপত্তাহীনতাত ভুগি কাৰ্য সম্পাদন কৰিবলগীয়া হৈছে। সেই কাৰণে মই আপোনাৰ জৰিয়তে Mograi, B.O.P. টো ৰ কাম অতি শীঘ্ৰে আৰম্ভ কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, বিষয়টো যিহেতু স্পৰ্শকাতৰ হয়, গতিকে মাননীয় মন্ত্ৰীয়ে তৰাবিহীন প্ৰশ্ন নং ১১৩ টো চাই দিব। এতিয়া শ্ৰী দুৰ্গা ভূমিজ।

**শ্ৰী দুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং ৯৫ ত স্বাধীনতা আন্দোলনৰ শ্বহীদ সকলৰ নাম ঠিকনা বিচৰা হৈছিল। তেওঁলোকে ঠিকনাৰ তথ্য সংগ্ৰহ কৰি থকা বুলি উত্তৰত দিছে। অধ্যক্ষ মহোদয়, মই যোৱা ১২-০৩-২০১৯ তাৰিখে একেই প্ৰশ্ন কৰিছিলো আৰু একেই উত্তৰ পাইছিলো। এইখিনি তথ্য সংগ্ৰহ কৰোতে ইমান সময় লাগে নেকি?

ইয়াৰোপৰি পেঞ্চন কোন কোন মুক্তি যুঁজাৰুৱে পাবলৈ সক্ষম হৈছে তেওঁলোকৰ নাম ঠিকনা বিচাৰিছিলো, ইয়াত নাম ঠিকনাটো দিয়া নায়েই, সঠিক উত্তৰো দিয়া নাই। আমি চৰকাৰৰ পৰা কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ বিচাৰো, কিন্তু উত্তৰবোৰ সঠিক ভাবে পোৱা নাযায় আৰু ৰেডিমেড উত্তৰ এটা দিয়ে, দায় সাৰিবৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** আগৰ প্ৰশ্নৰ উত্তৰো যদি একেই আছে আপুনি দুয়োটাকে লৈ এটা কমপ্লেইন দিব পাৰিব। মই মন্ত্ৰীৰ লগত কথা পাতিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং- ১৩২ত গৃহ বিভাগৰ পৰা জানিবলৈ বিচাৰিছিলো যে কিমানজন ব্যক্তি এতিয়ালৈকে 'ডি' ভোটাৰ হিচাপে চিহ্নিত হৈছে আৰু তেওঁলোকৰ সম্পূৰ্ণ তালিকা বিচাৰিছিলো। ইয়াতে কেৱল জিলাভিত্তিত আৰু সমষ্টিভিত্তিত সংখ্যাহে উল্লেখ কৰিলে। কিছুমান নিৰ্দিষ্ট ব্যক্তিকহে 'ডি' ভোটাৰ হিচাপে চিহ্নিত কৰা হয়। ই কিন্তু বৰ্তমান দেখা যায় যে কিছুমান 'ডি' ভোটাৰত নপৰা ব্যক্তিক ধৰি নি আইনগতভাৱে হাৰাশাস্তি কৰে। আনকি ডিটেনশ্যন কেম্প পৰ্য্যন্ত প্ৰেৰণ কৰা দেখা যায়। গতিকে গৃহ বিভাগে 'ডি' ভোটাৰৰ
নাম-ঠিকনাসহ সম্পূৰ্ণ তালিকাখন দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া শেষৰজন আছে চাহাব উদ্দিন আহমেদ ।

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন নং আছিলে ৪৫, কিন্তু আলোচনা কৰিবলৈ নাপালো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অলপৰ কাৰণে সুযোগ হেৰুৱালে।

**শ্ৰীচাহাব উদ্দিন আহমেদ (জলেশ্বৰ) ঃ** অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো প্ৰকৃতিক দুৰ্যোগৰ ওপৰত আনিছিলো। আজি তিনি বছৰে বিধান সভা চলি আছে। সমষ্টিৰ তথ্য বিচাৰিলে ১৯খন জি,পিৰ তথ্য দিয়া হয়, ৯খন জি,পিৰ তথ্য দিয়া নহয়। মোৰ সমষ্টি জলেশ্বৰ আৰু জিলা ধুবুৰী। কিন্তু এই ৯খন

জি,পিৰ তথ্য মই আজিলৈকে পোৱা নাই। তথ্য বিচাৰিলে অকল গোৱালপাৰা জিলাৰ খিনিহে দিয়া হয়, ধুবুৰী জিলাৰ ৯ খন জি,পিৰ খিনি নাপাও।

**মাননীয় অধ্যক্ষ ঃ** এইটো কোন বিভাগৰ আছিল ?

**শ্ৰীচাহাব উদ্দিন আহমেদ (জলেশ্বৰ) ঃ** দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সমষ্টিটো দুখন জিলাত পৰে। এখন জিলাৰ তথ্য দিছে আৰু এখন জিলাৰ দিয়া নাই। ঠিক আছে, আপোনাক বাকী থকা ধুবুৰী জিলাৰ খিনিও বিভাগীয় মন্ত্ৰীয়ে দিব।

**শ্ৰীচাহাব উদ্দিন আহমেদ (জলেশ্বৰ) ঃ** দ্বিতীয়তে, মই প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত খিনিৰ সংখ্যাটো বিচাৰিছিলো।অকল বানপানীত ক্ষতিগ্ৰস্ত হ'লেহে প্ৰাকৃতিক দুৰ্যোগ নেকি, জুয়ে পোৰাখিনি প্ৰাকৃতিক দুৰ্যোগ নহয় নেকি ? এইটো এটা প্ৰশ্ন আছিলে । ইয়াৰোপৰি, মোৰ যিখিনি অঞ্চল ডেমেজ দেখুওৱা হৈছে তাত ডি,চি বাইদেউয়ে তথ্য দিছিল যে জলেশ্বৰ সমষ্টিত ১৭৫৪ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে, কিন্তু...

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক এটা অনুৰোধ কৰিম, আপুনি মন্ত্ৰী ডাঙৰীয়াক এবাৰ লগ কৰিব, যদি তেখেতৰ কথাত সন্তুষ্ট নহয়, তেতিয়া মোক পিচত জনাব।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে যে মোৰ সমষ্টিত ধুমুহাত প্ৰায় এহেজাৰটা পৰিয়াল ক্ষতিগ্ৰষ্ট হৈছিল। মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে বিভাগীয় নিয়ম নীতি অনুযায়ী পইচাখিনি মোকলাই দিব। এতিয়া বিভাগীয় নিয়ম নীতি অনুযায়ী পইচা পায় নে নাপায় সেইটো আমি সকলোৱে জানো। গতিকে মন্ত্ৰী মহদোয়ক মই তেখেতক অনুৰোধ জনাওঁ যে তেখেতে বিশেষ ভাৱে উদ্দ্যোগ লৈ মোৰ পুঁজিখিনি মোকলাই দিব নেকি ?

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া বিষয়টো গুৰুত্বসহকাৰে লব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মাননীয় সদস্য ড° নোমল মোমিন ডাঙৰীয়াই যিটো কথা কৈছে প্ৰসন্ন তুৰুঙ আৰু তেওঁৰ পত্নীৰ ক্ষেত্ৰত গোচৰটো CBI ই ক দিয়া হৈছিল আৰু চি বি আই য়ে এইটো final report দিলে। special court ও এইটো মানি ললে। তেখেতে ক'লে যে বিষয়টো পুনৰ revive কৰিব লাগে। গতিকে মই উত্তৰটো কৈ দিও।

গতিকে এতিয়া যদি কোনোবাই প্ৰসন্ন তুৰুঙৰ আৰু তেওঁৰ পত্নীৰ ঘটনাটো এনেকুৱা আছিল যে সেইটো এটা Tribal Belt আৰু Block ৰ মাটি আছিল। তাতে কোনোবাই চাহ বাগিছা কৰিলে। চাহ বাগিছা কৰাৰ কাৰণে Tribal Autonomous Demand Council আছে। তেওঁলোকে কলে যে Tirap Autonomous District Council ৰ ফালৰ পৰা এই প্ৰসন্ন তুৰুঙ নামৰ লৰাটোৱে Leadership দিছিল আৰু কৈছিল যে আমাৰ Tribal Belt ৰ মাটিত চাহ বাগিছা non-tribal য়ে কৰিব নোৱাৰে কেনেকৈ কৰিব। গতিকে তেতিয়া যি কাৰণতে নহওঁক, আন্দোলনটো বহুত ওপৰলৈ গ'ল। আন্দোলনৰ মাত্ৰা যিমানে বাঢ়ি গ'ল, এদিন হঠাত প্ৰসন্ন তুৰুঙ আৰু তেওঁ পত্নী নাইকীয়া হৈ গ'ল। তাৰ পিছত তেওঁলোকৰ Association ৰ ফালৰ পৰা যিটো Demand Committee য়ে এখন দৰ্খাষ্টি দিলে। দৰ্খাষ্টখনত দুজন মানুহৰ নাম দিলে। পুলিচে সেই দুইজন মানুহক বিচাৰিলে আৰু এই কেচটো শেষত চি বি আই ক দিলে। অৱশেষত চি বি আয়ে final report দিলে আৰু Special Court ও সেই কথাটো মানি ললে।

গতিকে এতিয়া প্ৰসন্ন তুৰুঙৰ কথাটো যে revive কৰিব লাগে যিটো Tirap Autonomous Demand Committee য়ে হয়তো আজিৰ দিনতে ভাবি আছে যে ইয়াৰ এটা

বিচাৰ হ'ব, বিচাৰ পাম। তেওঁলোকে এইটো final judgement হোৱা কথাটো গম নাপায়। যদি Tirap Autonomous Demand Committee য়ে পুনৰ এখন দৰ্খাস্ত দিয়ে তেতিয়া এই বিষয়টো চৰকাৰে চাব পৰা যাব।

দ্বিতীয় কথাটো হ'ল যে আমাৰ মাননীয় সদস্য শ্ৰী নৰুল হুদা ডাঙৰীয়া ৰূপহী হাটত এটা অগ্নিনিৰ্বাপক বাহিনী অফিচ লাগে। ৰূপহী হাট অঞ্চলত কেইবাটাও অগ্নিকাণ্ড ইতিমধ্যে সংঘটিত হৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ কাৰণে ৪২ টা কেন্দ্ৰ নতুনকৈ স্থাপন কৰিবৰ বাবে ইতিমধ্যে ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। ৪২ টা কেন্দ্ৰৰ ভিতৰত ১৩ টা কেন্দ্ৰ অনুমোদন দিয়া হৈছে। মাননীয় সদস্য শ্ৰী নৰুল হুদা ডাঙৰীয়াৰ অঞ্চলত যদি অগ্নিকাণ্ড সংঘটিত হয়, তেখেতৰ ওচৰত আমবাগান আৰু সোনাৰীবালীত দুটা অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্য্যালয় আছে। আমবাগানৰ পৰা ৰূপহীহাটলৈকে দুৰত্ব হৈছে ১৪ কিলোমিটাৰ, সোনাৰীবালীৰ পৰা ৰূপহীহাটলৈকে দুৰত্ব হৈছে ২২ কিলোমিটাৰ। গতিকে তাত অগ্নিকাণ্ড হ'লে এই দুটা কাৰ্য্যালয়ৰ পৰাই সহায় কৰিব পাৰে। গতিকে আমাৰ এই ৪২ টা কেন্দ্ৰ নতুনকৈ স্থাপন কৰা হ'ব চাব লাগিব, তাতে priority দিব লাগিব, কিছুমান এনেকুৱা ভিতৰুৱা অঞ্চল আছে তালৈ অগ্নিনিৰ্বাপক বাহিনী গৈ নাপায়। গতিকে এইটো বিবেচনা কৰি চাব লাগিব যে তাতে প্ৰয়োজন আছে নে অন্য ঠাইত প্ৰয়োজন আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডুমডুমা সমষ্টিৰ বিধায়ক ডাঙৰীয়াই মুক্তিযোদ্ধাৰ পেঞ্চন সম্পৰ্কত যিটো কথা কৈছে যে তাৰ এটা গতানুগতিক উত্তৰ পাইছে। আগন্তুক দিনলৈকে আৰু গতানুগতিক উত্তৰ নাপায় কাৰণ সেই বিষয়টো আমাৰ চৰকাৰে গুৰুত্বসহকাৰে লৈছে আৰু মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াও নিৰ্দেশ দিছে । আজি মোক এই বিষয়টো গৃহ সচিবেও জনাইছে। এইটো হৈ যাব, অসুবিধা নহয়।

**মাননীয় অধ্যক্ষ মহোদয়** ঃ এতিয়া শূণ্যকালীন ঘন্টা । প্ৰথমতে মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ শূণ্যকালীন ঘন্টাত মই বিশেষভাৱে ইংৰাজী ০৩.০৭.২০১৯ তাৰিখে "**অসমীয়া প্ৰতিদিন**" বাতৰি কাকতত প্ৰকাশিত হোৱা বাতৰিটো মই ইয়াত উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হৈছে "**দীপৰ বিলৰ পাৰত দ্বৈত ৰেলপথ নিৰ্মাণৰ যো-জা, ৰেল পথত ধৰ্ণা দি স্থানীয় লোকৰ প্ৰতিবাদ।**"

মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰত্যেকটো বিধান সভাতে দীপৰ বিল সম্পৰ্কত কথা কৈ আহিছো। বিশেষভাৱে বৰ্তমান ৰাজ্যচৰকাৰৰ মাননীয় মূখ্যমন্ত্ৰীয়ে ইতিমধ্যে এই ক্ষেত্ৰত আন্তৰিকতাৰে কেতবোৰ বিশেষ ব্যৱস্থাৰে পদক্ষেপ লোৱাৰ ব্যৱস্থা লৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মূখ্যমন্ত্ৰীয়ে দীপৰ বিলৰ সৌন্দৰ্য্য বৰ্ধন আৰু দীপৰ বিলৰ জীৱকুলক সংৰক্ষিত কৰাৰ স্বাৰ্থত ইতিমধ্যে দীপৰ বিল চোচাইটি এটা গঠন কৰি দিছে। মাননীয় মূখ্যমন্ত্ৰী তাৰে সভাপতি। সভাপতি হিচাপে এখন প্ৰথম বৈঠক অনুষ্ঠিত কৰিছে আৰু বিভিন্ন কাৰ্য্য পন্থা লোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, single track ত এটা ৰেল পথ বিগত কংগ্ৰেছ চৰকাৰৰ অদূৰদৰ্শীতাৰ বাবে আজি বিভিন্ন সংঘাতৰ সৃষ্টি হৈছে। এতিয়া পুনৰ double track ৰ ৰেল পথ নিৰ্মাণৰ ক্ষেত্ৰত ইতিমধ্যে উত্তৰ পূৱ সীমান্ত ৰেলওৱে যো-জা চলাইছে। এতিয়া মোৰ প্ৰশ্নটো হৈছে যে মাননীয় সভানেত্ৰী ডাঙৰীয়ানী যদি তাতে double track ৰ ৰেল পথ নিৰ্মাণ কৰে, আমাৰ বনৰীয়া জীৱ-জন্তু বিশেষকৈ হাতী দীপৰ বিলত বিচৰণ কৰাৰ কাৰণে পাহাৰৰ পৰা আগমণ কৰে। তাৰ বাবে চাৰিটা দীপৰ বিলত হাতীৰ কৰিডৰ আছে। ইতিমধ্যে National Green Tribu-

nal য়ে হাতীৰ এই চাৰিটা কৰিডৰত যাতে বনৰীয়া জীৱ জন্তু সুৰক্ষিত হ'ব পাৰে তাৰ ব্যৱস্থা লোৱাৰ কাৰণে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল। ৰাজ্য চৰকাৰে বিশেষভাৱে অৱগত হয় নে নহয় মই নাজানো। এতিয়া যিটো single track ৰ ৰেল পথ আছে, সেই ৰে'লপথৰ দাতিঁৰে পাহাৰীয়া অঞ্চলৰে পুনৰ এই double track ৰ ৰেল পথ নিৰ্মাণৰ কাৰণে survey চলাইছে। আমাৰ পাহাৰ অঞ্চলৰ যিখিনি এৰিয়া, সেই এৰিয়াটো হৈছে যে ৰাণী ফৰেষ্ট ৰিৰ্জাভৰ। ৰাণী ফৰেষ্ট ৰিৰ্জাভৰ অন্তৰ্গত সেই অঞ্চলটোৰ মাজেৰে ৰেল পথ নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিবেশ বিভাগে বা মন্ত্ৰণালয়ে তাত অনুমোদন দিব নে নাই। সেইটো মূল প্ৰশ্ন আৰু দ্বিতীয়তে এতিয়া যি চাৰিটা কৰিডৰ আছে, সেই চাৰিটা কৰিডৰৰ এটা কৰিডৰত সুৰঙ্গ কৰাৰ বাবে survey চলাইছে।

**(মাননীয় অধ্যক্ষৰ আসনত সভানেত্ৰী শ্ৰী মতী অজন্তা নেওঁগ)**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ- যদি এটা কৰিড'ৰত সুৰঙ্গ নিৰ্মান কৰে, তেতিয়া হ'লে সেই যি তিনিটা কৰিড'ৰ থাকিব সেই তিনিটা কৰিড'ৰত যদি সুৰঙ্গ দিয়া নহয় তেতিয়া হ'লে হাতী আকৌ মৃত্যুমুখত পৰিব। ইতিমধ্যে মাননীয় সভানেত্ৰী ডাঙৰীয়ানী, এতিয়ালৈকে আমাৰ single track ৰ ৰেল পথ নিৰ্মান কৰাৰ কাৰণে এতিয়া প্ৰায় ১৪ টা হাতীৰ ৰেলৰ খুণ্ডাত মৃত্যু হৈছে, আৰু বিভিন্ন জীৱ-জন্তুৰ মৃত্যু হ'বলগীয়া হৈছে। গতিকে যদি এতিয়া তাতে ডাবোলট্ৰেকৰ সিদ্ধান্ত লৈ নিৰ্মাণৰ কাম হাতত লয়, তেতিয়া হলে মানৱৰ লগতে জীৱকুলৰো যথেষ্টখিনি অনিষ্ট হোৱাৰ সম্ভাৱনা আছে। কিন্তু ইতিমধ্যে মাননীয় সভানেত্ৰী ডাঙৰীয়ানী, ফৰেষ্ট বিভাগে আগতে দুটা চাইদ চাৰ্ভে কৰিছিল, এটা হ'ল, ইতিমধ্যে যিটো চাইদ চাৰ্ভে কৰিছে সেইটো চাইদ চাৰ্ভে হ'ল, আৰু উত্তৰ দিশৰ যিটো চাইদত আচাম ইঞ্জিনিয়াৰিং কলেজ আছে তাৰ মানে তাত নিৰ্মাণ হয় তাৰ পৰা বহু দূৰত থাকিব কলেজখন। যদি উত্তৰ দিশত দ্বৈত ৰে'লপথ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে তেতিয়া হ'লে জীৱকুলো ৰক্ষা হ'ব। তাত কোনো ধৰণৰ কৰিড'ৰ নাই। সিফালে তাত কোনো জীৱকুলৰো অহাৰ ব্যৱস্থা নাই, পাহাৰীয়া অঞ্চল নহয় আৰু তাৰোপৰি যদি বিশেষভাৱে আমাৰ উত্তৰ দিশত যদি দ্বৈত ৰেল পথটো নিৰ্মাণ কৰে, তেতিয়া হ'লে আমাৰ যিটো যোগীঘোপা হৈ নামনি কামাখ্যালৈ যিটো আমাৰ ৰেল পথ সেইটো উত্তৰ দিশেৰে পোনপতীয়া ভাৱে তেতেলিয়াত লগ কৰি তেতেলিয়াৰ পৰা আমাৰ বিশেষভাৱে নামনি কামাখ্যাত যোৱাৰ এটা সহজ পদ্ধতি হৈ আছে। উত্তৰ দিশত যদি ৰেলপথটো নিৰ্মাণ কৰে, তেনেহ'লে ইয়াৰ দৈৰ্ঘ্য আমাৰ যিটোত চাৰ্ভে কৰিছে, তাৰ পৰা তিনি কিঃ মিঃ কম হ'ব হ্ৰাস হ'ব। গতিকে আজি যিটোত চাৰ্ভে চলোৱা হৈছে, তাত যিটো খৰচ হ'ব তাতকৈ কিন্তু এইটোত যথেষ্ট পৰিমাণে কম খৰচ হোৱাৰ সম্ভাৱনা আছে, বা যথেষ্ট কম খৰচত এই দ্বৈত ৰেলপথটো নিৰ্মান কৰিব পাৰিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, এই বিষয়টো কিন্তু চিৰিয়াচলি লব লাগিব। যদি চিৰিয়াচলি লোৱা নাযায় তেনেহ'লে কিন্তু আমাৰ যিটো দ্বীপৰ বিল এই দ্বীপৰ বিলটো ধংস হ'বই আৰু আমাৰ আমাৰ বৰ্তমান চৰকাৰে যি এটা লক্ষ্য লৈ আগবঢ়াৰ পৰিকল্পনা লৈছে। সেই লক্ষ্যত কিন্তু উপনীত হ'ব নোৱাৰিব। তাৰোপৰি জীৱকুলৰো যথেষ্ট পৰিমাণে অনিষ্ট্য হ'ব। আজি বিশেষভাৱে দ্বীপৰ বিলত চাইবেৰিয়ান চৰাইৰো আগমন ঘটে। বিশেষভাৱে অকল চাইবেৰিয়ান চৰাই নহয়, বিভিন্ন ৰাষ্ট্ৰৰ পৰাও তেনেধৰণৰ পক্ষী আহি দীপৰ বিলত বিচৰণ কৰে। গতিকে আজি বিশেষভাৱে যদি ৰেলপথটো নিৰ্মান কৰে, তেনেহ'লে সেই পশু-পক্ষীৰো যথেষ্ট পৰিমাণে পৰিমাণে অসুবিধা হ'ব আৰু এতিয়া দেখা গৈছে যে single track ৰ ৰেলপথ নিৰ্মান কৰাৰ কাৰণে এতিয়া আমাৰ বিদেশৰ পৰা যিমান চৰাই আহিব লাগে, সেই চৰাইৰ সংখ্যাও যথেষ্ট পৰিমাণে হ্ৰাস হৈছে। ইয়াৰ

অন্য কাৰণো আছে। আজি দীপৰ বিলখন প্ৰদূষিত হৈছে। এতিয়া গুৱাহাটীৰ পানী গৈ দীপৰ বিলত পৰাৰ কাৰণে। মাননীয় মন্ত্ৰী মহোদয়, মই আপোনাক অনুৰোধ জনাইছো, আপুনি চাইছেও, আজি গোটেই পানী ক'লা হৈ পৰিছে। আজি দ্বীপৰ বিলৰ মাছবিলাকো মৃত্যু মুখত পৰিবলগীয়া হৈছে। জীৱ-জন্তু মৃত্যুমুখত পৰিবলগীয়া হৈছে, মাজতে ১৬ টা শগুণৰ মৃত্যু হৈছিল, গতিকে এই ক্ষেত্ৰত ইতিমধ্যে অৱশ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেতবোৰ বিশেষ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰতো ইতিমধ্যে সিদ্ধান্ত লৈছে। তাৰোপৰি আমাৰ যিটো dumping ground আছে, দ্বীপৰ বিলৰ কাষত সেই dumping ground টো National Green Tribunal য়ে, ২ মাহৰ ভিতৰত স্থানান্তৰ কৰাৰ ক্ষেত্ৰত এটা direction ও দিছে। কিন্তু মই জানো যে এতিয়ালৈকে কিন্তু কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। গতিকে মই আশা ৰাখিছো যে মাননীয় আমাৰ বন আৰু পৰিবেশ মন্ত্ৰীয়ে এই ক্ষেত্ৰত যাতে এটা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি, সেই ক্ষেত্ৰত এটা বিকল্প ব্যৱস্থা যাতে গ্ৰহণ কৰে, তাৰ বাবে মই বিশেষ ভাৱে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। গতিকে দ্বীপৰ বিল ৰক্ষা কৰাৰ দায়িত্ব অকল এম.এল. এ ৰ নহয়, দ্বীপৰ বিল ৰক্ষা কৰাৰ দায়িত্ব এখন চৰকাৰৰ। মই আশা ৰাখিছো, যে ইতিমধ্যে ১০ কোটি টকা দ্বীপৰ বিলৰ সৌন্দৰ্য্য বৰ্ধনৰ কাৰনে Signature Scheme ত টকা দিয়া হৈছে। কিন্তু টকা দিয়াৰ পাছতো আজিলৈকে কি কৰিছে, হয়তো Tourism Development Corporation কেই দিছে নে বন বিভাগক দিছে সেইটো মই নাজানো। মই জনা মতে, Tourism Development Corporation কে দিছে কিন্তু কি কৰিছে সেই বিষয়ে এতিয়ালৈ মই অজ্ঞ হৈ আছো। গতিকে এই ক্ষেত্ৰত ১০ কোটি টকা যিহেতু Signature Scheme ত দিয়া হৈছে। দ্বীপৰ বিলৰ সৌন্দৰ্য্য বৰ্ধনৰ ক্ষেত্ৰত সেইটো যদি বিশেষভাৱে Tourism Department য়ে নকৰে তেনেহলে, ফৰেষ্ট বিভাগে লওঁক, ফৰেষ্ট বিভাগে কাম কৰক। কাৰণ আমাৰ কেৱল ২টা বছৰ আছে, আৰু এই দুটা বছৰৰ ভিতৰত যদি দ্বীপৰ বিলৰ কামটো এইখন চৰকাৰৰ দিনত নহয় তেনেহলে কিন্তু ভৱিষ্যতে যে দীপৰ বিলৰ অৱস্থা ভাল হ'ব মই সেইটো ভাবিব নোৱাৰো। গতিকে মই আশা ৰাখিছো যে মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে লওঁক। বিশেষভাৱে আপোনালোকে জানে যে পৃথিবীৰ মানচিত্ৰত দ্বীপৰ বিল Wetland হিচাপে আছে। গতিকে দ্বীপৰ বিলৰ সৌন্দৰ্য্যবৰ্দ্ধন, দ্বীপৰ বিলৰ জীৱকুলক উদ্ধাৰৰ বাবে, জীৱকুলক ৰক্ষণা-বেক্ষণ দিবৰ বাবে নিশ্চয় মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব আৰু মই আশা ৰাখিছো, দ্বীপৰ বিলৰ ক্ষেত্ৰত দুটা বছৰৰ ভিতৰত তেওঁলোকে যি লক্ষ্য লৈছে, সেই লক্ষ্যত যদি উপনীত হয়, তেনেহ'লে নিশ্চয় অসমৰ ইতিহাসত এইখন চৰকাৰৰ নাম জিলিকি থাকিব। মাননীয় মুখ্যমন্ত্ৰীৰ নাম নিশ্চয় অসমৰ ইতিহাসত জিলিকি থাকিব। গতিকে মই আশা ৰাখিছো এই ক্ষেত্ৰত আমাৰ চৰকাৰখনে দ্বীপৰ বিলৰ ক্ষেত্ৰত যিখিনি কৰণীয় কাম মাননীয় মুখ্যমন্ত্ৰী দীপৰ বিল ছ'চাইতিৰো সভাপতি। যদি এইখন দ্বিপৰ বিলৰ একো কাম নহয়, তেনেহ'লে আৰু যে কেতিয়াবা ভৱিষ্যতে হ'ব সেইতো মই কেতিয়াও মানি ল'ব নোৱাৰো। গতিকে আপোনাৰ জৰিয়তে মই পৰিবেশ আৰু বন মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে দ্বৈত ৰেল পথৰ ক্ষেত্ৰত চিৰিয়াচলি, আপুনি এই ক্ষেত্ৰত ব্যৱস্থা লওঁক আৰু উত্তৰ দিশত যাতে দ্বৈত ৰেল পথ নিৰ্মানৰ ক্ষেত্ৰত পুনৰ চাৰ্ভে কৰাৰ কাৰণে উত্তৰ পূৱ সীমান্ত ৰেলৱেক যাতে direction দিয়ে তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ জনাইছো।

**মাননীয় সভানেত্ৰী** ঃ- এতিয়া মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী পৰিমল শুক্ল বৈদ্য (মন্ত্ৰী)** ঃ- মাননীয় সভানেত্ৰী ডাঙৰীয়ানী, এটা গুৰুত্বপূৰ্ণ আলোচনা আজি

মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ইয়াতে উপস্থাপন কৰিলে। অসমীয়া ‘প্ৰতিদিন কাকত’ত যোৱা ৩ জুলাইত ২০১৯ চনৰ প্ৰকাশিত এটা বাতৰিৰ ওপৰত ভিত্তি কৰি, সেই দ্বৈত ৰেল পথৰ কথা আৰু দীপৰ বিলৰ কথা ধুনীয়াকৈ আপুনি কৈছে। দীপৰ বিলৰ কথা আপুনিও ভালকৈ জানে যে আমাৰ চৰকাৰ অহাৰ পাছতে আপুনিও সেইদিনা আছিল, দীপৰ বিল ফেষ্টিভেল বা যিকোনো নামাকৰণ দি আপুনি আৰু মাননীয় মুখ্যমন্ত্ৰী গৈ আৰু ইয়াত উপস্থিত হৈ মই কব পাৰো, দ্বীপৰ বিলৰ দুখৰ কথা, যন্ত্ৰণাৰ কথা গম পাই আহিছে। দ্বীপৰ বিলৰ কথা যেতিয়া হয়, তেতিয়া আমি মানুহ বিলাকে খুব ভাল পাওঁ। ভাল পাওঁ এই কাৰণে যে দ্বীপৰ বিলৰ এটা ঐতিহ্য আছিল আৰু এটা পৰম্পৰা আছিল। আগতে মানুহে বজাৰত গৈ সোধে যে, এই মাছ দীপৰ বিলৰ নেকি ? তেওঁলোকে মাছটো দীপৰ বিলৰ হ’লেহে কিনিছিল। কিন্তু, সেই পৰিস্থিতি বৰ্তমান সময়ত নাই। গুৱাহাটী চহৰত জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে আৱৰ্জনাৰো বৃদ্ধি হৈছে আৰু গোটেই আৱৰ্জনা গৈ দীপৰ বিলত পৰিছে। যাৰ ফলত আগৰ দীপৰ বিলৰ পৰিস্থিতি বৰ্তমানৰ পৰিস্থিতিৰ লগত একে হৈ থকা নাই। আগতে, দীপৰ বিলৰ পানী ব্ৰহ্মপুত্ৰলৈ লগে লগে ওলাই যোৱা outlet ৰ যি ব্যৱস্থা আছিল, সেই ব্যৱস্থা এতিয়া নাই। তাৰ ফলত জমা হোৱা আৱৰ্জনাবোৰ ওলাই যোৱাৰ কোনো বাট নাথাকে। দীপৰ বিলৰ ৪.১ কিঃমিঃ মাটি বন বিভাগৰ আছে আৰু বাকী মাটি ৰাজহ বিভাগৰ হয়। এবাৰ মই দীপৰ বিললৈ গৈছিলো আৰু তাৰ প্ৰদূষিত পৰিৱেশ দেখি মইয়ো আচৰিত হৈছিলো। কলিতা ডাঙৰীয়া, আপুনি কৈছে যে, দীপৰ বিললৈ ছাইবেৰিয়াৰ পৰা বিভিন্ন পৰিভ্ৰমী পক্ষী আহে। কিন্তু সভাপতি মহোদয়া, এই পক্ষীবোৰ দীপৰ বিললৈ পৰম্পৰাগতভাৱেহে পৰিভ্ৰম কৰিবলৈ আহে। কিয়নো তেওঁলোকৰ ককা-আইতাসকলো ইয়ালৈ আহিছিল আৰু তেওঁলোকে ইয়ালৈ আচলতে কিয় আহিছিল বা ইয়ালৈ আহিব লাগে নে নালাগে সেইটো চাবলৈহে এই পক্ষীবোৰ আহে। আমি আমাৰ দপ্তৰত প্ৰায় তিনি-চাৰি দিন আপোনাক লৈ মিটিং কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক Chairman পাতি আমি এখন Society ও বনাইছো। তাত Forest Department, Revenue Department, GMDA, GMC আদিৰ অধিকাৰীয়েই আছিল আৰু আমাৰ মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াও এই Society ৰে এগৰাকী সদস্য। কেইমাহমানৰ ভিতৰতে দীপৰ বিলখন ভালকৈ survey কৰি যাতে উন্নত কৰিব পাৰো তাৰ বাবে আমি resolution লৈছো। গতিকে দীপৰ বিলখন কিদৰে আমি প্ৰদূষণমুক্ত কৰিব পাৰো, কিদৰে ইয়াৰ আগৰ পৰিস্থিতিলৈ ঘূৰাই আনিব পাৰো ইয়াৰে এটা কৰাৰ বাবে আমি প্ৰচেষ্টা হাতত লৈছো।

সন্মানীয় কলিতা ডাঙৰীয়া, মই জানো আপুনি দীপৰ বিলখন বৰ ভাল পায়। কাৰণ এই দীপৰ বিলৰ এটা প্ৰাকৃতিক সৌন্দৰ্য আছে আৰু গুৱাহাটীৰ Gateway ত ভগৱানে এই ধৰণৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ব্যৱস্থা কৰি দিয়াটো ভাৰতবৰ্ষৰ অন্য ঠাইত নিচেই কম। গতিকে দীপৰ বিলৰ প্ৰতি আপোনাৰ উদ্বেগ খুবেই স্বাভাৱিক। দীপৰ বিলৰ বাবে Signature Project ত আপুনি ১০ কোটি টকা দিছে আৰু এনে Signature Project আমি তেতিয়া লওঁ যেতিয়া আমি সকলোৱে সপোন দেখো যে এনেধৰণে কৰিলে সমষ্টিটোৰ উন্নয়ন হ’ব। কিন্তু, এই দীপৰ বিলৰ Signature Project টোত practically আমাৰ বন বিভাগৰ কৰিব লগা বেছি একো নাই। এই বিষয়টো পৰ্যটন বিভাগে চাই আছে আৰু এইটো এতিয়া কি স্থিতিত আছে সেই বিষয়ে মই অৱগত নহয় যদিও পৰ্যটন বিভাগে দীপৰ বিলক পৰ্যটনৰ ক্ষেত্ৰত উন্নত কৰিব। কিন্তু পৰ্যটনৰ ক্ষেত্ৰতো উন্নত কৰিবলৈ হ’লে ১০ কোটি টকাৰ investment হ’ব। এই ১০ কোটি টকা invest হোৱাৰ পিছতো যদি এই প্ৰদূষিত পৰিৱেশৰ পৰা দীপৰ বিলক মুক্ত কৰিব নোৱাৰো তেন্তে এই টকা অথলে

যাব। এই ক্ষেত্ৰত নিঃসন্দেহে Tourism Department এ চিন্তা-চৰ্চা কৰি আছে আৰু আমাৰ বিভাগৰ তৰফৰ পৰাও কাম আৰম্ভ কৰিছো। মাননীয় সভাপতি মহোদয়া, এই ক্ষেত্ৰত মই আশ্বস্ত কৰিব বিচাৰিছো যে আমাৰ এই প্ৰয়াস যদি ফলপ্ৰসূ হয় তেন্তে দীপৰ বিল প্ৰদূষণমুক্ত হ'ব লগতে ইয়াৰ শ্ৰীবৃদ্ধি হ'ব।

দ্বিতীয়তে, আপুনি Double Track Railway Line ৰ কথাও কৈছে। সভানেত্ৰী মহোদয়া, দীপৰ বিলৰ নামটো নো কেনেকৈ হ'ল ? ভাষাবিদ সকলে কৈছে যে দীপৰ মানে হাতী, গতিকে দীপৰ বিল মানে হাতীৰ বিল। ইয়াত Reserve Forest, Eco Sensitive Zone থকাৰ বাবে হাতী আছে। কেইদিন মান আগতে, দীপৰ বিলৰ জাৰৰৰ দোমত পৰি এটা হাতী আৰু এটা পোৱালি মৰিবলৈ ওলাইছিল, কিন্তু, তেতিয়া আমাৰ বিভাগে গৈ সেই হাতী কেইটাক জাৰৰৰ পৰা উদ্ধাৰ কৰিছিল। আমি মানুহবোৰে গছ কাটি, ঘৰ বনাই, ৰেলৰে লাইন বহাই, কল-কাৰখানা স্থাপন কৰি হাতীৰ ঘৰ ধ্বংস কৰিছো। গতিকে, হাতী য'ত আছে বা থাকিব লাগে সেইবোৰ ধ্বংস কৰাৰ মূল নায়ক হ'ল আমাৰ মানৱ সভ্যতা। আগতে এনে দিন আছিল যে মানৱ সভ্যতা উন্নয়ন কৰাৰ ক্ষেত্ৰত হাতীয়েই আমাৰ বন্ধু হিচাপে চিহ্নিত আছিল আৰু কিছু পৰিমাণে হ'লেও সেই বন্ধুত্ব এতিয়াও আছে। যোৱা কেইদিনমান আগতে এটা হাতীয়ে যেতিয়া G.S. Road ত সোমাইছিল আমি তেতিয়া হাতীটোক সঠিক ঠাইত পঠাবলৈ বহুত চেষ্টা কৰিছিলো। তাৰ মাজতে মোক বহু মানুহে সুধিছিল যে হাতীটো কিয় ওলাই আহিলে ? মই ক'লো যে, হাতীটো এটা কামত আহিছিল। কোনোৱে আমাৰ ঘৰ-বাৰী দখল কৰিলে আমি যিদৰে High Court ত যাওঁ, application কৰো, এতিয়া যিহেতু হাতীৰো বাসস্থান নাইকিয়া হ'বলৈ ধৰিছে, গতিকে এনে পৰিস্থিতিত হাতীয়ে কাৰ ওপৰত কেছ দিব, কেছ দিবলৈ কাৰ ওচৰত যাব, এনেবোৰ বিষয় লৈ Hon'ble High Court ৰ ঠিকনা ল'বলৈ আহিছে।

আপোনালোকে যদি লক্ষ্য কৰে, আজিৰ দিনত দীপৰ বিল অঞ্চলত কেৱল Railway track ৰ বাবে এই হাতীবোৰৰ দুৰ্দশা হৈছে, এনে নহয়। বনাঞ্চল ধ্বংস কৰি আমি বহুতো উদ্যোগ বা নানা ধৰণৰ অনুষ্ঠান পাতিছো। এই ক্ষেত্ৰত আমি আমাৰ বিভাগৰ ফালৰ পৰা এটা গুৰুত্বপূৰ্ণ কথা ক'ব পাৰো যে- ৰাইজে উল্লেখ কৰা মতে দীপৰ বিল বন্য প্ৰাণী অভয়াৰণ্যৰ দক্ষিণ পাৰেৰে কামাখ্যা-যোগীঘোপা ৰেলপথৰ দ্বৈতকৰণৰ কাম ৰেল বিভাগে আৰম্ভ কৰা নাই। বৰং দীপৰ বিলৰ জৈৱ-বৈশিষ্ট সৌন্দৰ্য ৰক্ষাৰ স্বাৰ্থত 'ভাৰতীয় বন্য প্ৰাণী সংস্থা', বন বিভাগ আৰু ৰেল বিভাগক লৈ এটা বিশেষজ্ঞ কমিটি গঠনেৰে অধ্যয়ন কৰি থকা হৈছে। কমিটিখনে এতিয়ালৈকে অধ্যয়ন কৰি দীপৰ বিলৰ পাৰত ৰেলপথ নিৰ্মাণ হ'বলৈ হ'লে দুটা মুখ্য বিকল্প হ'ব পাৰে বুলি মত প্ৰকাশ কৰিছে। ইয়াতে কৰাৰ কথা কোৱা নাই। আপুনি চিন্তিত হ'ব নালাগে। উক্ত বিকল্প দুটা হ'ল- ১) যেনে- দ্বৈত ৰেল পথ হ'লে দীপৰ বিলৰ উত্তৰ পাৰেদি হ'ব। সেই পাৰেদি নহয়। তেনেকৈ হ'লে অসুবিধা নহ'ব। দ্বৈত ৰেল পথ দক্ষিণ পাৰেদি হ'লে সুৰংগ নিৰ্মাণ সু-নিশ্চিত কৰা। সেইটো নিৰ্মাণ কৰা হয়তো সম্ভৱ নহ'ব পাৰে। কাৰণ বহু টকাৰ প্ৰয়োজন হ'ব। এদিন আপোনাৰ লগতো এই বিষয়ে আলোচনা হৈছিল যে সুৰংগ নিৰ্মাণ হ'লে বহুখিনি কিলোমিটাৰ হ'ব যাতে কোনো কাৰণতে হাতীৰ বিচৰণ বা প্ৰাকৃতিক সৌন্দৰ্য্য হানি নহয়। বাতৰি কাকতত উল্লেখ কৰা মতে চৰকাৰে দীপৰ বিলৰ দক্ষিণ দিশত ৰেল পথ নিৰ্মাণ কৰাৰ কোনোধৰণৰ হঠকাৰী সিদ্ধান্ত নলয় আৰু এতিয়ালৈকে লোৱা নাই। চৰকাৰে এইটোৰ কাৰণে উচ্চ বিশেষজ্ঞ কমিটি গঠন কৰি দিছে আৰু উক্ত কমিটীৰ ৰিপোৰ্ট ৰাষ্ট্ৰীয় সেউজ অধিকৰণৰ আদালতত দাখিল কৰা হ'ব আৰু আদালতৰ চূড়ান্ত ৰায়হে ৰূপায়ণ

কৰিবলৈ চৰকাৰ সংকল্পবদ্ধ। আমি যেতিয়া NGT ত এই ৰিপোৰ্ট দাখিল কৰিম মই জানো যে NGT এ ইয়াৰ কেতিয়াওঁ নিদিয়ে। ইয়াৰ উপৰিও চৰকাৰে ৰাইজৰ দাবী সৰোগত কৰি সকলো সংশ্লিষ্ট পক্ষৰ সন্মতি আৰু উপস্থিতি সাপেক্ষে 26-07-2019 তাৰিখে এটি ক্ষেত্ৰ ভিত্তিত যৌথভাৱে জড়িত জইণ্ট চাৰ্ভেৰ দ্বাৰা পোন-পটীয়া বিকল্প যেনে- আজাৰা ষ্টেশ্যনৰ ষ্টেশ্যন পিলাৰ ১৬৩/৪ অসম ইঞ্জিনিয়াৰিং কলেজৰ সমীপত আৰু ৰেডিশ্যন ব্লু হোটেলৰ পিছফালে পিলাৰ নং- ১৭২/০ কামাখ্যা ষ্টেশ্যনলৈ নিৰ্মাণৰ সাপেক্ষে দীপৰ বিলৰ জৈৱবৈচিত্ৰ, হস্তীৰ পথ সুৰক্ষিত কৰি ৰেল দুৰ্ঘটনাৰ পৰা হস্তীৰ নিধন বন্ধ কৰিবলৈ, দীপৰ বিলৰ সৌন্দৰ্য্য বৰ্ধন কৰিবৰ বাবে সম্পূৰ্ণ গুৰুত্ব প্ৰদান কৰিছো। এই ক্ষেত্ৰত আমি ৰাইজৰ মতামত লৈ আছো আৰু কমিটীৰ জৰিয়তে বন বিভাগৰ যিটো কথা সেইটো আমি NGT ত জনাম। মই ভাৱো যে বহল প্ৰচাৰিত প্ৰতিদিন বাতৰি কাকতত যি খবৰ আহিছে, সেই খবৰটো লৈ খুব সংকিত হৈছে। সেইবাবে আমি চেষ্টা কৰিছো যে দীপৰ বিলৰ সৌন্দৰ্য্য আৰু হস্তীকুল জীয়াই থকাৰ বাবে আমি সেই কামখিনি হ'বলৈ নিদিওঁ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পূব গুৱাহাটী) ঃ** মাননীয় সভানেত্ৰী মহোদয়া, মই এটা কথা ক'বলৈ বিচাৰিছো যে Eco-Sensitive Zone ত এই কথাটো ফাইনেল হোৱা নাই। এখন অতি সোনকালে Joint commiittee গঠন কৰিব লাগে আৰু হিয়াৰিং এটা ল'ব লাগে। সেইখিনি কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লাগে। নহ'লে সেই অঞ্চলৰ ৰাইজসকলে বহু অসুবিধা ভোগ কৰি আহিছে। এইখিনি ব্যৱস্থা অতিততালিকে কৰিলে ভাল হয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় সভানেত্ৰী মহোদয়া, বহুত অঞ্চলত Eco-Sensitive Zone ফাইনেল হোৱা নাই আৰু ইয়াতো হোৱা নাই আৰু এইটো ফাইনেল কৰাৰ বাবে যি ব্যৱস্থা কৰিব লাগে আমি তাৰ প্ৰয়াস কৰি আছো। আমি কিছুমান ইতিমধ্যে পঠিয়াইছো আৰু এইটো যদি পঠিওৱা নাই আমি তাৰ ব্যৱস্থা অতি সোনকালে কৰিম।

**শ্ৰীমতী অজন্তা নেওঁগ, সভানেত্ৰী ঃ** মই এতিয়া ইংৰাজী ২৭-০৭-২০১৯ তাৰিখে অসমীয়া প্ৰতিদিন বাতৰি কাকতত প্ৰকাশিত **'বানত বিনষ্ট নগাওঁৰ পশ্চিম অঞ্চলৰ পাচলি খেতি। মূৰে-কঁপালে হাত দিছে কৃষকে। বজাৰত পাচলি যোগান হ্ৰাস। ব্যাপক মূল্য বৃদ্ধি।'** উক্ত প্ৰসংগ উত্থাপন কৰিবৰ বাবে মই আমিনুল ইছলাম ডাঙৰীয়াক অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় সভানেত্ৰী মহোদয়া, মই যিটো বিষয়ত জাননী জাৰি কৰিছিলো, এই বিষয়টো অতি স্পৰ্শকাতৰ আৰু জটিল। কাৰণ আমি সকলোৱে জানো যে সম্প্ৰতি সময়ত বানত অসমৰ প্ৰায় দুই তৃতীংশ জিলা বা এলেকাত বানে যথেষ্ট ক্ষতি কৰিছে আৰু আটাইতকৈ বেছি বানত ক্ষতিগ্ৰস্ত হৈছে আমাৰ কৃষক আৰু মৎস্য পালক সকল। বিশেষকৈ এদিনো যদি শাক-পাচলিৰ খেতিত বানৰ পানী থাকে, পাচলিবোৰ বিনষ্ট হৈ যায়। তাৰ লগে লগে বহুতে বৰো ধানো চপাব পৰা নাই। সাম্প্ৰতিক কালত দেখা গৈছে যে বিগত দুই তিনি বছৰত মাকৈৰ খেতি যথেষ্ট বৃদ্ধি পাইছে আৰু এইটো অতি লাভজনক খেতি হয়। কিন্তু এইবাৰ বানত সমগ্ৰ অসমত হয়তো কেইবা লাখ কুইণ্টল বিনষ্ট হৈছে। খেতিয়ক সকলে এক বিঘা মাটিত মাকৈৰ খেতি কৰিলে দহৰ পৰা বাৰ হাজাৰ টকা খৰচ হয়। ঠিক একেদৰে বিলাহী, জলকীয়া, বেঙেনা আদিৰ খেতিটো বিশৰ পৰা ত্ৰিশ হাজাৰ টকালৈকে খৰচ হয়। যিসমূহ বৰ্তমান বানত সম্পূৰ্ণ বিনষ্ট হৈ গৈছে আৰু লগতে দেখা গৈছে যে যিসকল মৎস্য পালক তেওঁলোকৰ পুখুৰীৰ মাছ সম্পূৰ্ণ ৰূপে বিনষ্ট হৈছে আৰু ক্ষতিগ্ৰস্ত হৈছে। আজি কৃষকসকলে ইমান এটা বৃহৎ ক্ষতিৰ সন্মুখীন হ'ল , তাৰ লগে লগে কিন্তু আৰু এটা সমস্যাই

গা কৰি উঠিল। সেইটো হৈছে শাক-পাচলিৰ অনাটনৰ বাবে বজাৰত শাক-পাচলিৰ মূল্য চাৰি-পাঁচ গুণলৈ বৃদ্ধি পাইছে। প্ৰথম কথা হ'ল বানে জলা-কলা খুওৱাৰ বাবে সৰ্বসাধাৰণ ৰাইজ সৰ্বস্বান্ত হৈছে আৰু আৰ্থিক ভাৱেও জুৰুলা হৈছে। এই জুৰুলা অৱস্থাত আকৌ শাক-পাচলি কিনি খাবলৈও দাম দুই তিনি গুণ বৃদ্ধি হৈছে। গতিকে এফালে তেওঁলোকক বানে জুৰুলা অৱস্থা কৰা আৰু আনফালে খাদ্যৰ মূল্য বৃদ্ধিৰ ফলত হোৱা সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ আমাৰ কৃষিবিভাগে একো নতুন পদক্ষেপ লোৱা আমি দেখা নাই। আমি বিধান সভাৰ মজিয়াত বিভিন্ন সময়ত প্ৰায়েই Cold Storage স্থাপন কৰাৰ কথাটো উত্থাপন কৰি আহিছো। গতিকে এই Cold Storage যদি স্থাপন কৰা হ'লহেঁতেন তেন্তে কৃষিবিভাগে হয়তো শাক-পাচলিৰ কিছু শতাংশ মূল্য নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন। এই Cold Storage নথকাৰ বাবেই খাদ্য নাটনিৰপৰা ৰাইজক পৰিত্ৰাণ দিবলৈ চৰকাৰৰ কোনো অন্য বিকল্প নাথাকিল। এই কথাটো মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু বৰ্তমান চৰকাৰে সম্প্ৰতি সময়ত জনসাধাৰণক সকাহ দিয়াৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিব বা কিবা পদক্ষেপ ৰাখিছে নেকি, সেই বিষয়ে সদনক অৱগত কৰাব লাগে। মই আৰু এটা কথা জনাব বিচাৰিছো যে প্ৰধান মন্ত্ৰী কৃষি ফচল বীমা যোজনা ইতিমধ্যে বহু এলেকাত কৰা হৈছে। কিন্তু সকলো লোকে ইয়াৰ সুবিধা পাইছে নে নাই মই নাজানো। ইতিমধ্যে যিসকলক কৃষি বীমা যোজনাত অন্তৰ্ভুক্ত কৰা হৈছিল তেওঁলোকে সেই বীমা যোজনাৰ সুবিধা লাভ কৰিব নেকি? যদি তেওঁলোকক সেই সুবিধা দিব পৰা যায়, অন্ততঃ সেই কৃষক সকলে এটা সামূহিক সকাহ লাভ কৰিব। তাৰ লগে লগে আমাৰ যিসকল মৎস্য পালকৰ ফিচাৰীৰ মাছসমূহ বানপানীত গুচি গ'ল, তেওঁলোককো যদি এই বীমাৰ জৰিয়তে সামৰি ল'ব পৰা যায় যিসকল কৃষকে আজি মূৰে-কপালে হাত দিছে, তেওঁলোকে সকাহ পাব। গতিকে যিকোনো বিকল্প পদ্ধতিৰে বা প্ৰধান মন্ত্ৰী বীমা যোজনাৰ জৰিয়তেই হওঁক আৰু মৎস্য পালকৰ কাৰণে এক হেক্টৰ মাত্ৰ ছয় হাজাৰ টকা SDRF ৰ জৰিয়তে ধাৰ্য্য কৰা হৈছে। যিটো প্ৰকৃততে কম হয়। মই ভাৱো এইটো যদি ৰাজ্য চৰকাৰে সংশোধন কৰিবৰ বাবে পদক্ষেপ হাতত লয়, তেতিয়া অতি ভাল হ'ব। এইখিনি যাতে অতি সোনকালে কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে যোৱা ২৭ তাৰিখে "প্ৰতিদিন কাকতত" প্ৰকাশিত এটা বাতৰিৰ উদ্ধৃতি দি এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মাজলৈ টানি আনিছে। বাতৰিটো আছিল এনেধৰণৰ- "বানত বিধ্বস্ত নগাওঁৰ পশ্চিমাঞ্চলৰ পাচলি খেতি, মূৰে কপালে হাত দিছে কৃষকে, বজাৰত পাচলিৰ যোগান হ্ৰাস, ব্যাপক মূল্যবৃদ্ধি।"

মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ ৰাজ্যখনত হোৱা প্ৰলংকাৰী বানে ৰাজ্যখনৰ ৩০ খন জিলাৰ কৃষি ক্ষেত্ৰখনৰ ব্যাপক ক্ষতি সাধন কৰিছে। ৫৬৯৪ খন গাওঁৰ খেতি পানীত ডুব গৈছে। ৭,১৯,৬২২ জন কৃষকৰ পৰিয়াল বিনষ্ট হৈছে আৰু এক ব্যাপক এলেকা submerge হৈছিল। তাত summer paddy, বাও paddy, regular paddy আছিল, আহু, পাচলি, jute, transplanted শালি আছিল, black gram, maize, sugar cane, horticulture এইবিলাক আছিল। আমাৰ হাতত যি তথ্য আছে, সেই তথ্যমতে ২,১৮,৩২২ হেক্টৰ এৰিয়াত যি শস্য আছিল সেই শস্য বানত ডুব গৈছে। তাৰ ভিতৰত উদ্যান শস্য আছিল ২৫,৩৭৬ হেক্টৰত, শাক পাচলি আছিল ২৪,৭০৫ হেক্টৰতআৰু তেখেতে নগাওঁৰ যি কথা উল্লেখ কৰিছে তাত শাক পাচলি ক্ষতি কৰা এৰিয়া হৈছে ২২২ হেক্টৰ মাটি।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এই বিষয়টো খুৱ গুৰুত্বসহকাৰে লৈছে। কিদৰে খেতিয়ক সকলক সকাহ দিব পৰা যায় তাৰ কাৰণে আমাৰ বিভাগে আগতীয়াকৈ প্ৰস্তুতি চলাইছিল। ৰাজ্যখনৰ প্ৰতিখন অঞ্চলত য'ত য'ত বানপানী হয় সেইবিলাকত আমি community nursery কৰিবৰ কাৰণে আগতীয়াকৈ নিৰ্দেশ দিছিলো। সেই community nursery য়ে ২০,০০০ হেক্টৰ কৃষিভূমি cover কৰিব । প্ৰায়বিলাক জিলাতে সেইখিনি কৰা আমি প্ৰত্যক্ষ কৰিছো। ইতিমধ্যে আমি চৰকাৰক ৩৫.৩০ লাখ কোটি টকাৰ SD দিছো । এইটো এতিয়া under consideration ত আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াই এইক্ষেত্ৰত ক্ষিপ্ৰতাৰে পদক্ষেপ লৈছে। সেয়েহে আমি আশা কৰিছো যে এইটো নিশ্চিতভাৱে হ'ব। এতিয়া আমি যিখিনি খেতি কৰিম, তাত আমি ৰবি খেতিৰ ওপৰত বেছিকৈ গুৰুত্ব দিছো.। ৰবি খেতিৰ বিভিন্ন শাক পাচলিৰ খেতিৰ বাবে আমি Assorted vegetable packet ব্যৱহাৰ কৰিম। তাত ১০,০০০ হেক্টৰ মাটিত ফুলকবি, বন্ধাকবি, বিলাহী, বেঙেনা, জলকীয়া এইবিলাক সামৰি লোৱা হ'ব । ২০,০০০ হাজাৰ কৃষক ইয়াৰ জৰিয়তে উপকৃত হ'ব। ইয়াৰ বাবে আমি বিশেষভাৱে ৬ কোটি টকা ধৰিছো। এতিয়া ডাঙৰ কথা হৈছে যে বানপানীৰ সুযোগ লৈ কেতবোৰ কিছুমান অসাধু ব্যৱসায়ীয়ে অকল নগাওঁতেই নহয়, ৰাজ্যখনৰ বিভিন্ন ঠাইত বিভিন্ন বস্তুৰ দাম বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। সেইটো আমি প্ৰত্যক্ষ কৰিছো। এই বিষয় সম্পৰ্কত আমি যোগান বিভাগৰ মাননীয় মন্ত্ৰীৰ লগতে বিষয়া সকলৰ লগত আলোচনা কৰিছো। ইয়াৰ উপৰিও নগাওঁৰ বিষয়টোও আমাৰ দৃষ্টিগোচৰ হৈছে। ইতিমধ্যে ৰাজ্যখনৰ প্ৰতিখন জিলাৰ উপায়ুক্তক চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ দিয়া হৈছে যে কৃত্ৰিম নাটনিৰ সৃষ্টি যাতে কৰিব নোৱাৰে তাৰ প্ৰতি নজৰ ৰাখিবলৈ। নগাওঁৰ বিষয়টো তাৰ উপায়ুক্ত ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিম যাতে তেওঁ ইয়াৰ ওপৰত বিশেষভাৱে চকু দিয়ে।

আপোনালোকে জানে যে বস্তুৰ দাম বঢ়াৰ অন্যতম কিছুমান কাৰণ আছে। ৰাস্তা - ঘাট বিলাক এতিয়া বিনষ্ট হৈ গৈছে, যোগাযোগ প্ৰায় নাইকীয়া হৈ গৈছে যাৰকাৰণে কিছু অসুবিধাৰ সৃষ্টি নোহোৱা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, আমি কৃষি বিভাগৰ জৰিয়তে ৰাজ্যখনৰ কৃষিক্ষেত্ৰত এক আমূল পৰিবৰ্তন আনিবলৈ চেষ্টা চলাইছো। তেখেতে cold storage ৰ কথা উল্লেখ কৰিছে। আমি বিভিন্ন ঠাইত cold storage কৰিছো। ছয়গাওঁ, দলগাওঁ লগতে ৰাজ্যখনৰ আন আন ঠাইত cold storage নিৰ্মাণ হৈ আছে APART ৰ জৰিয়তে। ঠিক তেনেদৰে আমাৰ Horticulture বিভাগত HMNEH ৰ জৰিয়তে Cold storage দিয়াৰ ব্যৱস্থা কৰিছো। কিন্তু তেখেতে যি মাকৈৰ কথা কৈছে, সাধাৰণতে দেখা যায় যে জেঠ-আহাৰ মাহতে মানুহে মাকৈ চপায়। এতিয়া আমি যিবিলাক মাকৈ খাওঁ সেই বিলাক মেঘালয়ৰ পৰা অনা। তথাপিও তেখেতে ক্ষয়-ক্ষতি হৈছে বুলি কৈছে যেতিয়া কথাটো আমি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছো। কিদৰে আমি এই ক্ষয়-ক্ষতিৰ লগতে মোকাবিলা কৰিব পাৰো তাৰবাবে আমি চেষ্টা অব্যাহত ৰাখিম।

মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ কথা কৈছে। এই যোজনা আচঁনিটো আমাৰ ৰাজ্যখনত ইমান সফলভাৱে আগবঢ়া নাই। মই সন্মানীয় সদনক অনুৰোধ জনাইছো যে আমাৰ যিসকল সন্মানীয় সদস্য আছে, তেখেতসকলে যাতে এই আচঁনিটোৰ সুবিধা কৃষক সকলক দিব পাৰে আৰু কৃষকসকলেও যাতে এইটো গ্ৰহণ কৰে তাৰ কাৰণে মই তেখেত সকলৰ সহায় সহযোগিতা কামনা কৰিছো। চৰকাৰেও আপোনালোকক ইয়াৰ বাবে সহযোগিতা আগবঢ়াব। আমাৰ বিভাগে তাৰবাবে কিছুমান সিদ্ধান্তও লৈছে। সেইবিলাক আমি আপোনালোকক

অৱগত কৰিম।

ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে PM কিষান নীতিৰ জৰিয়তে ৰাজ্যখনৰ সকলো কৃষকক সামৰি লৈ ৬ হাজাৰ টকাকৈ ভা গ ভাগ কৈ টকা দিয়াৰ ব্যৱস্থা ইতিমধ্যে আৰম্ভ হৈছে। ৰাজ্যখনৰ ২০১০-২০১১ ৰ লোকপিয়ল মতে ৰাজ্যখনত ২৭ লাখ কৃষক আছে। তেনেদৰে DO report মতে সেই সময়ত ৰাজ্যখনত কৃষকৰ সংখ্যা আছিল ৩৭ লাখ। কিন্তু মই ভাৱো কৃষকৰ সংখ্যা তাতোকৈ অধিক হ'ব। এতিয়া PM কিষানে যথেষ্ট কৃষকক সামৰি লৈছে। আমাৰ হাতত থকা তথ্যমতে এতিয়ালৈকে ৩৩ লাখ কৃষকৰ নাম তাত অন্তৰ্ভুক্ত হোৱা দেখিছো। গতিকে মই ভাৱো যে কৃষকসকল ইয়াৰ দ্বাৰা highly benifited হ'ব আমাৰ চৰকাৰৰ দিনত।

ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীৰ যি কৃষি সা-সঁজুলি আচঁনি আছিল সেই আচঁনিও সফলভাৱে ৰূপায়িত হৈছে। যোৱাবছৰ যি ২৫০ কোটি টকা ধাৰ্য্য কৰা হৈছিল সেইখিনি ইতিমধ্যে দিয়া হৈছে আৰু এইবাৰ চৰকাৰে তাৰবাবে আকৌ ৩০০ কোটি টকা ধাৰ্য্য কৰিছে। মই ভাৱো যে এইবিলাকৰ দ্বাৰা কৃষকসকল নিশ্চিতভাৱে যথেষ্ট উপকৃত হ'ব। ইয়াৰ বাবে মই সন্মানীয় সদনৰ সহযোগিতা বিচাৰিছো। ইয়াৰ উপৰিও RIDF ত আমাৰ এটা scheme আছিল। ১ লাখ ১ হাজাৰ Shallow tubewell, Electrical & Diesel solar pump, দিয়াৰ যি এটা আচঁনি আমি ঘোষণা কৰিছিলো, সেই আচঁনিটো যদি আমাৰ ৰাজ্যত সফল ৰূপায়ণ হয়, মই ভাৱো তেতিয়া আমাৰ ৰাজ্যৰ কৃষি খণ্ডখনত আমূল পৰিৱৰ্তন আহিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জাকিৰ হুছেইন ডাঙৰীয়া আপোনাৰ point টো কি?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো PM কিষানৰ কথা কৈছে এইটোৰ দ্বাৰা কৃষকসকল উপকৃত হৈছে সেই কথা আমি স্বীকাৰ কৰো। কিন্তু PM কিষানৰ যিটো দ্বিতীয় পৰ্য্যায় তাৰ অন্তিম আবেদন যোৱা ১৫ তাৰিখে আছিল। এইটো আপোনালোকে জানে যে ৰাজ্যৰ বিভিন্ন ঠাইত যোৱা ৯ তাৰিখৰ পৰা বানপানী আৰম্ভ হৈছে কিন্তু বৰপেটা জিলাত ৫ তাৰিখৰ পৰাই বানপানী আৰম্ভ হৈছে। যেতিয়া ১৫ তাৰিখ last date দিয়া হ'ল, বানপানীৰ কাৰণে তেওঁলোকে Block মণ্ডলৰ লগতে agriculture ৰ ADO পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি গ্ৰামসেৱক সকলৰ লগত যোগাযোগ কৰিব পৰা নাই। যাৰবাবে বহু কৃষকে আবেদন কৰাৰ পৰা বঞ্চিত হ'বলগা হ'ল। এইক্ষে ত্ৰত আমাৰ জিলা উপায়ুক্ত ডাঙৰীয়াই উচ্চ পৰ্য্যায়ৰ কৃষি বিষয়া সকলৰ লগত যোগাযোগ কৰিছিল কিন্তু তেওঁলোকৰ পৰা কোনো ধৰণৰ সেউজ সংকেত পোৱা নাই। আজি মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিহেতু PM কিষানৰ কথা উল্লেখ কৰিছে গতিকে এই ক্ষেত্ৰত অন্তিম দিনৰ সময়টো অলপ বঢ়াই দি প্ৰকৃত কৃষক সকলক তেওঁ উপকৃত কৰিব নেকি?

অধ্যক্ষ মহোদয়, মোৰ এটা last point আছে। যিহেতু মূল্যবৃদ্ধিৰ কথা উল্লেখ হৈছে, ইয়াত যদিও যোগান মন্ত্ৰী ডাঙৰীয়া উপস্থিত নাই, মই এই কথা ক'ব বিচাৰিছো যে গুৱাহাটীকে ধৰি ৰাজ্যখনৰ সকলো জিলাতে মূল্যবৃদ্ধি হৈছে। গতিকে মই আপোনাৰ জৰিয়তে যোগান মন্ত্ৰী ডাঙৰীয়াক এইক্ষেত্ৰত ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মূল্যবৃদ্ধিৰ কথাটো নহয়, আপুনি এপলিকেশ্যনৰ তাৰিখটো বঢ়াব পাৰিব নেকি?

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩১ জুলাই লৈকে বঢ়াই দিয়া হৈছিল। তেখেতে সম্ভৱত অৱগত নহয়। কিন্তু আমি ৪০ গৰাকী ডি. অ ক নিৰ্দেশ দিছিলো আৰু প্ৰায় বিলাক জিলাতেই সেই বঢ়োৱা সময়তোৰ ভিতৰত যথেষ্ট সংখ্যক শিক্ষকৰ নাম আমাৰ হাতত পৰিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী আৰু শ্ৰী মামুন ইমদাদুল হক চৌধুৰী। জিৰ' আৱাৰত আমি ক'ব লাগে একচুৰেলী ৫ মিনিট, উত্তৰ দিব লাগে ৫ মিনিট। এইটো আমাৰ নিয়ম। এতিয়া মই ইয়াত বহি পেলাই সকলোকে নিয়ম শিকাই থাকিলেটো নহ'ব আৰু আপোনালোক সকলোৰে প্ৰশ্ন থাকে। কিছুমান প্ৰশ্ন আপোনালোক মোক দিব পাৰে। বিশেষকৈ বানপানীৰ ক্ষেত্ৰত দিয়া কোনো বিষয় মই এৰি থৈ নাযাওঁ। এনেকৈ কথা ক'লে মন্ত্ৰী ও কথা বিলাক বুজি কমপিটেণ্ট হৈ আহিব লাগিব।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৭ জুলাই তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত এটা বাতৰি " হাইকোৰ্টৰ নিৰ্দ্দেশৰ পিছতো নহ'ল চাকৰি নিয়মীয়াকৰণ, হাইস্কুল ফিক্স পে শিক্ষকৰ হাহাকাৰ" এই সম্পৰ্কত মই বাতৰিটো আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা ২০০১ চনতে চেংচন পোষ্টত হাইস্কুল শিক্ষক ক ফিক্স পে ত নিযুক্তি দিছিল। কিন্তু তেওঁলোকে এতিয়ালৈকে দূৰ্ভাগ্যবশতঃ ৫০০ শিক্ষকে প্ৰথমে ফিক্স পে ২৫০০, ২০০৫ চনৰ পৰা ১৫ হাজাৰ কৰি বৰ্তমানলৈকে চাকৰি কৰি আছে আৰু এই সম্পৰ্কত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ কক্ষত শিক্ষামন্ত্ৰী সহ শিক্ষক সকলৰ যিটো সমিতি সেই সমিতিৰ লগত আলোচনা কৰা হৈছিল আৰু পৰৱৰ্ত্তী পৰ্য্যয়িত এই সম্পৰ্কত আপোনাৰ নিদ্দেৰ্শত সমস্যাসমূহ আলোচনা কৰি সেইবোৰ সমাধানৰ কাৰণে চিন্তা-চৰ্চ্চা কৰা হ'ব বুলি ০৬-০৩-২০১৮ তাৰিখে আপোনাৰ ৰুমতে আলোচনা কৰা হৈছিল। কিন্তু বৰ্তমানলৈকে এই সম্পৰ্কত কোনো ব্যৱস্থা লোৱা নাই। সেয়েহে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছো। এই সম্পৰ্কত ফিক্স পে শিক্ষক সন্থাই কোৰ্টৰ দ্বাৰস্থ হ'ব লগীয়া হৈছিল আৰু মাননীয় উচ্চ ন্যায়ালয়ে এই সম্পৰ্কত এটা ৰায় দিছে। সেই ৰায়ত শিক্ষক সকলক গ্ৰেজুৱেট শিক্ষক হিচাবে তেওঁলোকক ৰেগুলাৰ কৰিব লাগে বুলি নিৰ্দ্দেশ দিছে আৰু চাৰি মাহৰ ভিতৰত এইখিনি সম্পূৰ্ণ কৰিবলৈ দিছে। কিন্তু দুৰ্ভাগ্য বৰ্তমানেও এই সম্পৰ্কত এতিয়ালৈকে কোনো ধৰণৰ সিদ্ধান্ত লোৱা হোৱা নাই। মই আশা কৰিছো যে এই সম্পৰ্কত বিভাগে এটা উচিত ব্যৱস্থা ল'ব। তাৰ পৰিৱৰ্ত্তে দেখিবলৈ পোৱা গৈছে উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশৰ বিৰূদ্ধে আকৌ বিভাগৰ পৰা জানিব পৰা মতে চুপৰীম কোৰ্টত কেচ দিয়া সম্পৰ্কত পুনৰ আলোচনা হৈছে। মই ভাৱো মাত্ৰ ৫০০ শিক্ষক, চালিজাৰি চালে হয়তো ৩৫০ মান হ'ব। যিহেতু তেওঁলোকৰ পোষ্ট বিলাক ও চেংচন পোষ্ট গতিকে বিভাগৰ কোনো অসুবিধা নহ'ব। সেয়ে মই আশা কৰিছো, সেই ৫০০ পৰিয়ালক যাতে এটা ভাল ব্যৱস্থা কৰি দিয়ে তাৰবাবে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাই উত্তৰ বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ইমদাদুল হক চৌধুৰী।

**শ্ৰী ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাৰ "ন্যায়ালয়ৰ নিৰ্দ্দেশ স্বতেও নিয়মীয়া নহ'ল ৫০০ ফিক্স পে শিক্ষকৰ পদ" এই বাতৰিটো আপুনি সদনত উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। বাতৰিটো ওলাইছিলে 'নিয়মীয়া বাৰ্তা' কাকতত ২৭ জুলাই ২০১৯, শনিবাৰে। আমাৰ যিটো বিষয় শ্ৰী ভড়ালী ডাঙৰীয়াই কৈ গ'ল যে, ১৯৯৬ চনত এওঁলোকক নিযুক্তি দিবৰ কাৰণে চৰকাৰী ভাৱে বিজ্ঞাপন দিয়া হৈছে আৰু চৰকাৰী ভাৱে গৰ্ভমেণ্ট নটিফিকেশ্যন কৰি চিলেকশ্যন বোৰ্ড ১৯৯৮ ত বনোৱা হৈছিল। তাৰপিছত তেওঁলোকক চৰকাৰী

ভাৰ ২০০১ চনত নিযুক্তি দিয়া হ'ল ২৫০০ টকা ফিক্স পে হিচাবে। ২০১৫ চনত এই ২৫০০ টকাটো ১৫,৫০০ কৰা হ'ল। এনেকৈ চলি আছে কিন্তু তেওঁলোকক ৰেগুলাৰাইজ কৰা নহ'ল। যেতিয়া তেওঁলোকক নিযুক্তি দিয়া হৈছিল সম্পূৰ্ণৰূপে চৰকাৰী নিয়ম নীতি মানি দিয়া হৈছিল অৰ্থাৎ ভেলিড চেংচন পোষ্টৰ এগেইনষ্টত। কি কাৰণে আজি মানুহখিনিয়ে ১৮-১৯ বছৰে অভাৱ-অনাটনৰ মাজেদি ইমান হাহাকাৰ কৰিব লগীয়া হ'ল এই কথাখিনি আমি ক'ব নোৱাৰো। তাৰপিছতো তিনিবাৰকৈ চৰকাৰ গ'ল আৰু এইখন হৈছে ৪ নম্বৰ চৰকাৰ। চৰকাৰ আহিব আৰু যাব কিন্তু চৰকাৰৰ সিদ্ধান্ত বিলাক ৰাইজৰ সপক্ষে হ'লে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, ৫০০ ফিক্স পে ৰ হিচাবটো এনেধৰণৰ ঃ

| | |
|---|---|
| লখিমপুৰত | - ৭৮ জন |
| ধেমাজিত | - ১৫ জন |
| শোনিতপুৰত | - ৯০ জন |
| শিৱসাগৰত | - ১০৭ জন |
| নগাওঁত | - ২৩১ জন |

ইয়াৰ আগতে ইতিমধ্যে কামৰূপ, গোলাঘাট, বঙ্গাইগাওঁৰ যি সকল ফিক্স পে শিক্ষক আছিল তেওঁলোকে পে স্কেল পালে আৰু ৰেগুলাৰাইজ হৈ গ'ল। এই যে ৫২৫ জন মানুহে পে স্কেল নাপালে তাৰ কাৰণে তেওঁলোক তিনিটামান কেচ কৰিলে। হাইকোৰ্টৰ writ petition কেচ কেইটা হৈছে - 67/2017, 763/2013, 233/2017. আমি DRSC Committeeত এই বিষয়টো কেইবাবাৰো উত্থাপন কৰিছো। বিষয়া সকলে বহুত কথাৰ উত্তৰ দিছে। আমি তেওঁলোকক দোষাৰোপ নকৰো যিহেতু তেওঁলোক Executive Officer, Government ৰ decision তেওঁলোকে execute কৰে। তাত আমাৰ আপত্তি নাই। অসম বিধান সভাতো মই কেইবাবাৰো এই বিষয়টো উত্থাপন কৰিছো আৰু শাসক বিৰোধী প্ৰায় সকল বিধায়কেই প্ৰশ্নটো আনিছে। অসম বিধান সভাত Leader of the House and Leader of the Opposition ৰ এটা বিশেষ মৰ্য্যদা আছে। সেয়েহে মই Leader of the Opposition ৰ প্ৰশ্নটোহে আনিছো। তেখেতে Unstarred Question 331dated 20-02-2019 ত এই বিষয়ত তেখেতে প্ৰশ্ন আনিছিলে. তেতিয়া চৰকাৰে উত্তৰ দিছিলে যে, মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ নামাত বিভাজন হৈ থকাৰ কাৰণে বিষয়টোৰ ওপৰত ব্যৱস্থা ল'ব পৰা নাই। প্ৰায় একেটা উত্তৰকেই শাসক-বিৰোধী সকলোকে চৰকাৰে দি আছে। তাত আমি আপত্তি কৰা নাই যিহেতু এইটো বিচাৰাধীন হৈ আছে। এতিয়া কোৰ্টে এটা judgement দিছে। কোৰ্টৰ এটা এটা লাইনৰ বহুত interpretation হয়। আপুনি নিজেও অধিবক্তা আৰু মন্ত্ৰী ডাঙৰীয়াও জ্যেষ্ঠ অধিবক্তা হয় গতিকে কোনো ধৰণৰ বিতৰ্কত নগৈ লাইনটো পঢ়ি দিছো। এইটো হৈছে writ petition 763/13. ইয়াত চৰকাৰে কৈছে ঃ

Consequently, both the questions framed by this Court in the order dated 22.09.2016 are answered in favour of the petitioners. Therefore, respondents are now directed to release the regular pay scale of the petitioners as Graduate Teacher of High School w.e.f the dates of their joining.The same shall be done within a period of 4(four) months from the date of receipt of a certified copy of this

order. If there is failure to pay the pay scale of the petitioners as directed above within the aforesaid period, the arrear amount would carry interest @ 6% per annum, which may be recovered from the erring officials. চাৰ, এইটো মাৰত্মক অৰ্ডাৰ, লগতে কোৰ্টখনে কৈছে কি Writ petition is accordingly allowed with cost of Rs. 10,000(Rupees Ten Thousand) to be paid by the Director of Secondary Education, Assam. মই শেষ কৰি দিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** চাৰ, এক মিনিট, মই শেষ কৰি দিছো। এতিয়া মানুহখিনিয়ে ১৯ টা বছৰ বিধায়ক, মন্ত্ৰী, চৰকাৰৰ দুৱাৰে, অফিচে ঘুৰি ঘুৰি অৰ্ডাৰ পোৱাৰ পিছত একেলগে কেইবাটাও কেছ তেওঁলোকে কৰিলে। এতিয়া পেপাৰখনত ওলালে কি শিক্ষক সকলৰ কুৰি বছৰীয়া দুখ-যন্ত্ৰণাক আওকান কৰি উচ্চ ন্যায়ালয়ৰ ৰায়ক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাবলৈ মাধ্যমিক শিক্ষা বিভাগে যোজা চলাইছে। এক নম্বৰত চাৰ, মানুহকেইজনে স্কেল পে পোৱা নাই, দ্বিতীয়তে, ১৯ টা বছৰ মানুহকেইজনে চৰকাৰৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰিছে, তৃতীয়তে, কোৰ্ট কাছাৰীত ঘুৰি ঘুৰি মানুহ বিলাক কাহিল হৈ গ'ল, এতিয়া চতুৰ্থ বিপদটো আহিলে যে জিকা কেছটোক আকৌ এই চৰকাৰে হাইকোৰ্টৰ জাজমেন্টৰ বিৰোদ্ধে চুপ্ৰিমকোৰ্টলৈ যাবলৈ যোজা চলাই আছে। এইটো চাৰ, মই কোৱা নহয়, পেপাৰে কৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে এই মানুহকেইজনক অলপ মানৱীয় দৃষ্টিভঙ্গীৰে যদি চায়, কাৰণ চৰকাৰ এখনে দিয়া নিযুক্তি, তেওঁলোকেটো নিজে লোৱা নাই আৰু ইমান ষ্ট্ৰাগ'ল তেওঁলোকে ১৯ বছৰ মানে তেওঁলোকৰ আধা কাৰ্য্যকাল গুচিয়ে গ'ল আৰু বহুতৰ ইতিমধ্যে ৫০ ৰ ওচৰা ওচৰি মানুহকেইজনৰ বয়স হৈ গ'ল, অৱসৰৰ বেছি দিন নাই। গতিকে চাৰ, মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো এই যে কোৰ্টে যিটো ৰায় দিলে 6% interest per annum from the joining date, মই আপোনাক চাৰ অনুৰোধ কৰিছো আপুনি যদি শিক্ষক সন্থাৰ লগত বহে 6% interest per annum যিটো যাব বহুত huge amount আপোনালোকক লাগিব, আপোনালোকে যদি negotiation কৰে, মোৰ বোধৰে মানবীয় দৃষ্টিৰে আপোনালোকেও যদি অলপ এৰা ধৰা কৰে, তেওঁলোকেও যদি এৰা ধৰা কৰে বস্তুটো আজীৱনৰ কাৰণে মষিমূৰ হৈ যাব। গতিকে এইটো এটা positive দিশত যাতে চৰকাৰে লয় তাৰ কাৰণে চাৰ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, এটা বস্তু চাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, এইবোৰ পিছত, আজি নহ'ব। মোৰ বহুত কাৰ্য্যসূচী আছে, নহ'ব আজি। আজি দৰকাৰী কথা এটা কৈছে late the answer come.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই 'নিয়মীয়া বাৰ্তা' আৰু মাননীয় ভবেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই 'অসমীয়া প্ৰতিদিন'ত ২৭ তাৰিখে যি দুটা বাতৰি প্ৰকাশ কৰিছে সেই বাতৰিৰ ওপৰত আজি দৃঢ়ভাৱত এই প্ৰশ্নটো আনিছে। মই গোটেই বাতৰিখিনি পঢ়ি চাই দেখিলো যে এই গোটেই বাতৰিখিনি তৈয়াৰ কৰা হৈছে এটা শিক্ষক সন্থাই দিয়া তথ্যৰ ওপৰত। মই আজি সদনৰ জ্ঞাতাৰ্থে কিছু তথ্য ৰাখিব বিচাৰিছো

তাৰ পিছত সেই সম্পৰ্কে সদনে সিদ্ধান্ত লব বা সদনে আমাক সেই সম্পৰ্কে এটা সুযোগ দিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ইমদাদুল হক ডাঙৰীয়াই যি কথা কৈছে যে ১৯৯৫ চনতে আৰম্ভ হৈছিল তাৰ পিছত ১৯৯৬ হ'ল, ১৯৯৮ হ'ল তাৰ পিছত ২০০১ চনত তেখেত সকলক নিযুক্তি দিয়া হ'ল। এতিয়া এই বিষয়টোৰ ওপৰত বিতৰ্ক কেনেকৈ সৃষ্টি হ'ল, তেখেতে কোৱাৰ দৰে চৰকাৰে যেতিয়া বিজ্ঞাপন দিছিল সেই বিজ্ঞাপনত চৰকাৰে কিমানবোৰ পদ Sanction কৰি থৈছিল তাৰ এটা সংখ্যা দিয়া হৈছিল। এই ক্ষেত্ৰত অন্যান্য জিলাৰ লগতে এই ৫ খন জিলা যিহেতু আহিছে তাৰ তথ্যটো মই আপোনাক কৈছো। শিৱসাগৰ জিলাত ২৪ টা পদ অনুমোদন কৰা আছিল তাৰ বিপক্ষে ১০৮ গৰাকী মানুহক নিযুক্তি দিয়া হ'ল। নগাওঁ জিলাত ৭১ টা পদ অনুমোদন হৈ আছিল কিন্তু তাত নিযুক্তি দিলে ২৪৪ জন, শোণিতপুৰত ৩৭ টা পদ অনুমোদিত হৈ আছিল কিন্তু তাত কিমান নিযুক্তি দিলে তাৰ সঠিক তথ্যটো এই মুহূৰ্তত মোৰ হাতত নাই, গতিকে সংখ্যাটো উল্লেখ নকৰো।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** ৯০ জন।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** কিমান বুলি কলে ৯০ জন, তেতিয়াহলে ৩৭ টা পদ অনুমোদিত আছিল চাকৰি দিলে ৯০ জনক। মই কিন্তু আপোনাৰ তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিছো। লক্ষিমপুৰত ২৮ টা পদ অনুমোদিত আছিল চাকৰি দিলে ৮১ জনক, ধেমাজীত ৪ টা পদ আছিল নিযুক্তি দিলে ১৬ জনক। এতিয়া এই যিখিনি নিযুক্তি দিয়া হ'ল গতিকে এই গোটেই কথাখিনি আহিলে কেতিয়া যে যেতিয়া তেওঁলোকক দৰমহা দিবলগীয়া হ'ল। চৰকাৰে যিখিনি পইচা অনুমোদন থাকে সেইখিনিহে শিক্ষা বিভাগলৈ পঠিয়াই আৰু শিক্ষা বিভাগে যেতিয়া দিব পাৰিলে যিখিনিক অতিৰিক্ত ভাৱে সেইসময়ৰ শিক্ষা বিভাগৰ বিষয়া সকলে অন্যান্য সকলৰ লগত মিলি অতিৰিক্ত ভাৱে দিলে। এই গোটেইখিনি Appointment irregular and illegal. যিয়ে নহওঁক, এটা সিদ্ধান্ত লোৱা হ'ল যে তেখেত সকলক এটা ফিক্স পে হিচাপে Retrain কৰা হওঁক আৰু সেই হিচাপে তেতিয়া তেখেত সকলক আঢ়ৈ হাজাৰ টকাকৈ দিয়া হ'ল। পৰৱৰ্তী সময়ত যেতিয়া আমাৰ চৰকাৰ আহিল, আমাৰ চৰকাৰ অহাৰ পিছত অনুভৱ হ'ল যে এই মানুহখিনিক আঢ়ৈ হাজাৰ টকাকৈ যথেষ্ট কম দৰমহা দিয়া হৈছে সেই কাৰণে আঢ়ৈ হাজাৰৰ ঠাইত ১৫৫০০.০০ টকা কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তেখেতে যিবিলাক কোৰ্টৰ কথা কলে কোৰ্টৰ কথা মই অকলে নহয়, আপুনিয়েই নহয়, তেখেতেও নিজে অধিবক্তা। গতিকে তেখেতেও জানে যে আজি যদি চৰকাৰে এটা সিদ্ধান্তৰ ওপৰত একো Appeal নকৰে Appeal ground থকাৰ পিছত, কালিলৈ অন্যান্য বিষয়ত সেইটোৱে Precedent দেখুৱাই যে অমূকটো গোচৰত আপোনালোকে এনেকুৱা ধৰণৰ এটা সিদ্ধান্ত লৈছিল আমাৰ ক্ষেত্ৰটো এনেকুৱা ধৰণৰ সিদ্ধান্ত ল'ব লাগে। Precedent দেখুৱাই এনেকুৱা ধৰণৰ আৰু অধিক এনেকুৱা আবেদন আহিব, অধিক দাবি আহিব। এইটো যদি কোৰ্টে ক'লে হয় যে this is a one time decesion, তেতিয়াহলে আমাৰ কব লগীয়া নাছিল। কোৰ্টে অকল এই গোচৰটোৰ ক্ষেত্ৰতহে এই ৰায়দানটো বাহাল থাকিব বুলি কোৱা নাই সেইকাৰণে আমি চুপ্ৰিমকোৰ্টত যাবই লাগিব। নহ'লে ভৱিষ্যতে অন্যান্য সকলেও আহি ক'ব যে আপোনালোকে যদি সেই সকল শিক্ষকৰ ক্ষেত্ৰত সিদ্ধান্ত লৈছে, আমাৰ ক্ষেত্ৰত আপোনালোকে এই সিদ্ধান্তটো কিয় নল'ব। এটা আইগত পদ্ধতি। মাননীয় বিধায়ক গৰাকীয়ে মোতকৈ এই কথাটো বেছি ভালকৈ জানে, এটা কথা আৰু কোৱা হৈছে যে অকলে ৫ খন জিলাতে কিয় হ'ল? এই ৫ খন জিলাতে কিয় দিয়া হ'ল? তাতো আকৌ এটা হাইকোৰ্টৰ কেছ আছিল Kalpa Ram Deka and other person vs State of Assam এই ক্ষেত্ৰত কল্পোৰাম ডেকা আৰু অন্যান্য সকলেও উচ্চ ন্যায়ালয়লৈ গৈছিল।

কল্পৰাম ডেকা কামৰূপ জিলাৰ আছিল আৰু অন্যান্য সকলো গৈছিল। তেখেত সকলে যেতিয়া ন্যায়ালয়লৈ গৈছিল তেতিয়া এই Sanction and retention ৰ কথাবোৰ ঠিকেই আছিল। আৰু এই শিক্ষকৰ পদবোৰৰ ক্ষেত্ৰত কোনো বিসংগতি নথকাৰ বাবে মাননীয় ন্যায়লয়ে কৈছিল যে আপোনালোকৰ যিহেতু ইয়াত কোনো বিসংগতি নাই গতিকে এই ক্ষেত্ৰত আপোনালোকে তেখেত সকলক নিযুক্তি দিব লাগে। কোনো বিসংগতি নথকাৰ কাৰণে আমি দিছো। কিন্তু ৫০০ শিক্ষকৰ ক্ষেত্ৰত আপুনি নিজে অনুভৱ কৰক আৰু এই ক্ষেত্ৰত তেখেত সকলেও কৈছে যিহেতু এই ক্ষেত্ৰত বাতৰি প্ৰকাশ হৈছে, সেই বাতৰি কাকতৰ পৰা মই কৈ আছো। তেখেত সকলে কৈছে ১২৬ গৰাকী, ১২৬ টা অনুমোদিত পদৰ বিপৰীতে ৭০০ জনক দিয়া হৈছিল। তাৰমানে ৫০০ ত কৈ অধিক পদ সম্পূৰ্ণ illegally দিছিল। তেখেত সকলে হয়তো প্ৰশ্ন কৰিব যে আপোনালোকে বিভাগীয় এই বিষয়া সকলৰ ওপৰত কিবা পদক্ষেপ লৈছে নেকি, হয় লোৱা হৈছে। কিন্তু অন্যান্য যিসকলে এই গোটেই প্ৰক্ৰিয়াটোৰ অংশীদাৰ আছে তেখেত সকলৰ ওপৰত কিন্তু কোনো পদক্ষেপ লোৱা নহ'ল। আপুনিও জানে সেইটো কথা আৰু কবৰ প্ৰয়োজন নাই। মই এই ক্ষেত্ৰত এটা বিবৃত্তি উত্থাপন কৰিব বিচাৰিছো, আপুনি যদি অনুমতি দিয়ে মই পঢ়ি দিব বিচাৰিছো। 'অসমীয়া প্ৰতিদিন' আৰু 'নিয়মীয়া বাৰ্তা' বাতৰি কাকত্ৰ ২৭ তাৰিখে প্ৰকাশিত বাতৰিৰ ওপৰত নিৰ্ভৰ কৰি মাননীয় মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া আৰু মাননীয় ভবেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই যি শূন্যকালীন ঘন্টাত তেখেত সকলে যি বিষয় উত্থাপন কৰিছে সেই বিষয়টো সঠিক তথ্যৰ ওপৰত আধাৰিত নহয়। উল্লেখযোগ্য যে অসমৰ পাঁচ খন জিলাত নগাওঁ, শিৱসাগৰ, শোণিতপুৰ, ধেমাজি আৰু লক্ষিমপুৰত ২০০১ চনত নিৰ্ধাৰিত পদৰ বিনিময়ত প্ৰায় ৭০০ ৰো অধিক পদত অনিয়মীয়াকৈ পদ পূৰণ কৰা হয়। বৰ্তমানে ৫২৬ জনে কাম কৰি আছে। এই বিষয়ে তেতিয়াৰ পৰা বিভিন্ন গোচৰ চলি আছিল। বৰ্তমানে মাননীয় উচ্চ ন্যায়ালয়ৰ Appeal Petition ৰায়দানত তেখেত সকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে পূৰ্বৰ Writ petition ৰ ৰায়দান বাহাল ৰাখে। আমি আজি এই ৰায়দানটো Appeal কৰিব পৰা ground থকা স্বত্তেও যদি Appeal নকৰো, তেতিয়া হ'লে ভৱিষ্যতে অন্যান্য সকলেও কিন্তু এই গোচৰৰ presedence লৈ তেখেত সকলে দাবী উত্থাপন কৰিব । ইমদাদুল হ'ক ডাঙৰীয়াই জানে ভালকৈ যে আইন গত ভাবে আমি Appeal কৰাটো এটা খুবেই প্ৰয়োজনীয়। তেখেতেও সেই কথাটো নিসন্দেহে নকৰিব । এই হুকুমৰ পৰিপ্ৰেক্ষিতত মাধ্যমিক বিভাগে উচ্চতম ন্যায়ালয়ত Appeal / Review Petition কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। বৰ্তমানে এই প্ৰক্ৰিয়া চলি আছে । অসম চৰকাৰৰ মাধ্যমিক বিভাগে এই চাকৰি সমূহ illegal আৰু excess বুলি তেতিয়াৰে পৰা গণ্য কৰি আহি আছে । ২০০১ চনত WT Message মতে এই ৫ খন জিলাত ১২৬ টা পদ ২৫০০ টকা মাহেকীয়া হিচাবে পূৰণ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছিল । তাৰ বিনিময়ত প্ৰায় ৭০০ অধিক পদত মকৰল কৰা হয় । মই এই কথাতো বাৰম্বাৰ কৈ আহিছো । এই কাৰ্য্য সম্পূৰ্ণ illegal আৰু excess বুলি গণ্য কৰা হয়। কিন্তু এইটো প্ৰশ্ন উঠিব পাৰে যে তেতিয়া তেওঁলোকক কিয় বৰ্খাস্ত কৰা নহ'ল? তেখেত সকলক বৰ্খাস্ত কৰা নহ'ল এই কাৰণেই, গোচৰ চলি থকা হেতুকে বৰ্খাস্ত কৰিব পৰা নগ'ল । এই বিষয়ত জিলা সমূহৰ বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ২০১৫ চনত এই সকলৰ মাহেকীয়া দৰমহা ১৫,৫০০টকা কেবিনেটৰ অনুমোদন মৰ্মে দিয়া হৈ আছে। যিহেতু তেখেত সকলক illegal আৰু excess বুলি গণ্য কৰা হৈ আছে সেই বাবে নিয়মীয়াকৰণটো উচিত নহব বুলি গণ্য কৰা হয়। এইটো বিভাগীয় স্থিতি । এতিয়া যিটো প্ৰশ্ন উঠিছে যে তেখেত সকলে ইমান বছৰ কাম কৰিলে মানৱীয় দৃষ্টিৰে চাব

লাগে। মানৱীয় দৃষ্টিৰে চাবলৈ গলে কথাটো হয়, কিন্তু অন্য ফালৰ পৰা চাবলৈ গলে শিক্ষা বিভাগটোত আমাৰ এনেকুৱা বহুত illegal appointment আছে সেইবিলাকৰ ক্ষেত্ৰত যদি মানৱীয় দৃষ্টিভংগীৰ কথাটোৱে বাৰম্বাৰ আহে, ১২৬ টা পদৰ ঠাইত ৭০০ জন মানুহক নিযুক্ত দি দিলে । পৰবৰ্তী সময়ত আকৌ WT Message কৰি দি দিলে যে তেনেকুৱা fix pay সকলক চাকৰি দি দিলে । নিৰ্বাচনৰ প্ৰাক্ মুহুৰ্তত তেখেত সকলৰ দৰমহা বৃদ্ধি কৰি দিয়া হ'ল । মই সেইটো বুজি পাইচো যে ২৫০০ টকাৰ পৰা ১৫৫০০ কৰিছে, সেইটো এটা যুক্তি আছে যে মানুহ জনে কাম কৰি আছে । কিন্তু এই গোটেই প্ৰক্ৰিয়াটোৰ আৰম্ভনিটো illegal আৰু excess । গতিকে এই কথাটো বিভাগে মানি ল'ব নোৱাৰে । কিয়নো আজি যদি মই মানি লওঁ, আজি যদি শিক্ষা বিভাগে এই ৰায়দান সম্পৰ্কটো মানি লয় তেতিয়া হ'লে অন্যান্য সকলেও এই একেই presedence ত আহিব ।

**মাননীয় অধ্যক্ষ ঃ** you have expressed this.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** গতিকে মাননীয় অধ্যক্ষ মহোদয় মই এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি জনালো আৰু এইক্ষেত্ৰত তেখেত সকলে যিটো উচ্চ ন্যায়ালয়ৰ কথা কৈছে যদি তেনেকুৱা পদক্ষেপ লৈছে মই খুব ভাল পাম। কিয়নো আমি দেখিছো, মই মন্ত্ৰী হোৱাৰ পূৰ্বেও দেখিছো যে বাৰম্বাৰ কিছু ন্যস্ত স্বাৰ্থই তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ লাভৰ বাবে এনেকুৱা ধৰণৰ সিদ্ধান্তবোৰ লয় আৰু এই প্ৰক্ৰিয়াত জৰিত হোৱা বিষয়া সকলক যদি এটা দৃষ্টান্তমূলক শাস্তি দিয়া হয় মই ভাবো সেইটো ৰাজ্যৰ কাৰণে, চৰকাৰৰ কাৰণে আৰু আমাৰ সমাজৰ কাৰণে সমিচিন হ'ব আৰু মঙ্গল দায়ক হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত কাৰ্য্যসূচী নং-২। মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** (উত্তর করিমগঞ্জ) - মাননীয় অধ্যক্ষ মহোদয় রোল ৫৪ এর অধীনে **১৯** জুলাই 'সাময়িক প্রসঙ্গ' পত্রিকাতে প্রকাশিত 'সিণ্ডিকেটের উপনিবেশ বরাক, -- সার, কয়লা, মাফিয়া রাজে উড়ছে টাকা।' বিষয়টি উত্থাপন করতে দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। আমি একজন আইন সভার সদস্য হিসাবে নিজেকে গর্ববোধ করি। কিন্তু চোখের সামনে যখন আইনকে ধুলিস্যাৎ করা হয়, তখন দুঃখ এবং লজ্জা হয়। অনেক সময় এসব কথা শুনতে পাওয়া যায় যে আইনকে টাকা দিয়ে পরিবর্তন করা যায়। টাকা দিয়ে আইনকে কেনা যায়। আমাদের অঞ্চলের জীবিকার একমাত্র উপায় হল কয়লা। কয়লা দিয়ে অনেকে জীবিকা নির্বাহ করে। বাংলাদেশে কয়লা যায় এবং অনেকে সেই উপায়ে জীবিকা নির্বাহ করে। আমাদের মেঘালয়ের কয়লার মাইনিং টা বন্ধ হওয়ার জন্য আমাদের মার্ঘারিটা, লিডো এবং উমরাংশু থেকে কয়লা আসে। জি এস টি ওয়ে বিল যদি অরিজিন্যাল থাকে , সেগুলো এক্সপোর্ট হবে। কিন্তু অধ্যক্ষ মহোদয় মাঝপথে এগুলোকে রাখা হয়। আমি ডি.জি অবধি ফোন করলাম। একদিন আমাকে একটা ছেলে ফোন করলো স্যার আমাদের ওয়ে বিল আছে, আমাদের লোডিং সব কি ছু ঠিক আছে। কিন্তু আমাদের গাড়ীটা ছাড়া হচ্ছে না। আমি বললাম তোমার যদি সব কিছু ঠিক থাকে তাহলে কেন গাড়ী ছাড়া হবে না। আমি উর্দ্ধতম কর্তৃপক্ষকে ফোন করলাম। ফোন করার পর কোন একশন হলনা। আমি সেই স্থানে গেলাম সেখানে গিয়ে দেখতে পারলাম ভয়ানক ব্যাপার। সেখানে লিষ্টকরা হয়। আগের দিন ট্রাক গুলোকে লাইন করানো হয়, এবং রাত্রে বেলা লিষ্ট করা হয় । এক থেকে দেড় লক্ষ টাকা দিতে হয়। তারপর লিষ্ট করে সকাল বেলা টোকা দেওয়া হয়। টোকা গুলো যখন ডিস্ট্রিবিউশন করা হয় এবং গেইটে দেওয়া হয়, তখন তাদের ছাড়া হয়। আমাদের মন্ত্রী মহোদয় বলেছিলেন সিণ্ডিকেট রাজ নেই। কিন্তু

তিনি যদি আমার সঙ্গে যান তাহলে আমি দেখাতে পারবো যে এখানে কি চলছে। পুলিশের কাজ হল লো এণ্ড অর্ডার দেখা। অন্য কিছু পুলিশের দেখার দরকার নেই। পুলিশের কাজ হচ্ছে লো এণ্ড অর্ডার, ওভার লোড, সেলটেক্স, জি এস টি দেখা। যেখানে গাড়ী চেকিং করা হয় সেখানে পরিবহন বিভাগের এবং সেলটেক্সের কেউ থাকে না। পুলিশ সেখানে গাড়ী থামায় এবং যেখান থেকে যা আদায় করা দরকার তারপর রিলিজি করা হয়। আমাদের মুখ্যমন্ত্রী বলেছিলেন সি বি আই তদন্ত হবে, আমি খুশি হয়েছিলাম। সি বি আই তদন্ত কি হল বা কি হলনা সেটা আমরা সবাই জানি। সেটা আমার কথা নয়, আমার সতীর্থ বিধায়ক বলেছেন। এই বিধান সভার অনেকেই বলেছেন যে এককেক টা ট্রাক থেকে এক থেকে দেড় লাখ টাকা নেওয়া হয়। সিণ্ডিকেট রাজ চলছে, বিধান সভার সদস্যরা বলেছেন। কিন্তু তারপরও দেখা যাচ্ছে অরাজক ভাবে সেই জিনিস গুলো হচ্ছে। বিজেপির সভাপতি মহাশয় এখানে আছেন। বি জে পির শীর্ষ স্থানীয় নেতারা এই সিণ্ডিকেট রাজের সাথে জড়িত। সেই কমপ্লেইন দেওয়া হয়েছিল, কিন্তু জানি না কতটুকু কি হয়েছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাটো পলিটিকেল নকৰি মূল বিষয়লৈ যাওঁক। এইবিলাক বস্তু একেদিনাই নহয়। মূল কথাটো কৈ উত্তৰটো লওক।

**আমিনুল ইসলাম লস্কর ঃ** অধ্যক্ষ মহোদয় বি জে পির কোন সদস্য এই সিণ্ডিকেট রাজের সাথে জড়িত নহয়।

**কংগ্রেছৰ ফালৰ পৰা মন্তব্য ঃ যিসকল তাত জড়িত আছিল এতিয়া বি জে পিত আছে।**

**মাননীয় অধ্যক্ষ ঃ** মই কাকো দিয়া নাই ক'বলৈ। আপুনি কিয় কৈছে এইটো কথা। বিষয়টো যেতিয়া আহিছে, তাৰ উত্তৰটো আপোনালোকে লওঁক। তেখেত সদস্য হিচাপে প্ৰথমবাৰ আহিছে, আপুনি তৃতীয়বাৰ আহিছে, আপুনি তেনেধৰণৰ কথা কৈ নাথাকিব।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, এই যে গাড়ী গুলো আসে আগে হয়ত বা ৭০ শতাংশ লিগ্যাল থাকত ৩০ শতাংশ ইললিগ্যাল থাকতো। সেইটা আমি অস্বীকার করিনা। আজ কিন্তু ১০০ শতাংশ ইললিগ্যাল থাকে। আমাদের মন্ত্রী মহোদয় উত্তর দেবেন আগে যতটুকু ফাইন করা হয়েছিল তার থেকে দ্বিগুণ ফাইন করা হবে। একটা মানুষ যদি ২০ টা গাড়ী ইললিগ্যাল আনে তার মধ্যে যদি তিনটা গাড়ী যদি ওভার লোড ফাইন দেয় , তারপরেও তার লাভ হয়। সে সরকারি রেভিনিউ টা আত্মসাৎ করতে পারে। এটা একটা পরিকল্পিত উপায় চলছে। বিশেষ করে বদরপুরের ওসি তার বিরুদ্ধে এণ্টি করাপসনের কেস চলছে। পেপারে পত্রিকায় অনেক বার বেরিয়ে ছিল। জামিনত থকা আরক্ষী বিষয়া যুবকান্ত বরা .....

**মাননীয় অধ্যক্ষ ঃ** কাৰো নাম উল্লেখ নকৰিব। বিষয়াজনৰ ডেজিগনেশ্যনটোহে ক'ব। Because They are not here. They cann't defend themself.

**শ্রীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** বিশেষ করে এখানে বলা হয়েছে এই স্থানে এই মানুষকে আবার বহাল করা হয়েছে, ট্রেন্সফার করা হয়েছিল তার কারণ টা হচ্ছে দিসপুরের সঙ্গে ডাইরেক্টলি সম্পর্ক আছে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** প্লিছ.... প্লিছ । যিটো বিষয় ৰেইজদ কৰিছে এনেয়ে দীঘল কৰি নাথাকিব।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** তিনি এমনও বলেন যে আমাকে কেউ ট্রেন্সফার করতে পারবে না, আমি পিতামহ ভীষ্ম। আমার দিসপুরের সঙ্গে সম্পর্ক আছে। আমি দিসপুরকে মেনেজ করতে পারি তাই আমি এখানে থাকবো। দুঃখ হয় আমাদের অঞ্চলের মানুষের কোন

জীবনের মূল্য নেই। বিশেষ করে ১৪ জুলাই দুটো ট্রেভেলারের মধ্যে প্রতিযোগিতা হয়, সেই খবরটা পেপারে বা টিভি তে অনেক ভাবে প্রচার হয়েছিল। আমাদের বিভাগের কর্তৃপক্ষরা ব্যস্ত যে ওভারলোড ট্রাক, কয়লা, চাল এইগুলোর মধ্যে যারা জড়িত এদের থেকে টাকা কিভাবে সংগ্রহ করা যায়। বিগত ২৪ জুলাই মীরা দাস শনিবারে মৃত্যু বরণ করেন। অলোক ধর, সীতাংশু মালাকার, হরি চন্দ্র দত্ত চৌধুরী উনারা ৩৫ জন আহত হন। পাঁচ জনের অবস্থা আশঙ্কাজনক। তার কারণ হল পরিবহন বিভাগ এই যে গাড়ীগুলো চলছে তা ভালো ভাবে চেকিং করেনা। তারা ব্যস্ত ওভারলোড গাড়ী থেকে কিভাবে পয়সা আদায় করা যায়। এই এত জন মানুষ মারা গেল তার এক মাত্র কারণ হল পরিবহন বিভাগ ভালো ভাবে গাড়ীর লাইসেন্স গুলো চেক করেনা। পরিবহন বিভাগ ব্যস্ত কিভাবে পয়সা গুলো কালেকশন করা যায়। আমি ধিক্কার জানাচ্ছি এই বিধান সভায়, এই কথাগুলো আমার কথা নয়। এই বিধান সভায় হয়ত বা ব্যক্তিগত কারণে কেউ বলতে পারেন, কিন্তু বিধান সভার ৫০ শতাংশ সদস্যরা আমার কথায় সহমত প্রকাশ করেছিলেন। আগে একটা ট্রাক সুতারকান্দি যাওয়ার সময় ৩০০০ হাজার টাকা লাগত কিন্তু আজ একটা ট্রাক সুতারকান্দি যেতে প্রায় এক লাখ টাকা লাগে। মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি, যে পজিটিভ একটা উত্তর পাওয়ার জন্য।

**মাননীয় অধ্যক্ষ ঃ** প্রকৃত কথা হৈছে । পৰহি আমি বৰাকৰ ওপৰত আলোচনা কৰিছিলো। তাত আমি সকলোৱে একমত হৈছিলো যদি তাত দুর্নীতিবিলাক কমাব পৰা যায় ৰাজ্যখন উন্নয়নৰ ফালে গতি কৰিব। গতিকে কেনেকৈ আমি দূর্নীতি গুছাব পাৰিম সেইটো চেষ্টা কৰিব লাগিব। তেখেতে কৈছে " যদি আগৰে পৰা হৈছে সেইটো কিয় এতিয়া বন্ধ কৰিব নোৱাৰে। কিন্তু এই গোটেই কথাটো এটা বেয়া কথা। এইখিনি নহ'লে ভাল। দিলীপ পাল ডাঙৰীয়া ক'ব বিচাৰিছে।

**শ্রীদিলীপ পাল, বিধায়ক ঃ** বিজেপির কোন নেতা জড়িত আছেন এই সিণ্ডিকেটের সঙ্গে প্রকাশ করুণ আর নাইলে ক্ষমা চাইতে হবে তাকে ।রামায়নের কথায় বলি যে একি কথা শুনি আজ মন্থরার মুখে। যারা লুটে পুটে খেল তারা বলছে সিণ্ডিকেট চলছে। আমি তীব্র ভাষায় নিন্দা করছি।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ** প্লিছ... প্লিছ , বহক। তেখেতক ক'বলৈ দিয়ক।

**শ্রীবিমল বৰা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয় কংগ্রেছ চৰকাৰৰ আমোলত সমগ্র অসমত চেক গেট- চিণ্ডিকেটৰ এটা যি অবৈধ বেপাৰ আৰম্ভ কৰিলে যাৰ ফলশ্রুতিত গোটেই অসমৰ সমাজ জীৱনৰ গোটেই চিন্তাধাৰা বদলি হৈ গ'ল। সহজে ধন ঘটাৰ যিটো অবৈধ বেপাৰ তেওঁলোকে তেওঁলোকৰ আমোলত ১৫ টা বছৰত আৰম্ভ কৰিছিল। সমগ্র অসমৰ যুব মানসিকতাটো বেয়া হৈ গৈছিল। আমাৰ চৰকাৰ অহাৰ লগে লগে প্ৰথমখন কেবিনেটত যি চেক গেট- চিণ্ডিকেট আছিলে এইবিলাক বন্ধ কৰিলে তাৰ ফলত এটা বাতাবৰণ নির্মাণ হৈছিল। আজি আমাৰ চৰকাৰে ভাল পদক্ষেপসমূহ আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত যিটো উদ্যোগ গ্রহণ কৰিছে তাত তেখেতসকলে সহযোগ আগবঢ়াওক। আমাৰ মুখ্যমন্ত্রী মহোদয় তথা চৰকাৰ কঠোৰভাবে এইবিলাকৰ বিৰোধী গতিকে মই ভাবিছো এনেধৰণৰ কথা উপস্থাপনৰ বিপৰীতে তেওলোকৰ বিগত ১৫ টা বছৰত কৰা কৃতকর্মৰ প্রায়চিত্ত কৰক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্রশান্ত ফুকন। অলপ চর্ট কৰক যিহেতু এইটো এটা চিৰিয়াচ বিষয়।

**শ্রীপ্রশান্ত ফুকন, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়। আজি আমাৰ এই পবিত্র সদনত মোক ৰাজসাক্ষী হিচাপে ল'ব পাৰে আপুনি। অসমত ভাৰতীয় জনতা পার্টিৰ চৰকাৰ অহাৰ পিছত কোনো চিণ্ডিকেট হোৱা নাই। মই ব্যৱসায়ৰ লগত ব্যক্তিগতভাবে জড়িত তাৰ আলমত কৈছো। মই পৰিবহন

ব্যৱসায়ৰ লগত ব্যাক্তিগতভাবে জড়িত- মই আজি ৱেষ্ট বেংগল গৰ্ভমেন্টক আজিৰ তাৰিখতো মাহে ৩ লাখ টকা চিণ্ডিকেটৰ নামত পেমেন্ট কৰো। পেমেন্ট বিহাৰতো কৰো। কিন্তু অসমৰ কোনো ঠাইতে চিণ্ডিকেটৰ নামত এক লাল পইচাও দিয়া নাই। এই কথাটো মই আজি স্পষ্টভাবে আপোনাক জনাইছো। আগৰ চৰকাৰৰ দিনত কি কৰিছিলো মই ক'বলৈ নাযাও কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত আজিলৈকে ১ টকাও দিব লগা হোৱা নাই। আৰু এটা কথা কৈ দিও আমাৰ সকলো চেকগেট বন্ধ হৈ গ'ল- এতিয়া Scientific Check Gate পুনৰ বহাবৰ বাবে ব্যৱস্থা ল'ব লাগে। এইখিনিয়ে মোৰ আবেদন।

**শ্ৰীআব্দুল কালাম ৰছিদ আলম, বিধায়ক, ঃ** অধ্যক্ষ মহোদয়, নেশ্যনেল হাইওৱেৰ কৃষ্ণাই ব্ৰীজ বেয়া হৈছে । সেই ব্ৰীজৰ ওপৰেদি অভাৰলোডিং গৈ আছে, তাত এতিয়াও চিণ্ডিকেট চলি আছে। ডিব্ৰুগড় জিলাত চলা নাই, হ'ব পাৰে কিন্তু গোৱালপাৰা জিলাত চলি আছে।

মাননীয় অধ্যক্ষ ঃ আজি আমি কোনেও চিণ্ডিকেট বিচৰা নাই। অসম চৰকাৰে বিচৰা নাই , আমিও বিচৰা নাই। গতিকে Let Minister give a reply. তাৰ পিচত আমি কথা পাতিম। এতিয়া Leader of the opposition য়ে ক'ব।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** অধ্যক্ষ মহোদয় , আজিৰ তৰাবিহীন প্ৰশ্ন নং ১১৯ ত এটা কয়লা চিণ্ডিকেটৰ বিষয় আছে। চৰকাৰে স্বীকাৰ কৰিছে অসমত কয়লাৰ ক্ষেত্ৰত অনিয়ম- অপৰাধজনিত কাৰ্য্যকলাপ নিস্কাষন-পৰিবহন চলি থকা সম্পৰ্কে চৰকাৰ অৱগত। অধ্যক্ষ মহোদয় যদিও এইটো অস্বীকাৰ কৰিছে কিন্তু চৰকাৰী তথ্যত স্বীকাৰ কৰি কৈছে যে অবগত। গতিকে এই কথাটো সত্য হৈ পৰিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ঠিকেই কৈছে, এইবিলাক কৰাতকৈ আমি এটা ভাল মেচেজ ইয়াৰ পৰা পঠিয়াব পাৰো নেকি, চৰকাৰৰ পৰা এটা আমি শক্তিশালী উত্তৰ বিচাৰিছো। এতিয়া মন্ত্ৰীয়ে Reply দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আজি সদনত চিণ্ডিকেট সম্পৰ্কত যিটো বিষয় উত্থাপন কৰা হৈছে, কথাটো সদনৰ মজিয়াত অনাৰ বাবে আমি মানে চৰকাৰে ভাল পাইছো। ইয়াত বিৰুধী দলপতিয়ে কৈছে যে চৰকাৰ অবগত। অধ্যক্ষ মহোদয়, যেতিয়া এটা সন্তান জন্ম হয় পিতৃ মাতৃয়ে সেই সন্তানটোক এটা সংস্কাৰৰ মাজেৰে লৈ গৈ থাকে। পিচত সেই সন্তানৰ অভিভাৱক যদি সলনি হয়, তেতিয়া আগৰ সংস্কাৰ যদি বেয়া হয় তেতিয়া সেই সংস্কাৰৰ চিন্তাত এটা নতুন সংস্কাৰৰ আৰম্ভ হয়। ফলস্বৰূপে বিভিন্ন চেক্টৰ বা বিভিন্ন গ্ৰুপৰ মাজত এটা Interest grow কৰে। আজি চৰকাৰে অবগত বুলি এই কাৰণেই কৈছে যে - চিণ্ডিকেট কিমান তাৰিখৰ পৰা, কোন চনৰ পৰা কৰি আছিল আমি বিধান সভাত থকা প্ৰতিজন মাননীয় সদস্যই ভালকৈ জানো। - - - - - সদনৰ ভিতৰত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। - - - - -

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকক (বিৰোধী দলক উদ্দেশ্য কৰি) মই কোনো অসুবিধা নোহোৱাকৈ সদনত কবলৈ সুবিধা দিছিলো আৰু আপোনালোকেও কোৱাৰ সুবিধা পাইছিল। এতিয়া আপোনালোকে শুনিব লাগিব, অলপ ধৰ্য্য ধৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** সাধাৰণতে অধ্যক্ষ মহোদয়, আপুনি Rule- 54 ৰ অন্তৰ্গত যিকোনো বিষয়ত এজনৰ অৰ্থাৎ উত্থাপন কৰাজনৰ বাহিৰে বেলেগক কবলৈ সুবিধা নিদিয়ে। যিহেতুকে এই বিষয়টো অতিকৈ স্পৰ্শকাতৰ আৰু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিহেতুকে এই বিষয়টোৰ ওপৰত চৰ্চা হোৱাটো বিচাৰিছে, সেই কাৰণে আপুনি সকলোকে এই চিণ্ডিকেটৰ আলোচনাত অংশ

গ্ৰহণ কৰাৰ সুবিধা দিছে। আমি কথাটোত বেয়া পোৱা নাই।

এতিয়া মুখ্যমন্ত্ৰীয়ে বিচাৰিছে যে এই বিষয়টো ভালদৰে আলোচনা কৰিব লাগে আৰু যাৰ হাতত যি তথ্য আছে সেইবোৰ চৰকাৰৰ হাতত দিয়ক চৰকাৰে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব।

দ্বিতীয়তে, অধ্যক্ষ ডাঙৰীয়া আপুনি এটা কথা শুনি আআচৰিত হব যে - আমাৰ ইয়াত গৰুৰ যিটো চিণ্ডিকেট আছে আৰু তাৰ যিজন মাফিয়া চৰফৰাজ হুছেইন, তেওঁ ইয়াৰ যোৰাবাটত অফিচ এটা খোলি ইমান বছৰে গৰু বাংলাদেশলৈ চালান দি আছিল। ----- সদনৰ ভিতৰত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। -----এই চৰফৰাজ হুছেইনক বিহাৰত থকা ঘৰৰ পৰা অলপতে আমাৰ অসম পুলিচে ধৰি আনিছে। এইজন মাফিয়াক ইমান বছৰে কিয় গ্ৰেপ্তাৰ কৰিব সক্ষম নহল ? ----- সদনৰ ভিতৰত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। ----- যদি অসমত চিণ্ডিকেট নাছিলেই এই যে চৰকাৰ অবগত বুলি কৈছে, সঁচাকৈয়ে চৰকাৰ অবগত। কিন্তু আজিৰ তাৰিখত অসমত চিণ্ডিকেট নাই, এই কথাটো মই দায়িত্ব সহকাৰে কৈছো।

কিছুদিনৰ আগতে ইম্ফলত D.G.P. level ত এখন Conference হৈছিল, Chief Secretary Level টো এখন Conference হৈছিল। সেই Conference ত আমাৰ D.G.P. কুলধৰ শইকীয়া আৰু মুখ্যমন্ত্ৰী মহোদয়ে কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিছিল। তাৰে এটা হল, যেতিয়া মিয়েনমাৰৰ পৰা চুফাৰি মণিপুৰলৈ আমদানি কৰা হয় তেতিয়া অসমে আমদানিকৃত সামগ্ৰী সমুহৰ যোগান ধৰিবলৈ অসম প্ৰদেশৰ মাজেৰে সামগ্ৰী কঢ়িওৱা বাহন সমুহ প্ৰবেশ কৰিবলৈ Right of the Way টো দিবলৈ চৰকাৰ বাধ্য। গতিকে আমাৰ D.G.P. কুলধৰ শইকীয়াই সেই Conference ত তেখেত সকলক কৈ দিছে যে - ভবিষ্যতে যেন আমাৰ অসমৰ ওপৰত কোনো ধৰণৰ burden নপৰে আৰু নিদিয়ে। আজিৰ পৰা প্ৰায় চাৰি দিন মানৰ আগতে উত্তৰ-পূৰ্বাঞ্চলৰ Chief Minister সকলক লৈ এখন মিটিং আহ্বান কৰা হৈছিল, তাতো আমাৰ Chief Minister এ আমাৰ ৰাজ্যৰ ওপৰত কোনো ধৰণৰ burden নিদিবলৈ কৈ দিছে।

তাৰোপৰি আন এটা কথা হল যে - Suprime Court এ মেঘালয়ৰ কয়লাৰ ওপৰত বাহাল থকা Ban টো উঠাই দিছে। এইটো উঠাই দিয়াৰ লগে লগে আমাৰ আৰু এটা চিন্তা বাঢ়িল, কাৰণ এইবাৰো আমাৰ ৰাজ্যৰ মাজেৰেই কয়লাৰ গাড়ী চলাচল কৰিবলৈ Right of the Way টো দিবলৈ চৰকাৰ বাধ্য হব। এই সকলো বিলাক কথা D.G.P. level ত আলোচনা কৰা হৈ গৈছে।

সিদিনাখন আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ায়ো কৈছে যে - মেঘালয়ৰ কয়লাবোৰ প্ৰধানকৈ কৰ্ণাটকে Consume কৰে আৰু এই কয়লাৰ গাড়ীবোৰ আমাৰ অসমৰ মাজেৰে বাহিৰ হৈ যায়। সেই হিচাপে G.S.T. টো অসমে পাব লাগে, কিন্তু অসমে নাপায়, কৰ্ণাটকেহে G.S.T. টো পায়। আনহাতে কৰ্ণাটক চৰকাৰে অসম চৰকাৰলৈ পত্ৰ লিখিছে যে - কয়লাৰ গাড়ী চলাচল কৰাৰ বাবত যি G.S.T. অসম চৰকাৰে লাভ কৰিলে সেইখিনি কৰ্ণাটক চৰকাৰক ঘূৰাই দিব লাগে। এতিয়া আমাৰ চৰকাৰে নোপোৱা পইছাটো ঘূৰাই দিয়ে কব পৰা ! চৰকাৰৰ ঘৰৰ পৰাটো ঘূৰাই দিব নোৱাৰি। গতিকে এনে ধৰণৰ বহু ধৰণৰ অসুবিধা আমাৰ বহিঃৰাজ্যৰ লগত চলি আছে।

১৯ জুন ২০১৯ তাৰিখে **"দৈনিক সাময়িক প্ৰসঙ্গ"** বাতৰি কাকতত প্ৰকাশিত বিষয় এটা আনিছে, ঠিকে আছে। গতিকে বাতৰি কাকতৰ এনেকুৱা কথা কলে বহুত কথা আহিব। আগৰ চৰকাৰৰ দিনত মাছ, কণী, আলু, আদা , পিয়াজ আদি সকলোৰে ওপৰত চিণ্ডিকেট হৈছিল, অকল মানুহ বিক্ৰী কৰাৰ ওপৰত চিণ্ডিকেট হোৱা নাছিল।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ মহোদয়ঃ** মননীয় মন্ত্ৰী ডাঙৰীয়া বৰাকৰ কথাটোলৈ আহক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ কথালৈ reference দিলে, আমি বহুত দিব পাৰো যে

(১) ১১.০১.২০১৩ চনত 'নিয়মীয়া বাৰ্তা' ত ওলাইছে নগাঁও জিলা পৰিষদত কোটি টকাৰ চিণ্ডিকেট কেলেংকাৰী হৈছে।

(২) ১২.০২.২০১৩ চনত 'নিয়মীয়া বাৰ্তা' ত ওলাইছে বিশ্বনাথত প্ৰতি ট্ৰাকৰ পৰা ৫০০-৬০০ টকা সংগ্ৰহ ছিণ্ডিকেটৰ।

(৩) ০৪.০৩.২০১৩ চনত 'অসমীয়া খবৰ' ত ওলাইছে যে ছিণ্ডিকেটৰ নামত নগাঁৱত ১৪ কোটিৰ বৃহৎ কেলেংকাৰী, ২ কোটি সৰকালে ঠিকাদাৰে।

(৪) ১৩.০৩.২০১৩ চনত 'অসমীয়া খবৰ' ত গড়কাপ্তানিত ৩৭.৪৯ কোটিৰ খেলিমেলিৰ অভিযোগ।

(৫) ০১.০৫.২০১৩ চনত 'নিয়মীয়া বাৰ্তা' ত কয়লা কেলেংকাৰী ঃ সদনৰ মজিয়াত থিয় হ'বলৈ প্ৰধানমন্ত্ৰীক আহ্বান বাওঁপন্থিৰ।

(৬) ০১.০৫.২০১৩ চনত "নিয়মীয়া বাৰ্তা" ত চিট ফাণ্ডৰ কেলেংকাৰী ঃ মুখ্যমন্ত্ৰীক চিবিআই জেৰাৰ দাবী অগপৰ, আদৰণি জনালে গগৈয়ে।

(৭) ০৯.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত বনিয়াই লুটিলে ৩,০১৩ কোটি ৰাজসাহায্য।

(৮) ২৩.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত মহানগৰীৰ কৃত্ৰিম বান নিয়ন্ত্ৰনৰ নামতে ৭০০ কোটিৰ কেলেংকাৰী।

(৯) ২৩.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত বাঁহ অভিযান -বন উন্নয়নৰ নামত ৩০০ কোটিৰ কেলেংকাৰী।

(১০) ৩০.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত অদক্ষ মন্ত্ৰীক আঁতৰাই মন্ত্ৰীসভাৰ সাল -সলনিৰ দাবী।

(১১) ৩০.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত ৩,২০০ কোটি আত্মসাতৰ স্বাৰ্থত হত্যাকাৰীৰ ৰূপত চৰকাৰ।

(১২) ৩০.০৫.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত তিতাবৰৰ ১০০ কোটিটকীয়া প্ৰকল্পত ১,৬০০ % নিৰিখ বৃদ্ধিৰে কোটি কোটিৰ লুট।

(১৩) ০২.০৬.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত কেন্দ্ৰীয় পূঁজিৰ ২,৭০০ কোটিৰ নাই হিচাপ।

(১৪) ১০.০৬.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত পানীত পৰিল ব্ৰহ্মপুত্ৰত ৰোপ -ৱে নিৰ্মাণৰ ২২ কোটি।

(১৫) ০১.০৭.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত মথাউৰিৰ নামত ৫ হেজাৰ কোটিৰ কেলেংকাৰী।

(১৬) ০২.০৭.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত ৰাজ্যত চলি আছে ৩০ ৰো অধিক চেকগেট -ছিণ্ডিকেট।

(১৭) ০৭.০৭.২০১৪ চনত 'অসমীয়া প্ৰতিদিন' ত চোৰাং কয়লা - কাঠ -বালিৰ ট্ৰাকৰ পৰা দৈনিক লাখ লাখ টকা লুণ্ঠন।

(১৮) ১০.০৭.২০১৩ চনত 'অসমীয়া প্ৰতিদিন' ত মাছ -কণী আমদানিতে ১৭৫ কোটিৰ কৰ ফাঁকি।

(১৯) ১১.০৭.২০১৪ চনত 'অসমীয়া প্ৰতিদিন' ত দুৰ্নীতিগ্ৰস্ত বিষয়াৰ জেপলৈ ৩,০৪০ কোটি।

(২০) ২৩.০৭.২০১৪ চনত 'অসমীয়া প্ৰতিদিন' ত পাৰ্কিঙৰ নামত লাখ লাখ টকা গুণ্ডাকৰ সংগ্ৰহ।

(২১) ২৪.০১.২০১৪ চনত 'অসমীয়া প্ৰতিদিন' ত চিমেন্টৰ দাম বঢ়াই কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিলৈ কোটি কোটি টকা।

(২২) ০২.১১.২০১৪ চনত 'অসমীয়া প্ৰতিদিন' ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মাচুলৰ ৭০ কোটি টকা উলিয়াই নিলে চৰকাৰে।

(২৩) ০৮.০১.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত **১,৭৫০** কোটি লৈ পাঁচ বছৰে আৰম্ভই নকৰিলে **২৯৮** আঁচনিৰ কাম।

(২৪) ২৫.০১.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত বন বিভাগৰ তিনিখন গেটৰ পৰা মন্ত্ৰীৰ জেপলৈ।

(২৫) ২৬.০১.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত প্ৰবেশ কৰ সংগ্ৰহৰ নামত বি জি য়াৰ্ড **২৯** তালাচী চকীত বছৰি **৩০০** কোটিৰ লুণ্ঠন।

(২৬) ২২.০৩.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত তলাবন্ধ সমবায়ৰ গুদাম নিৰ্মাণৰ নামত **১৭৭** কোটি লুণ্ঠনৰ পাং মন্ত্ৰী খৰছিঙৰ।

(২৭) ০২.০৫.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত মন্ত্ৰী নজৰুল বাহিনীৰ মাহে হেজাৰ কোটিৰ লুণ্ঠন।

(২৮) ১৬.০৫.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত ৰচিদ নিদিয়াকৈ দৈনিক লাখ লাখ টকা সংগ্ৰহ পৰিবহন বিষয়াৰ।

(২৯) ১৬.০৫.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত প্ৰকাশন পৰিষদৰ সাহিত্য উৎসৱৰ নামত প্ৰাক্তন শিক্ষা মন্ত্ৰী প্ৰদ্যুতৰ **৭০** লাখ টকাৰ জালিয়াতি।

(৩০) ১৮.০৫.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত গগৈৰ বিত্ত বিভাগত **৮৪৮** কোটিৰ জালিয়াতি।

(৩১) ০২.০৭.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত ধুবুৰী. কনিষ্টবলৰ চাকৰি দিয়াত নামত প্ৰাক্তন মন্ত্ৰী, আৰক্ষীৰ ধন সংগ্ৰহৰ অভিযোগ।

(৩২) ০৮.০৮.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত বাংলাদেশ সীমান্তত পৰ্কিউপাইন স্থাপনৰ নামত জলসম্পদত **৯০** কোটিৰ কেলেংকাৰী।

(৩৩) ১১.০৮.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত **৫** বছৰত পঞ্চায়ত, নগৰ -নিকায়ে দিয়া নাই, **১,২৬৬.৪৩** কোটি টকাৰ হিচাপ।

(৩৪) ১৪.০৮.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত আয়ুক্তক বলিৰ পঠা সজাই মন্ত্ৰীৰ কমিছন।

(৩৫) ২৮.০৮.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত ভুৱা প্ৰমান পত্ৰৰে উলিয়াই নিলে **৬২,১৬৪** কোটি টকীয়া পূজিৰ সিংহভাগ।

(৩৬) ২২.১১.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত **৩৭.৯৫** কোটিৰ দুৰ্নীতি ৰকিবুল, মুখ্য বন সংৰক্ষক বিষ্ণুয়ৰ।

(৩৭) ০৫.১২.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত উজনিৰ দেশায় সুৰাৰ মহল আৱন্টনত মুখ্যমন্ত্ৰীৰ ভাতৃ দীপ গগৈৰ ছিণ্ডিকেট।

(৩৮) ১৯.১২.২০১৫ চনত 'অসমীয়া প্ৰতিদিন' ত দিছপুৰলৈ বিক্ৰী কৰৰ **১৫০** কোটি।

এই কাৰণেই মই এই কথা খিনি ইয়াত আনিছো, যিহেতু ইয়াত বিজেপি লিডাৰ ইয়াত জড়িত আছে বুলি কোৱা হৈছে। মই কৈছো যে ইয়াত বিজেপি লিডাৰ জড়িত নাই। (হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ মই বহুত liberal। আপোনালোকে এটা দলক accused কৰোতেওঁ মই liberally আছো।

মই কৈছো যে এটা গুৰুত্বপূৰ্ণ বিষয় মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থই আনিছে।

কওঁতে মন্ত্ৰীয়ে বহলাই কথাটো কৈছে, বহুত সোমাই পৰিছে। মই সদায় এই কথাটো কৈ আহিছো যে পাচঁ মিনিটৰ ভিতৰত মুল কথাকেইটা কব। আপোনালোকৰ উদ্দেশ্য যে বৰাকত যদি ছিণ্ডিকেট আছে এই বিলাক বন্ধ হৈ যাব লাগে। that is the aim. খোচা খুচিয়ে আমাৰ ইয়াত লোকৰ আগত হাহিঁয়াতৰ পাত্ৰহে কৰে। আমি সমস্যাটো সমধান কৰাৰ কাৰণে serious হ'ব লাগে। গতিকে মন্ত্ৰী ডাঙৰীয়া, কাছাৰৰ যিটো কথা কৈছে কওঁক, কেনেকৈ এইটো হৈছে, যদি নাই হোৱা নাই হোৱা।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় আনিছিল, মই তাৰ ওপৰত কওঁ। যোৱা **১৯** জুন **২০১৯** তাৰিখে "**দৈনিক সাময়িক প্ৰসঙ্গ**" বাতৰি কাকতত প্ৰকাশিত **ছিণ্ডিকেটৰ উপনিবেশ বৰাক, সাৰ, চুপাৰি, কয়লাৰ মাফিয়াৰাজে উড়ছে টাকা** - বাতৰি সন্দৰ্ভিত মাননীয় বিধায়ক ডাঙৰীয়াৰ উত্থাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। তদন্ত সাপক্ষে প্ৰাপ্ত তথ্য মতে বৰাক উপত্যকাৰ কাছাৰ, হাইলাকাণ্ডিৰ, কৰিমগঞ্জ জিলাত বৰ্তমানে কোনো ধৰণৰ কয়লা, সাৰ, চুপাৰিৰ অবৈধ সৰবাৰহ কৰাৰ পৰিলক্ষিত হোৱা নাই। এনেধৰণৰ অবৈধ ব্যৱসায় ৰোধ কৰিববৈলে বৰ্তমান চৰকাৰখন বদ্ধপৰিকৰ। এই চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠকতে ৰাজ্যত বিগত সময়ত চলি থকা সকলো অবৈধ চেক গেট বন্ধ কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই সিদ্ধান্তক বাস্তৱত ৰূপায়িত কৰে। ইয়াৰ পৰবৰ্তী সময়ত জি এচ টি প্ৰৱৰ্তন কৰাৰ সময়ত ৰাজ্যত থকা সকলো ধৰণৰ আন্তঃৰাজ্যিক চৰকাৰী বিভাগত চেকগেট সমূহো আঁতৰোৱা হয়। শেহতীয়াভাৱে চৰকাৰৰ আদেশ মৰ্মে, সংশ্লিষ্ট জিলা প্ৰশাসনৰ দ্বাৰা নিয়মিত ভাৱে জিলাৰ আৰক্ষী, পৰিবহন, শ্ৰম, কৰ, বন, পশুপালন ইত্যাদি বিভাগৰ বিষয়াৰ দ্বাৰা গঠিত তহলদাৰী গোটৰ জৰিয়তেদি জিলাত তালাচী চলাই থকা হৈছে। উক্ত তালাচীৰ অভিযানত অবৈধ সামগ্ৰী কঢ়িওৱা গাড়ী ইত্যাদি পালে জব্দ কৰে, আৰু ইয়াৰ লগতে জড়িত সকলৰ বিৰুদ্ধে বিভিন্ন বিহিত ব্যৱস্থা লোৱা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰাজ্যৰ গৰুৰ চোৰাং সৰবৰাহৰ লগত জড়িত মূল অভিযুক্ত মঃ চৰফৰাজক অসম আৰক্ষীয়ে বশিষ্ঠ থানাৰ গোচৰ নং ১৫৫৯ /১৮ সৰ্ন্দভত তদন্ত কৰি বিহাৰৰ পৰা গ্ৰেপ্তাৰ কৰিববৈলে সক্ষম হয়। কয়লা, সাৰ, চুপাৰী,গৰু আদি অবৈধ সৰবৰাহৰ সন্দৰ্ভত যোৱা ইংৰাজী ১/৫/২০১৯ তাৰিখে অসমৰ ভাৰপ্ৰাপ্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হৈছিল। উক্ত সভাৰ কাৰ্য্যবিৱৰণী ইতিমধ্যে বৰাক উপত্যকাৰ লগতে চৰকাৰৰ সকলো বিভাগীয় কৰ্তৃপক্ষলৈকে চৰকাৰী চিঠি নং PLA /785/2010/447-Aতাৰিখ ১-৫-২০১৯ৰ জৰিয়তেদি পঠিওৱা হৈছিল য'ত পৰিবহন, বিত্ত, কৰ, বন বিভাগ, আৰক্ষী সঞ্চালক প্ৰধান, পশুপালন বিভাগৰ লগতে অন্যান্য সংশ্লিষ্ট বিভাগৰ দ্বাৰা মনোনীত বিষয়াক লগত লৈ ৰাজ্যিক গৃহ আয়ুক্তৰ নিৰ্দেশত ৰাজ্যিক পৰ্য্যায়ত পৰ্য্যবেক্ষণ কমিটি গঠন কৰা হৈছে। উক্ত কমিটিৰ জৰিয়তেদি বিভিন্ন জিলাৰ উপায়ুক্তৰ পৰা পোৱা প্ৰতিবেদন সমূহ প্ৰতি ১৫ দিনৰ মুৰে মুৰে পৰ্য্যালোচনা কৰি থকা হৈছে। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে মণিপুৰ আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ লগত এই সৰ্ন্দভত মুখ্য সচিব পৰ্য্যায়ত আলোচনাত মিলিত হৈছে আৰু শেহতীয়াভাৱে অসম আৰক্ষী সঞ্চালক প্ৰধানেও উত্তৰ-পূৰ্বাঞ্চলৰ সকলো আৰক্ষী সঞ্চালক প্ৰধানৰ লগত এনে অবৈধ ব্যৱসায়ৰ ৰোধৰ বাবে সকলো ৰাজ্যৰ দ্বাৰা সমন্বিত পদক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰি, যাতে সেই ৰাজ্য সমূহৰ পৰা যাতে কোনো অবৈধ সামগ্ৰী কঢ়িওৱা গাড়ী অসমত প্ৰবেশ কৰিব নোৱাৰে, তাৰ বাবে বিতংভাৱে ব্যৱস্থা লববৈলে তাত অনুৰোধ কৰিছে। অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়ৰ চিঠি নং G/VI/ Misc. /50/ 2018/13 তাৰিখ ২৯ -৫-২০১৯ জৰিয়তেদি অপৰাধ অনুসন্ধান

শাখাত আৰক্ষী মহাপৰিদৰ্শকক অবৈধ সৰাবৰাহ কাৰ্য্য ৰোধ কৰিবলৈ নোডেল অফিচাৰ হিচাপে নিয়োগ কৰা হৈছে। কয়লা, সাৰ, গৰু, চুপাৰী ইত্যাদি সকলো ধৰণৰ অবৈধ সৰবৰাহ কাৰ্য্য বন্ধ কৰিবলৈ অসম আৰক্ষী সঞ্চালক প্ৰধানে চিঠি নং G/VI/ Misc. /50/ 2018/13 তাৰিখ ১৪-৬-২০১৯ জৰিয়তে গুৱাহাটীৰ আৰক্ষী আয়ুক্ত, সকলো জিলাৰ আৰক্ষী অধীক্ষক আৰু অন্যান্য আৰক্ষী সংগঠনলৈকে নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন জিলাত অসম আৰক্ষীয়ে বিভিন্ন সময়ত ধৰা পেলোৱা অবৈধ কয়লা, সাৰ, চুপাৰী সৰবৰাহৰ সংক্ৰান্তত গোচৰ ৰুজু কৰি অপৰাধীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'বলৈ আৰক্ষীক দিছে। এনেধৰণৰ সৰবৰাহ কাৰ্য্য ৰোধ কৰিবলৈ, আৰক্ষীয়ে সম্ভাব্য সকলো কাৰ্য্যব্যৱস্থা হাতত লৈছে। এনে পদক্ষেপে অনাগত দিনত এনেকুৱা ধৰণৰ প্ৰচেষ্টা চলি থাকিব। আনকি যোৱা কালিও বহিঃ ৰাজ্যলৈকে চুপাৰী কঢ়িওৱা এখন ট্ৰাক নং এ এচ ১৯ / চি -৮৯৭৮ ধুবুৰীৰ আৰক্ষীয়ে জব্দ কৰে, আৰু এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰে। আজি পৰা দুদিন আগতেও নিয়মীয়া বাৰ্তা টো এই কথাটো প্ৰথম পেজত ওলাইছে। আনকি যোৱা কালিও চুপাৰীৰ গাড়ী পুলিছে ধৰিছে । এজন ব্যক্তিক গ্ৰেপ্তাৰো কৰিছে। দুদিন আগতেও জুৰিয়াত চোৰাং গৰু সৰবৰাহ কৰা দুখনকৈ গাড়ী নং AS-01-K-7294 আৰু AS-01-AC - 7394 জব্দ কৰে আৰু ৪৮ টা গৰু উদ্ধাৰ কৰে আৰু এই ঘটনাৰ সৰ্ন্দভত চাৰিজন ব্যক্তিক গ্ৰেপ্তাৰ কৰে। এনে চোৰাং গৰু সৰবৰাহ কৰা ট্ৰাক নং AS -01-JC-3763 ৰহা আৰক্ষীয়ে যোৱা ২৭ জুলাইত জব্দ কৰে আৰু তিনিজন ব্যক্তিক আটক কৰে। ইয়াৰ পৰা প্ৰতীয়মান হয় যে বৰ্তমান চৰকাৰে এনেধৰণৰ অনৈতিক কাৰ্য্যকলাপক কঠোৰ হাতেৰে দমন কৰাৰ নিমিত্তে পদক্ষেপ গ্ৰহণ কৰিছে আৰু দোষী ব্যক্তিক কোনো ধৰণৰ ৰেহাই নোপোৱাকৈ আইনগত শাস্তি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বাতৰি কাকতত উল্লেখ কৰা লোক সকলৰ বিৰুদ্ধে অবৈধ কয়লা, সাৰ আৰু চুপাৰী সৰবৰাহ কৰাৰ ক্ষেত্ৰত জড়িত থকাৰ কোনো তথ্য প্ৰমাণ আৰক্ষীয়ে বৰ্তমানলৈ পোৱা নাই। যোৱা ইং ১ জুন ২০১৬ ৰ পৰা ২৬ জুলাই ২০১৯ লৈকে বৰাক উপত্যকাৰ তিনিখন জিলাত অবৈধ কয়লাৰ সৰবৰাহ কৰা আৰু চুপাৰী আৰু সাৰ সৰবৰাহ কৰা সংক্ৰান্তত ২৯ জুন ২০১৯ ৰ লৈকে ৰুজু হোৱা গোচৰৰ তালিকা আমি সদনত জনাইছো। অধ্যক্ষ ডাঙৰীয়া, আমাৰ প্ৰথম কথা অবৈধ কয়লাৰ ক্ষেত্ৰত ১ জুনৰ পৰা যিখিনি আছে যে কাছাৰৰ মুঠ গোচৰৰ সংখ্যা ৪৫ আৰু সৰ্বমুঠ জব্দ কৰা গাড়ীৰ সংখ্যা হ'ল ৯৯, গ্ৰেপ্তাৰ হোৱা মানুহৰ সংখ্যা হ'ল ৩৫। কৰিমগঞ্জত মুঠতে ২০ টা কেছ ৰুজু হৈছে আৰু সৰ্বমুঠ গাড়ী জব্দ কৰা হৈছে ৩৩ খন আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিৰ পৰিমাণ ৩৪ । হাইলাকান্দিত গোচৰ ৰুজু কৰা হৈছে ৪ টা। সৰ্বমুঠ জব্দ কৰা গাড়ীৰ সংখ্যা হ'ল ৬ আৰু গ্ৰেপ্তাৰ কৰা মানুহৰ সংখ্যা হ'ল ৩ । ঠিক তেনেধৰণে বৰাক উপত্যকাৰ চুপাৰী। চুপাৰীৰ ক্ষেত্ৰত কাছাৰত ইতিমধ্যে ৫ টা গোচৰ ৰুজু কৰা হৈছে আৰু মুঠ গাড়ী ৮ খন জব্দ কৰা হৈছে। ৪ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। হাইলকান্দিত ২ টা গোচৰ ৰুজু কৰা হৈছে। এখন গাড়ী ধৰা হৈছে। ১ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। সাৰৰ ক্ষেত্ৰত বৰাক উপত্যকাত কাছাৰত ১৩ টা গোচৰ লোৱা হৈছে। তাৰে গাড়ী ধৰা হৈছে ২২ খন আৰু গ্ৰেপ্তাৰ কৰা মানুহৰ সংখ্যা ১৬। হাইলাকান্দিত ২ টা গোচৰ ৰুজু হৈছে, মুঠ গাড়ী ৬ খন জব্দ কৰা হৈছে ৬ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, ইমান এটা বৃহৎ পদক্ষেপ লোৱাৰ পিছত এই চৰকাৰক যদি ছিণ্ডিগেটৰ কথা কয়, এইটো টান হয়। এতিয়া কৰিমগঞ্জৰ কথাটো যিটো কৈছিল, যে মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল যে কৰিমগঞ্জত যিহেতুকে এনেকুৱা এটা ডাঙৰ সদায় কথা চলি আছে, চৰকাৰো এইখিনি অৱগত। গতিকে কৰিমগঞ্জৰ কথাটো লৈ আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে চি বি আই লৈকে কেছ টো hand over কৰিছে কেছটো চি বি

আই ক লবলৈ কৈছে। অধ্যক্ষ ডাঙৰীয়া, আমি এতিয়া জনামতে আৰু চি বি আইয়ে এইটো accept কৰিছে। এইটো মই আপোনাৰ জৰিয়তে তেখেতসকলক জনালো। তেওঁলোকে যদি কয় যে আমেৰিকাৰ ইনটেলিজেন্সক দিব লাগিব নে? পৃথিবীৰ যি ইনটেলিজেন্স আছে, তেওঁলোকক দিয়াৰ কাৰণে মুখ্যমন্ত্ৰী প্ৰস্তুত আছে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। please মুখ্যমন্ত্ৰীয়ে যে দিছে, তাৰ পিছত আৰু বেলেগ কি লাগে। বেলেগে আকৌ কিয় বিচাৰিছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- ২নং কথাটো হ'ল তিনিচুকীয়াৰটো এইটো এটা গণ্ডগোল হৈছে।

গতিকে আপোনাৰ জৰিয়তে মই সদনৰ সকলো মাননীয় সদস্যক আৰু অসমৰ সৰ্ব সাধাৰণ ৰাইজক মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশক্ৰমে মই অনুৰোধ কৰিছো যে কাৰোবাৰ হাতত যদি এই ছিণ্ডিকেটৰ ক্ষেত্ৰত তথ্য সহকাৰে প্ৰমাণ আছে, তেন্তে উচ্চ ন্যায়ালয়ত জমা দিয়ক। হাইকোৰ্টত দিয়াৰ পিছত ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ লগতে মই আৰু এটা কথা ক'ব বিচাৰিছো যে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ বৰ্তমানৰ চৰকাৰে ছিণ্ডিকেট হ'বলৈ নিদিয়ে আৰু ইয়াত ছিণ্ডিকেট হ'বই নোৱাৰিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত।

**মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (বৰ্হমপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ শিক্ষা বিভাগটোৱেই হৈছে সমাজৰ মেৰুদণ্ড স্বৰূপ। এটা ত্ৰিভূজৰ তিনিটা বাহু থাকে আৰু ইয়াৰ যদি এটা বাহু আঁতৰি গুছি যায় তেন্তে ত্ৰিভূজৰ গুণ লোপ পাই যাব। ঠিক তেনেদৰে, আমাৰ সমাজখন সুস্থভাৱে চলিবলৈ হ'লে শিক্ষা বিভাগটোৰ খুবেই প্ৰয়োজন। ত্ৰিভূজৰ দৰে এই বিভাগৰ ছাত্ৰ-ছাত্ৰী এটা বাহু, এটা বাহু অভিভাৱকসকল আৰু আনটো বাহু শিক্ষক-শিক্ষয়িত্ৰী সকল । Kothari Commission ৰ পৰা আৰম্ভ কৰি শিক্ষা ব্যৱস্থাত বহুতো Commission স্থাপন হৈছিল। কিন্তু শিক্ষাত গতিশীলতা অনাত এতিয়ালৈকে কোনো চৰকাৰে সফল হ'ব পৰা নাই। সেয়েহে, মই ভাৱো যে, এই বিভাগটো শিক্ষামন্ত্ৰীৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ আৰু এই প্ৰত্যাহ্বান গ্ৰহণ কৰি শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিবলৈ মই তেওঁক আহ্বান জনাইছো। যোৱা ২৯ জুন, ২০১৯ তাৰিখে গুৱাহাটীত টেট শিক্ষক সকলে এটা প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰিছিল য'ত তেওঁলোকক নিয়মীয়াকৰণ কৰা, তেওঁলোকক বেতন দিয়াৰ দাবী উত্থাপন কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষতে এজনীয়া শিক্ষকেৰে চলা যি বিদ্যালয় আছে, তেওঁলোকে সেই তালিকাৰ বিষয়ে শিক্ষামন্ত্ৰীক জনাইছে বুলি কৈছে। সম্প্ৰতি ভাৰতবৰ্ষত, ২৯,৩০০ খন আৰু অসমত ৫০০০ খন এজনীয়া শিক্ষকৰ প্ৰাথমিক বিদ্যালয় আছে। তদুপৰি, অসমৰ ৫০০ খন প্ৰাথমিক বিদ্যালয় শিক্ষক বিহীন হৈ আছে। গতিকে টেট শিক্ষক সকলৰ যি অভাৱ-অভিযোগ আছে সেইখিনি পোনপটীয়া আলোচনাৰ মাজেৰে সমাধান কৰাৰ বাবে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে ২০১০ চনৰ পিছত কোনোধৰণৰ ঠিকাভিত্তিক শিক্ষক নথকাৰ যি ঘোষণা কৰিছিল, এই ঘোষণা যদি কাৰ্যকৰী হয় তেন্তে তেওঁলোকৰ চাকৰিও নাথাকিব আৰু বহুতো বিদ্যালয় শিক্ষক বিহীন হৈ পৰিব। গতিকে, মই শিক্ষামন্ত্ৰী তথা চৰকাৰক আহ্বান জনাইছো যাতে এই সমস্যাবোৰ সমাধানৰ বাবে আগবাঢ়ি আহে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চলিত অধিবেশনৰ প্ৰথম দিনা সদনত CAG

ৰ প্ৰতিবেদন দাখিল কৰা হৈছিল আৰু যদি এই প্ৰতিবেদনটো চোৱা যায় তেন্তে দেখিবলৈ পাওঁ যে ৫৩ টা বিভাগে Utilization Certificate (UC) দিবলৈ সক্ষম হোৱা নাই। এই বিভাগবোৰৰ ভিতৰত শিক্ষা বিভাগো অন্যতম। শিক্ষা বিভাগে ২,১৮৮.১১ কোটি টকা আৰু স্বাস্থ্য বিভাগে ১,১৪৮.৮৩ কোটি টকাৰ হিচাপ দিবলৈ সক্ষম হোৱা নাই। গতিকে, মই আশা কৰিছো আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যাতে এই বিষয়টোৰ প্ৰতি দৃষ্টি ৰাখে। আনহাতে, বিত্ত কৰ আৰোপণ বিভাগে ৭৩০.৬৭ কোটি টকাৰ UC দিবলৈ সক্ষম হোৱা নাই। বিত্ত বিভাগে যদি নিজকে ইয়াৰ বাবে উপযুক্ত কৰি তুলিব নোৱাৰে তেন্তে আন বিভাগে কেনেকৈ দিব?

**মাননীয় অধ্যক্ষঃ** আপুনি এই প্ৰশ্নৰ উত্তৰ শিক্ষামন্ত্ৰীৰ তৰফৰ পৰা পাব। গতিকে, এই কথাবোৰ পিছত ক'লে ভাল আছিল।

**মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (বঢ়মপুৰ)ঃ** আজি বিত্ত মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে বাবে এই বিষয়টোৰ ওপৰত তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছো কাৰণ তেখেতে এই বিষয়বোৰ চাব লাগে।

**মাননীয় অধ্যক্ষঃ** আজি ইয়াৰ পিছত বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ এটা বিষয় আছে য'ত তেওঁ পৰিপূৰক বিনিয়োজন তালিকা উত্থাপন কৰিব, তেতিয়া ইচ্ছা কৰিলে আপুনি আপোনাৰ সুধিব লগা খিনি সুধিব পাৰিব।

**মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (বঢ়মপুৰ)ঃ** ঠিক আছে। মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক আৰু এটা কথা ক'ব বিচাৰিছো যে, কলেজৰ শিক্ষক সকলৰ Council আছে আৰু এই Council এ Central Govt.ৰ পৰা বিভিন্ন উপায়েৰে কলেজৰ বাবে Grant আনিব বিচাৰিছে আৰু তাৰ বাবে তেওঁলোকক NAAC এ প্ৰদৰ্শন কৰাতো বাধ্যতামূলক। কাৰণ, NAAC এ প্ৰদৰ্শন কৰিব নোৱাৰিলে তেওঁলোকে Grant claim কৰিব নোৱাৰে। এতিয়া, RoSA ৰ অধীনত যিবোৰ কলেজে ২ কোটিকৈ টকা অনুমোদন পাইছে তাৰ estimate টো PWD য়ে বনাইছিল আৰু এতিয়া Housing and Housefed ক কাম কৰিবলৈ দিয়া হৈছে। কিন্তু এই কাম কৰাৰ বাবদ হিচাপে কলেজখনে তেওঁলোকক অতিৰিক্ত commission দিব লগা হয়। গতিকে, এই কথাবোৰ অনুগ্ৰহ কৰি আপুনি দৃষ্টি কৰে যেন। অধ্যক্ষ মহোদয়, কলেজবোৰে PWD ৰ সহযোগত নিজাববীয়াকৈ building বোৰ বনোৱাৰ ব্যৱস্থা কৰি দিব লাগে। মই আশা কৰিছো, শিক্ষা মন্ত্ৰী ডাঙৰীয়াই শিক্ষক সকলৰ সমস্যাবোৰৰ ক্ষেত্ৰত সংঘৰ্ষলৈ নগৈ পোনপটীয়াভাৱে সমাধান কৰাৰ বাবে যাতে প্ৰচেষ্টা হাতত লয়।

অধ্যক্ষ মহোদয়, মোৰ দেউতা এজন এল.পি. স্কুলৰ Head Pandit আছিল আৰু তেখেতে মাত্ৰ ৮ টকা দৰমহাৰে চাকৰি জীৱনৰ আৰম্ভ কৰিছিল। সেই সময়ত যদি বজাৰলৈ ২-৩ টকা লৈ যোৱা হয় তেন্তে গৰু গাড়ীখন বজাৰৰ বিভিন্ন সামগ্ৰীৰে ভৰ্তি হৈ আহিছিল। কিন্তু আজি সেই পৰিস্থিতি নাই। বৰ্তমান টকাৰ মূল্য হ্ৰাস হৈছে আৰু ইয়াৰ লগতে কৰ্মচাৰী সকলেও দৰমহাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। গতিকে, এই সমস্যাবোৰ নাইকিয়া কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াকে আশা কৰি মই মোৰ বক্তৃতাৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম **৩০১** অনুসৰি যোৱা ৩০ জুন, ২০১৯ তাৰিখে " অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত- "চৰকাৰৰ বিভাজনকামী ষড়যন্ত্ৰ উফৰাই ৰাজপথলৈ ওলাই আহিল হেজাৰ হেজাৰ টেট শিক্ষক--বিনাচৰ্তে চাকৰি নিয়মীয়াকৰণৰ দাবী--'শিক্ষামন্ত্ৰী হুঁচিয়াৰ' ধ্বনিৰে

উত্তাল গুৱাহাটী-- ডিঙিত গামোচা, কোলাত কেঁচুৰা লৈ প্ৰতিবাদত অংশ অসংখ্য শিক্ষক- শিক্ষয়িত্ৰীৰ-- বিক্ষোভস্থলীতে ঢলি পৰিল কেইবাগৰাকী প্ৰতিবাদকাৰী” শীৰ্ষক বাতৰিটো আপোনাৰ যোগেৰে মাননীয় শিক্ষা মন্ত্ৰী তথা চৰকাৰক অৱগত কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ দেশত ‘শিক্ষাৰ অধিকাৰ নীতি’ (Right To Education Act) ২০০৯ চনত প্ৰণয়ন হৈছিল। ২০১২ চনত বৰ্তমানৰ বিত্তমন্ত্ৰী যেতিয়া পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ শিক্ষামন্ত্ৰী আছিল, তেতিয়া প্ৰথমবাৰৰ বাবে অসমত TET পাতি শিক্ষক নিযুক্ত কৰা হৈছিল আৰু এই পদক্ষেপ অসমৰ বাবে এক যুগান্তকাৰী পদক্ষেপ আছিল। যোৱা ২৯ জুন, ২০১৯ তাৰিখে গুৱাহাটীৰ ৰাজপথত আহি ২০১২, ২০১৪ আৰু ২০১৭ চনত সৰ্বশিক্ষাৰ অধীনত ৩০,০৮৭ জন টেট শিক্ষক আৰু ২০১৭ চনত fixed pay ত নিযুক্তি পোৱা ১১,৪৪৭ গৰাকী State Pool ৰ শিক্ষক সকলে প্ৰতিবাদত নামিছিল। শিক্ষাৰ ক্ষেত্ৰত উত্থাপন কৰা দাবীবোৰ ইতিমধ্যে মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই দাঙি ধৰিছে। শিক্ষা ক্ষেত্ৰত যাতে কোনো ধৰণৰ সমস্যা নাথাকে, তাৰ বাবে চৰকাৰখনে গুণোৎসৱ পাতিছে আৰু সেই গুণোৎসৱৰ প্ৰতিবেদনবোৰ অহাৰ পিছত ইয়াৰ কিমানখিনি কাৰ্যকৰী হৈছে সেই কথাবোৰ আমাৰ বিধান সভাত উপস্থিত প্ৰত্যেক গৰাকী সদস্যই অৱগত। এই শিক্ষক সকলৰ দাবীৰ ভিতৰত আছিল যে, ঠিকাভিত্তিত কৰ্মৰত প্ৰতিগৰাকী শিক্ষকক দৰমহা সুৰক্ষা সহ বিনাচৰ্তে নিয়মীয়া কৰিব লাগে। ৫০১৭ খন উন্নীতকৰণ প্ৰাথমিক বিদ্যালয়ত স্থায়ী পদ সৃষ্টি কৰি কৰ্মৰত শিক্ষামিত্ৰ ঠিকাভিত্তিক টেট শিক্ষক সকলক নিজ নিজ বিদ্যালয়ত নিযুক্তি দিব লাগে। মহামান্য উচ্চ ন্যায়ালয়ৰ আদেশ অনুসৰি বয়সৰ উৰ্দ্ধ সীমা ৰেহাই দি ৩৫১ টেট উত্তীৰ্ণ শিক্ষকৰ নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। জিলাৰ বাহিৰত থকা টেট ভিত্তিৰ শিক্ষক সকলক নিজ নিজ গৃহ জিলাত আনিব লাগে। শিক্ষামিত্ৰ সন্থা, অসম চৰকাৰ আৰু সৰ্বশিক্ষা অভিযান মিশ্যনৰ মাজৰ ত্ৰিপাক্ষিক বৈঠক ২০১২ চনৰ যি সিদ্ধান্ত অনুসৰি তেওঁলোকৰ বিশেষ টেট অনুষ্ঠিত কৰিব লাগে আৰু তেওঁলোকৰ ৫ হাজাৰ ১৭ খন বিদ্যালয় উন্নতিৰ কাৰণে আন্তঃগাঁথনি পুঁজিৰ যোগান ধৰিব লাগে। আমি দেখিবলৈ পাইছো আমাৰ শিক্ষাগুৰু সকলে বিভিন্ন দাবী লৈ অসম চৰকাৰৰ শিক্ষা বিভাগৰ বিভিন্ন বিভাগৰ লগত আলোচনা কৰিছে। কিন্তু তেওঁলোকে ক’তো সঁহাৰি পোৱা নাই। গুৱাহাটী অহাৰ পিচত তেওঁলোকৰ কি অৱস্থা হৈছিল সেইটো অসমৰ লগতে গোটেই ভাৰতবৰ্ষই দেখিছে। আমাৰ প্ৰত্যেকজনী মাতৃয়ে বিচাৰে যে আমাৰ সন্তান এদিন ডাঙৰ হ’ব। বিদ্যালয়লৈ গৈ ভালদৰে পঢ়া-শুনা কৰি নিজকে সম্পদ হিচাপে গঢ়ি তুলি নিজৰ সমাজ তথা গোটেই বিশ্বৰ বুকুতে জিলিকি থাকিব। এই ক্ষেত্ৰত এটা কথা ক’ব লাগিব যে যেতিয়া চন্দ্ৰযান-২ মহাকাশলৈ উৎক্ষেপন কৰিছিল। তেতিয়া মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ নিজৰ মাতৃয়ে জন্ম দিয়া সন্তান্‌ৰ লগতে আৰু এজন অসমৰ মাতৃৰ সন্তানে সহযোগিতা কৰিছিল আৰু সেইটো লৈ আমি গোটেই অসমবাসীয়েই গৰ্বিত। অসমত বসবাস কৰা প্ৰতিজন মানুহেই বিচাৰো যে আমাৰ নৱ-প্ৰজন্মই বিদ্যালয়লৈ গৈ ভালকৈ পঢ়া-শুনা কৰক। শিক্ষাগুৰু সকলৰ পৰা ভাল শিক্ষা লৈ নিজকে বিভিন্ন ক্ষেত্ৰত নিয়োজিত কৰি অসম খনক আৰু আগলৈ লৈ যাওঁক। এনেকুৱা এটা সময়ত আমাৰ শিক্ষক সকলক যদি আমি ৰাজপথত আহিবলৈ বাধ্য কৰাওঁ, শিক্ষক সকলে যদি নিজৰ শ্ৰেণীকোঠা বাদ দি, ছাত্ৰ-ছাত্ৰীসকলক ভাল ফলাফল কৰাৰ বাবে শিকোৱাৰ পৰিৱৰ্তে আন্দোলনত নামিব লাগে, শিক্ষক সকলে নিজৰ প্ৰাপ্য বিচাৰি অফিচে অফিচে ঘূৰিব লাগে সেইটো কিন্তু আমাৰ কাৰণে ভাল কথা নহয়। প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত শিক্ষকসকলে যোৱা ১৫ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈ on line যোগে Mutual Transfer ৰ বাবে আবেদন কৰিছিল। কিন্তু আজি চাৰি মাহে এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱা

হোৱা নাই। আমি বাতৰি কাকত আৰু TV ত দেখিছো যে শিক্ষক সকলক স্থায়ী, অস্থায়ী ঠিকা ভিত্তিত, শিক্ষা মিত্ৰ, শিক্ষা সেৱক আদি বিভিন্ন ভাগত ভাগ কৰি জটিল কৰা হৈছে। শিক্ষকসকলে নিজৰ বিভিন্ন দাবী লৈ চৰকাৰ আৰু শিক্ষাবিভাগৰ ওচৰলৈ যায়। কিন্তু শিক্ষাবিভাগে তেওঁলোকক ভাগ ভাগ কৰিব নালাগে। আমি জানো যে বৃটিছ সকলে আমাক ভাগ ভাগ কৰিছিল। বৰ্তমান বৃটিছসকল গ'ল। কিন্তু চৰকাৰে শিক্ষক সকলক ভাগ ভাগ কৰি দুৰ্বল কৰিব বিচাৰিছে নেকি? এইটো কৰিলে কিন্তু ভাল পদক্ষেপ লোৱা নহয়। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে ২০১০ চনৰ অসম চৰকাৰে অপাৰেশ্যন ব্লেক বোৰ্ডৰ অধীনৰ ঠিকা ভিত্তিক শিক্ষক সকলৰ চাকৰিৰ নিয়মীয়া কৰিছিল। ভাৰতৰ কেইবাখনো ৰাজ্য যেনে-অৰুণাচল প্ৰদেশ, মণিপুৰ, কেৰেলা, হিমাচল প্ৰদেশ আদিত সৰ্বশিক্ষাৰ অধীনস্থ শিক্ষকৰ চাকৰি বিনা চৰ্তে নিয়মীয়া কৰিছিল। আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ চৰকাৰে চাৰিশ নিয়মীয়া পদৰ ৮৫ শতাংশ ঠিকা ভিত্তিক শিক্ষকৰ বাবে সংৰক্ষণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে টেট শিক্ষক সকলৰ এই সমস্যাসমূহ অতি সোনকালে সমাধান কৰিব লাগে। তেওঁলোকে যদি পুনৰ আবেদন কৰিব লাগে সেই ক্ষেত্ৰত তেওঁলোকৰ বয়সৰ কথা আছে। আজিকালি আৰু আগৰ পৰীক্ষা পদ্ধতি, নম্বৰ পদ্ধতি আৰু নতুন পদ্ধতিৰ বহুত বেলেগ। সেয়েহে আগৰ সকলৰ লগত নতুন সকল কেতিয়াও একে হ'ব নোৱাৰে। সেয়েহে এই কথাবোৰ মানৱীয়তাৰ দৃষ্টিৰে চাই অসমৰ ৰাজ্য চৰকাৰে যি উদ্দেশ্যৰে অসমৰ শিক্ষা ব্যৱস্থা ভাল কৰাৰ বাবে যি গুণোৎসৱ পাতিছিল, মই ক'ব বিচাৰিছো যে কোনো শিক্ষকে যাতে অপমানিত নহয়, কোনো ছাত্ৰ-ছাত্ৰী যাতে লজ্জিত নহয়, তাৰ উপযুক্ত পদক্ষেপ ল'বৰ বাবে আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ক'ব বিচাৰিছো যে ৩০১ নং টো অলপ শিথিল কৰিছিলো যাতে বেছি সদস্যই ক'ব পাৰে। কিন্তু সকলোৱে ইমান সময় ল'লে নহ'ব। মূল কথাখিনি আলোচনা নহ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য,মাননীয় মন্ত্ৰী, শিক্ষা আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত আৰু জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই তেওঁলোকৰ বক্তব্যত ৩০১ নং ৰ বক্তব্য সদনৰ মজিয়াত উত্থাপন কৰিছে। তাৰ বাহিৰেও তেওঁলোকে কিছু কথা কৈছে। মই সেই সকলোখিনিৰ উত্তৰ দিব বিচৰা নাই। মূলত বিষয়টো হৈছে যে আমাৰ ২৯ তাৰিখৰ দিনাখন কিছু শিক্ষকে ৰাজপথলৈ ওলাই আহি তেখেতসকলে তেখেতসকলৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছিল। সেই সম্পৰ্কে আমাৰ ক'বলগীয়া একো নাই। গণতান্ত্ৰিক ভাৱে যিকোনো ভাৰতীয় নাগৰিকে নিজৰ অধিকাৰ সাব্যস্তৰ বাবে তেওঁলোকে এনেকুৱা প্ৰতিবাদ কৰিব পাৰে। তেখেত সকলে তাত যিখিনি অভিযোগ আনিছিল সেই সম্পৰ্কে কোনোধৰণৰ Views নিদিওঁ। মই কেৱল যিখিনি Factual কথা সেইখিনি আপোনাৰ মাধ্যমেৰে সদনত উত্থাপন কৰিব বিচাৰিছো। মই কোনো বিতৰ্কত যাবলৈ খোজা নাই। নহ'লে সকলো প্ৰশ্নৰ উত্তৰ মোৰ আছে। আজি অলপ আগতে প্ৰশ্ন নং-৫৪ ত এটা উত্তৰ আনিছিল ১২৬ টা পদত কেনেকৈ ৭০০ পদৰ নিযুক্তি দিয়া হৈছিল। কাৰ বিৰুদ্ধে দিয়া হৈছিল, সেইবিলাক কথা মই উত্থাপন কৰিব পাৰো। কিন্তু মই সেইবিলাক প্ৰশ্নলৈ যাব খোজা নাই। মই আজি এটা প্ৰতিবেদন সদনত উত্থাপন কৰিব বিচাৰিছো আৰু এই প্ৰতিবেদনৰ পিছতে সদনে নিঃসন্দেহে বিচাৰ কৰিব যে তেখেত সকলে ২৯ তাৰিখৰ দিনাখন প্ৰতিবাদ কৰিবলগীয়া কিবা এটা হৈছিল নে নাই? কিয়নো অলপ আগতে কোৱা হ'ল যে Divide and rule. কোনে কাক Divide কৰিছে, কোনে কাক কেনেকৈ প্ৰৰোচিত কৰিছে সেইবিলাক কথালৈ মই যাব বিচৰা নাই। মই খালী

যিটো লিখিত প্ৰতিবেদন আনিছো, সেইখন পঢ়ি দিব বিচাৰিছো কোনো বিতৰ্কলৈ নোযোৱাকৈ। 'সৰ্বশিক্ষা অভিযান অসমৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক শিক্ষকসকলৰ বিভিন্ন দাবীৰ ওপৰত আলোচনা কৰিবৰ বাবে চলিত বছৰত ২৭ জুন তাৰিখে অসমৰ শিক্ষা মন্ত্ৰী, সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ প্ৰতিনিধি আৰু বিভাগীয় উচ্চ পদস্থ বিষয়াসকলৰ মাজত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত ঠিকা ভিত্তিক শিক্ষক সকলৰ চাকৰিৰ নিয়মীয়া কৰণকে ধৰি বিভিন্ন দাবীসমূহৰ ওপৰত বিশদ আলোচনা কৰা হয়। গতিকে কোনোবাই যদি কয় যে আলোচনা কৰা হোৱা নাই, সেই কথাটো সঠিক নহয়। এই সম্পৰ্কত যোৱা ২৭ জুন ২০১৯ তাৰিখত সভাৰ কাৰ্য্যবিৱৰণী সিদ্ধান্তসমূহ তলত উল্লেখ কৰা হ'ল। আমাৰ যিখন Minuts হৈছিল, তাত কি কি সিদ্ধান্ত লোৱা হৈছিল, সেই সিদ্ধান্তখিনি সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। বাৰে বাৰে এটা কথা কোৱা হৈছে যে টেট শিক্ষক সকলক আমি অন্যায় কৰিছো। অধ্যক্ষ মহোদয়, TET শিক্ষক সকলৰ নিযুক্তি প্ৰক্ৰিয়াটো আমি ঠিক কৰা নাই। এইটো ঠিক কৰিছে NCTE য়ে। TET শিক্ষক সকলৰ কি কি qualification লাগে সেইটো ভাৰতবৰ্ষৰ Gazette norification ত ভালদৰে উল্লেখ আছে। আমি তাত কোনো বেলেগ পৰিবৰ্তন অনা নাই। ২০১৪ চনত সেই সময়ৰ চৰকাৰখনে এখন Public notice দিছিলে TET শিক্ষকৰ সম্পৰ্কে। তাৰ দুই নং পেৰাগ্ৰাফত তেওঁলোকে কৈছিলে- Qualifying TET could not confer a right on any person for recruitment, engagement as teacher as it is only one of the eligibility criteria for appointment. The other criteria being accademic and proffesional qualification as far NCTE norms. Recruitment of teachers is based on merit or as per the marks obtained by the candidate during the academic and professional qualification examination and TET. পৰবৰ্তী সময়ত TET ৰ সম্পৰ্কে NCTE য়ে কৈছে যে এইCertificate. খনৰ validity . হৈছে ৭ বছৰ। Parliament তো যেতিয়া Human Resource Minister ক এই বিষয়ে শুধা হৈছিল তেখেতেও কৈছিলে যে এইCertificate . খনৰ validity হৈছে ৭ বছৰ।

পূৰ্বতে ২০১২ চনতে ৩০ হাজাৰ ৭৮ জন ঠিকাভিত্তিক শিক্ষকক নিযুক্তি দিছিল সৰ্বশিক্ষাৰ মাধ্যমেৰে। তেওঁলোকৰ ম্যাদ ২০১৯ চনত শেষ হয়। তেওঁলোকৰ মাজৰ পৰা ১১,৪৪৭ জন শিক্ষকক state pool হিচাপে নিযুক্তি দিয়ে। তেওঁলোকে SOPD ৰ দ্বাৰা এটা Fixed Pay দৰমহা হিচাপে পায়। সকলোৰে এতিয়া নিয়মীয়াকৰণ হোৱাটো বিচাৰে। তাৰমানে প্ৰত্যেকেই state government ৰ পুৰণি emlpoyment ৰ basis টো লৈ যাব বিচাৰে। তেওঁলোকে state poll তো থাকিব নিবিচাৰে আৰু সৰ্বশিক্ষাতো থাকিব নিবিচাৰে। ২০১২ চনৰ পিছত বিভিন্ন কিছুমান TET পৰীক্ষা পতা হৈছে কিন্তু general TET পতা হোৱা নাই। ২০১২ চনৰ নিযুক্তিৰ মাজৰ পৰাই প্ৰায় ২১ হাজাৰতকৈও অধিক শিক্ষকৰ চাকৰি নিয়মীয়া হৈছে। এতিয়া তেখেত সকলৰ দাবী হৈছে যে যিহেতু তেওঁলোকে এবাৰ TET পৰীক্ষাত উত্তীৰ্ণ হৈছে, তেওঁলোক কৰ্মৰত আৰু তেওঁলোকৰ যিহেতু বয়সো নাই গতিকে দ্বিতীয়বাৰ তেওঁলোকে TET পৰীক্ষাত অৱতীৰ্ণ হ'ব নিবিচাৰে। এই সম্পৰ্কে ২৭ জুন তাৰিখৰ দিনা আমাৰ এখন বৈঠক হৈছিল। আজি যিসকলে অভিযোগ আনিছে তেখেতসকলৰ সভাপতিৰ লগতে অন্যান্য কাৰ্য্যবাহী সদস্য বৈঠকত উপস্থিত আছিল। তাত আমি একেলগে সিদ্ধান্ত লোৱাৰ পাছত কেনেকৈ পুনৰ তেওঁলোকে প্ৰতিবাদী

কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিলে এই কথাটো আমাৰ মাননীয় সদনে বিচাৰ কৰি চাব।

আমাৰ লগত থকা minutes খিনি অধ্যক্ষ ডাঙৰীয়াৰ ওচৰত দাখিল কৰিম। এইখিনি যদিও general publish কৰা হৈছে আৰু web site তো দিয়া হৈছে তথাপি মই পঢ়ি দিছো। "The contractual teachers and the state pool teachers working under Sarbasiksha Abhiyan will be considered as In-Service teacher for thr purpose of regularization of their services against vacant posts of regular teacher under the department of Elementary Education, Assam." যিসকল কৰ্মৰত আমি তেখেতসকলক In-Service Teacher হিচাপে গণ্য কৰিম।

দ্বিতীয় পেৰাত আছে- "The contractual teachers and the state pool teachers working under Sarbasiksha Abhiyan will be considered as In-Service teacher for the purpose of regularization of their services against vacant posts of regular teacher under the department of Elementary Education, Assam. The question of upper age limit, and validity period of existing TET certificate will not be applicable." ২৭ জুন তাৰিখৰ দিনা আমি তেখেত সকলক কৈছিলো যে যিহেতু আমি আপোনালোকক In-service teacher হিচাপে গণ্য কৰিম, আপোনালোক পুনৰবাৰ TET পৰীক্ষা দিয়াৰ প্ৰয়োজন নাই আৰু আপোনালোকৰ বয়সৰ ক্ষেত্ৰতো কোনো সীমাৰ কথা নাহে। They may of their free will may appear in the exam for betterment of the marks in TET. এনেকুৱা বহুত TET উত্তীৰ্ণ প্ৰাৰ্থী আছে যিসকলে আগতে কম নম্বৰ পোৱাৰ কাৰণে কোনো employment পাবলৈ সক্ষম হোৱা নাই। গতিকে তেখেতে যদি অনুভৱ কৰে তেওঁ TET পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

তৃতীয় পেৰাত আছে - As the service of the contructual teacher and the state pool teachers working under Sarbasiksha Abhiyan will be considered as In-Service teacher. They will be entitled for all benifits related to salary when his or her service will be regularized. In-Service teacherৰ vacancy ওলালে যদি তেওঁলোকে নিযুক্তি পায়, তেওঁলোকে চৰকাৰী চাকৰিয়াল সকলৰ সমানে benifit পাব।

চতুৰ্থ পেৰাত আছে -The service of this In-Service teachers will be regularized against vacant posts of regular teacher excluding 9,635 posts which have already been advertised. এই বিজ্ঞাপনৰ বিপৰীতে তেখেতসকলৰ এচামে কোৰ্টলৈ গৈছে। যিহেতু এই বিষয়টো High Court ৰ subjudice হৈ আছে গতিকে এই ক্ষেত্ৰত সেইটো প্ৰযোজ্য নহ'ব বুলি আমি কৈছো। From time to time as and when regular vacancy is arised under department of Elementary Education, Assam following departmental norms and conditions.The Department of Elementary Education will frame criteria procedure for regularization of the service. সদৌ অসম প্ৰাথমিক

TET উত্তীৰ্ণ শিক্ষক সমাজ, এই সংগঠনটোৰ লগত আমাৰ এই আলোচনা হৈছিল ২৭ জুন তাৰিখৰ দিনা। সেই বৈঠকত আমাৰ এই সিদ্ধান্ত খিনি তেখেতসকলক অৱগত কৰিছিলো। State pool ৰ শিক্ষক সকলৰ লগতো আমাৰ একেখিনি কথাই আলোচনা হৈছিল। তেখেতসকলে এই কথা খিনিৰ মান্যতা মানি কৈছিলে যে ভৱিষ্যতে তেখেতসকলে কোনো প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ নকৰে। আন Group আছিলে, যিসকলে সংৰক্ষিত আসনৰ বিপৰীতে নিযুক্তি পাইছিলে। তেখেতসকলৰ প্ৰায় ৬ হাজাৰমান সদস্য আছে। এওঁলোকেও কৈছিলে যে চৰকাৰে লোৱা সিদ্ধান্তত তেওঁলোক সন্তুষ্ট আৰু ভৱিষ্যতে তেখেতসকলেও কোনো প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ নকৰে। কিন্তু তেখেতসকলৰ লগত কথা পতাৰ পিছতো তেখেতসকলে ২৯ তাৰিখে প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিলে। ২৭ জুন তাৰিখে সিদ্ধান্ত লোৱাৰ পিছত কি বিচাৰি তেখেত সকলে ২৯ জুন তাৰিখে আকৌ প্ৰতিবাদ কৰিলে? ২৭ তাৰিখে আমি যিহেতু গোটেইখিনি সিদ্ধান্ত লৈছিলো। তাৰপিছতো পৰৱৰ্ত্তী সময়ত কি হৈছে সেইখিনি কওঁ "সৰ্ব্বশিক্ষা অভিযান, অসমৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক শিক্ষক সকলৰ বিভিন্ন দাবীৰ ওপৰত যোৱা ২৭ জুন তাৰিখে সবীৰ আলোচনীত ওপৰত উল্লেখ কৰা ধৰণে এই শিক্ষক সকলে দাবী সমূহৰ প্ৰতি যুক্তিসংগত সঁহাৰি পাই আমি সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছতো আমি অনুভৱ কৰিছো যে সমীচিন হোৱা নাই। উক্ত টেট উত্তীৰ্ণ প্ৰতিবাদকাৰী শিক্ষক সকলে ২৯ তাৰিখে প্ৰতিবাদ সাব্যস্ত কৰাৰ প্ৰকৃত কাৰণ চৰকাৰৰ বোধগম্য নহ'ল। কিয়নো ২৭ তাৰিখে আমি গোটেইখিনি সিদ্ধান্তই ললো। তেনেহ'লে ২৯ তাৰিখে আকৌ আন্দোলন কৰিব লগীয়া কি থাকিল? তেখেত সকলে কৈছে যে ডিভাইণ্ড এণ্ড ৰুল। মইটো কওঁ ওলোটা। আমি ডিভাইড নকৰিলো। তেখেত সকলৰ মাজৰ এচামে যদি আমাৰ লগত আলোচনা কৰি কয় যে আপোনালোকে যি সিদ্ধান্ত লৈছে এই সিদ্ধান্তৰ লগত আমি একমত আমি প্ৰতিবাদত অংশগ্ৰহণ নকৰো। তেতিয়া হ'লে কি তেখেত সকলক ডিভাইড এণ্ড ৰুল কৰা হ'ল নেকি? উল্লেখ কৰা হয় যে প্ৰাথমিক শিক্ষা বিভাগৰ ও এম নাম্বাৰ ইয়াৰ পিছত যিহেতু সেইটো এখন মিটিঙৰ মাইনোটচ্ আছিল, পৰৱৰ্ত্তী সময়ত অফিচ মেমোৰেণ্ডামৰ মাধ্যমেৰে এই যিখিনি সিদ্ধান্ত লৈছিলো সেই সিদ্ধান্ত কিন্তু এই ও এম খনৰ মাধ্যমেৰে আমি চৰকাৰী ভাৱে প্ৰকাশ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই ও এটা কথা ক'ব পাৰো যে, শিক্ষাক লৈ ৰাজনীতি হ'ব নালাগে। শিক্ষা সকলোৰে বাবে। আমাৰ ল'ৰা-ছোৱালী সকলে যেনেকৈ পঢ়া শুনা কৰিব পাৰে, সকলোৰে ল'ৰা-ছোৱালীয়ে পঢ়া শুনা কৰক আৰু দ্বিতীয় কথাটো হ'ল চৰকাৰৰ সদিচ্ছা সম্পৰ্কে কাৰোবাৰ মনত সন্দেহ থাকিব পাৰে, কোনোবা এটা ৰাজনৈতিক কাৰণৰ বাবে তেখেত সকলে প্ৰতিবাদ কৰিব পাৰে, সেই সম্পৰ্কে তেখেত সকলৰ প্ৰতিবাদ কৰাৰ অধিকাৰ আছে। প্ৰতিবাদ কৰিছে ক'বলৈ নাই কিন্তু তেখেত সকলে যি ভাৱে কথাবোৰ কৈছে এই কথাবোৰ, মই যিখিনি তথ্য আজি সদনৰ মজিয়াত দাঙি ধৰিলো এই তথ্যখিনিৰ পিছতেই আপোনালোক সকলোৱে চিন্তা কৰি চাওঁক, আপোনালোক সকলোৱে বিবেচনা কৰি চাওঁক, মাননীয় প্ৰাক্তণ মুখ্যমন্ত্ৰী ডাঙৰীয়া, এসময়ত আপুনিও চৰকাৰ চলাইছিল। আপুনি এইক্ষেত্ৰত চিন্তা কৰি চাওঁক যে এই ক্ষেত্ৰত ২৯ তাৰিখৰ দিনাখন প্ৰতিবাদ কৰিবলৈ অহাৰ কিবা যুক্তি-যুক্ততা আছিল নেকি? কিয়নো তেখেত সকলে যিখিনি বিচাৰিছে গোটেইখিনি ২৭ তাৰিখৰ দিনাখনেই আমি তেখেত সকলৰ লগত সিদ্ধান্ত লৈছো। তেখেত সকলৰ লগত বুজা পৰা কৰি আমি এখন মাইনোটচ্‌ত চাইনও কৰিছো। অলপ আগতে কোৱা হৈছে যে ২৯ তাৰিখৰ দিনাখন বহুতে কোলাত কেঁচুঁৱা লৈ প্ৰতিবাদ কৰিবলৈ আহিছে। মইতো প্ৰশ্ন কৰিব পাৰো যে সেই কোলাৰ কেঁচুৱাটোৰ মানৱঅধিকাৰ নাই নেকি? কোনো এগৰাকী মাতৃয়ে ছমহীয়া কেঁচুৱাটোক আন্দোলনলৈ কিয় লৈ

আহিছে? মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি তথ্য দাঙি ধৰিছো, মই কৈছো যে মই বিতৰ্কত যাব খোজা নাই। বিতৰ্কত নোযোৱাকৈ মই যিখিনি কথা উল্লেখ কৰিলো পৰৱৰ্ত্তী সময়ত যদি বিতৰ্ক হৈছে আৰু ইয়াত বহুত ডিভাইচ আছে আপোনালোকে আনক। আপোনালোকেও ডিবেট কৰিব মইও ডিবেট কৰিম। প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দিবলৈ মই সাজু।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ............................................................

...................সদনত হুলস্থুল.........................................

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ কিবা প্ৰব্লেম থাকিলে মোক লিখিত ভাৱে দিব।

...................সদনত হুলস্থুল.........................................

মই লিডাৰ অব ডা অপজিশ্যনক উঠিবলৈ কৈছো।

...................সদনত হুলস্থুল.........................................

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদায় আমাৰ উত্তৰ বিলাক আংশিক ভাৱে হোৱাৰ কাৰণে এনেকুৱা ধৰণৰ সমস্যা বিলাক হয়। তেওঁলোকে প্ৰতিশ্ৰুতি দিছিলে । প্ৰতিশ্ৰুতি পূৰণ হ'লে কোনোধৰণৰ সমস্যা নহয়।

...................সদনত হুলস্থুল.........................................

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ বিচাৰিছো। যোৱা তিনিদিন আগত লোক সভাৰ অধ্যক্ষই ১৫০ মেনশ্যন কৰিছে। এনেকৈ যদি হাউচটো দুজন-তিনিজন মানুহে কেপচাৰ কৰি লৈ যায়সেইটো ভাল কথা নহয়। বি জে পিৰ ভিশ্যন ডকুমেণ্টটো ইলেকশ্যনৰ সময়ত হ'ব যে বি জে পি য়ে কি দিছে কংগ্ৰেছে কি দিছে? এনেকৈ যদি কংগ্ৰেছৰ ভিশ্যন ডকুমেণ্ট বোৰ ৫১ চনৰ পৰা উলিয়াই লওঁ তেতিয়াহ'লে ক'ত মানুহ থাকিব, এইটো টো কথা নহয়। এচেম্বলীত উত্তৰ হয় চৰকাৰে কি কৰিছে আৰু চৰকাৰে কি দিব। উলিয়াই লওঁক বুলি দি চিনিয়ৰ মেম্বাৰ এজনে কয় যে ভিশ্যন ডকুমেণ্ট হাউচত ডিচকাশ্যন হ'ব। হাউচত ডিচকাশ্যন হয় চৰকাৰ আৰু বিৰোধীৰ। এনেকৈ যদি

...................সদনত হুলস্থুল.........................................

মাননীয় অধ্যক্ষ মহোদয় , আপোনালোকে যদি হাউচ খনক এখেত সকলৰ পৰা ৰক্ষণা-বেক্ষণ দিব নোৱাৰে...................................

(সদনত একেলকে কেইবাজনো সদস্যই একেলগে কয়, ফলত হুলুস্থুল হয়)

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যিটো ধৰণত তিনিজন মানুহে হাউচটো কেপচাৰ কৰি আছে, মইতো ২০০১ চনৰ পৰা দেখা নাই। নাজানো আপোনাৰ মৰম কিয়, অধ্যক্ষ মহোদয়, আপোনাৰ যদি তিনিজন মানুহৰ প্ৰতি ইমান মৰম, মই নাজানো virtually মই ৰাতিপুৱাৰ পৰা মই ইয়াত বহি আছো আপুনি তিনিজন মানক হাউচটো দি দিছে যে আপোনালোকে যি কৰে কৰক। তেনেকুৱা যদি কৰে আমি বাহিৰত বহো। তেওঁলোকে চলাওক হাউচ।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই। Please আপোনালোকে কিয় মাতিছে। Please, sit down as I am on late.

...................(সদনত হুলস্থুল)................

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে অনুগ্ৰহ কৰি মনে মনে থাকক, মন্ত্ৰী ডাঙৰীয়া আপুনিও মনে

মনে থাকক। মই ঠিয় হৈ আছো আপোনালোকে বহিব লাগে, বহক আপোনালোকে।

.....................(সদনত হুলস্থূল).................

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** The honour of this House should be maintained, in this regard, as per Rule of the House Shri Rupjyoti Kurmi and Shri Kamalakhya Dey Purkayastha should be expelled from the House.

.....................(সদনত হুলস্থূল).................

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** চাৰ, আপোনাক এনেকৈ কথা কৈছে।

.....................(সদনত হুলস্থূল).................

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** চাৰ, আপুনি যদি কৰিব নোৱাৰে আমি resolution move কৰিছো।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী যেতিয়া অধ্যক্ষ ঠিয় হয় আপোনালোক দুজন বহিব লাগে আৰু আপোনালোকে বহিলে তেনেদৰে তেখেতকো মই বহিবলৈ কম। কিন্তু প্ৰত্যেকে যদি ঠিয় হৈ থাকে হ'ব নেকি। Kindly মই মন্ত্ৰীকো কৈছো আৰু সদস্য সকলকো কৈছো কথা এটা শুনক, হাউচত যিমান পৰা যায় মই সমদৃষ্টিভঙ্গীৰে কাম কৰি আছো। হাউচত সদায় House is for the Opposition বুলি মই সদায় কিয় কৈ আছো যে আপোনালোকে গৈ মন্ত্ৰীক লগ কৰিব না, আপোনালোকৰ কেতিয়াবা অসুবিধা হয় আপোনালোকে ইয়াত কথা কব পাৰে। সেইকাৰণে মই Liberal দৃষ্টিভঙ্গী সদায় চাই আছো but it does not mean যে সেই Liberal দৃষ্টিভঙ্গীৰে আপুনি হাউচৰ Proceeding ত Halt কৰিব। আজি আমাৰ ৫৪, ৩০১ ত এইবোৰ আপোনালোকে পঢ়িব। তাত যদি প্ৰশ্নৰ উত্তৰ ভুলকৈ দিলেও তাত পৰিপূৰক প্ৰশ্ন নহয়। আপুনি এই ক্ষেত্ৰত মোলৈ লিখিব পাৰে যে যোৱাকালি আমি এইটো কৰিছিলো কিন্তু ইয়াৰ ভুল উত্তৰ আহিছে। ইয়াত মই আছো নহয় চাবলৈ, কিন্তু ইয়াত কি হৈ আছে প্ৰত্যেকে কয় মোক অকণমান ক'বলৈ দিয়ক। এনেকুৱা কৰি থাকিলে কাম নহব। কিন্তু মই এই কথাটো বিচাৰো যে হাউচত কথা বিলাক ভালকৈ আলোচনা হওঁক। আজি আপুনি কবলৈ সেইকাৰণে সুযোগ পালে আৰু যিখিনি কথা ওলালে তেতিয়া প্ৰমাণ হল যে আপোনালোকৰ সদইচ্ছাটো আছিল। কিন্তু পিছত কি হ'ল সকলোৰে একেলগে কব ঠিয় হৈছে।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** মই থিয় হৈ আছো শৰ্মা ডাঙৰীয়া, আপোনালোকে বহক। মই আজি ইয়াত বিচাৰিছো যে যিখিনি কথা ইয়াত আলোচনা হয় তাৰ এটা মেচেজ বাহিৰত যাব লাগে। কিন্তু আমি যেতিয়া কিবা এটা বস্তুৰ উত্তৰ দিও তেতিয়া হুলস্থূল হয়। এতিয়া আপোনালোকেই কওঁক সকলো বস্তুৰে উত্তৰ পাব নেকি? আমি মাত্ৰ ৫ মিনিট ৰাখো প্ৰত্যেক সদস্যৰ কাৰণে। ড০ শৰ্মা ডাঙৰীয়াই যিটো কথা কৈছে যে সেইটো হয় মই ইয়াত একচন লব পাৰো, যেতিয়া কোনোৱা এজন সদস্যই অনবৰতে গণ্ডোগ'ল কৰি থাকে। কিন্তু মই ভাৱো যে যিবিলাক পুৰণি সদস্য তেওঁলোকে এইকথাবোৰ বুজাতো উচিত। এবাৰ মই এনেকুৱা কঠোৰ সিদ্ধান্ত লৈছিলো যাৰ বাবে প্ৰতিবাদও হৈছিল। কিন্তু আপোনালোকে যদি ভাৱে যে আমি যি কৈছো সেইটো হ'ব লাগিব, তাৰ উত্তৰ আহিব লাগিব সেইটো নহয়। হাউচত যেতিয়া Raise a issue, Minister will give the answer

and public will decide. সেই কাৰণে মই কৈছো যে আৰু হুলস্থূল নকৰিব, কাৰণ আজি বিল কেইবাখনো আছে। মন্ত্ৰীৰ এটা বক্তব্যও আছে। সেইকাৰণে মই কৈছো বাকী বিলাক কথা পাছত চাম।

.....................(সদনত হুলস্থূল).................

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** চাৰ, আপুনি যদি সিদ্ধান্ত কৰিছে যে হাউচটো ৰূপজ্যোতি কুৰ্মী আৰু কমলাক্ষ দে পুৰকায়স্থক দিছে তেতিয়াহলে আমিনো কোন? তেতিয়াহলে আমি যাওঁ চাৰ, আপোনালোক তিনিও জনে হাউচটো চলাওঁক।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ নিৰপেক্ষতাৰ ওপৰত মই সন্দেহ নকৰো।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** Please please, Minister please.

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী আৰু কমলাক্ষ দে পুৰকায়স্থ আপোনালোকে যদি এনেকৈ থাকে মই তেতিয়াহলে হাউচৰ পৰা বাহিৰ কৰি দিবলৈ বাধ্য হম। এনেকৈ নচলিব। আপুনি কিয় এনেকৈ কথা কৈ থাকে? ৰূপজ্যোতি কুৰ্মী I will take action now, either you sit down or you have to go away from the House.

.....................(সদনত হুলস্থূল).................

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়া ইয়ালৈ আহক, আহি ভালকৈ এটা সুন্দৰ পৰিবেশত সদনখন চলাত আমিও সহায় কৰিম। কেৱল অধ্যক্ষ মহোদয়, আমি বিৰোধী পক্ষত আছো আমাক কিছু কথা কবলৈ আপুনি সুবিধা দিছে, সুবিধা দিব লাগিব। আৰু আমি মন্ত্ৰী ডাঙৰীয়াকো কৈছো যে আজি ইয়াৰ পৰা ওলাই গৈছে এইটোৰ প্ৰতিবাদত বুলি।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, সেইটো নহয়।

**শ্ৰী ৰকিবুল হুছেইন ঃ** তেতিয়াহলে যাব পাৰে তেওঁৰ নিজা কামত।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** ৩০১ ত কব নোৱাৰে। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জনসাধৰণে আমাৰ এই ৰাইজৰ প্ৰতিনিধি সকলক চাই আছে যে ৰাইজৰ প্ৰতিনিধি সকলে আমাৰ সমস্যা বিলাকৰ সম্পৰ্কত কি ধৰণৰ কাৰ্য্যপন্থা হাতত লয়। কিন্তু দেখিছো যে এনেকুৱা এটা অচল অৱস্থাৰ সৃষ্টি কৰে যে কিবা এটা ৰাজনৈতিক মুনাফা লাভৰ কাৰণেহে যেন ইয়াত আহিছে।

**মাননীয় অধ্যক্ষ ঃ** Please, please.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** সেই অৱস্থাটো কিন্তু হ'ব নালাগে। এটা কথা আপোনালোকৰ যেনেকুৱা।

.....................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** The House adjourned for 15 minutes.

**মাননীয় অধ্যক্ষ ঃ** ৰমেন্দ্ৰ নাৰায়ণ কলিতা। সোনকালে ক'ব কাৰণ সময় কম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০১ নিয়মৰ অধীনত মই এটা গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মই দীঘলীয়া নকৰো। বিশেষ ভাবে যিহেতু 'অসমীয়া প্ৰতিদিন' কাকতত এই কথা খিনি প্ৰকাশ

পাইছিল, গতিকে নিশ্চয় মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ এইটো দৃষ্টিগোচৰ হৈছে আৰু বিশেষ ভাবে মই জানো যে কিউলেক্স নামৰ এবিধ মহে কামোৰিলে নিশ্চয় এই যিটো জাপানীজ এনকেফেলাইটিচ বেমাৰ এই বেমাৰ বিশেষকৈ মানুহৰ দেহত বিয়পি পৰে আৰু ইয়াৰ এটা তাৎপৰ্য পূৰ্ণ কথা যে এই যিবিধ মহ আছে, এই মহে বিশেষ ভাবে দিনৰ ভাগত কামোৰে। তাৰ ফলত এই মাৰাত্মক ৰোগতো হয় । বাতৰি কাকতত দিয়া তথ্য অনুযায়ী সমগ্ৰ অসমৰ প্ৰায় জিলাতে এই ৰোগতো সংক্ৰামিত হৈছিল আৰু ইয়াৰ ফলত প্ৰায় বাতৰি কাকতত দিয়া তথ্য অনুযায়ী ১০৮ জনৰ ইতিমধ্যে মৃত্যু হৈছে । প্ৰায় ৮ শতাংশ লোক আক্ৰান্ত হৈছে । আৰু চৰকাৰী তথ্য মতে কিমান সেইটো মই ভালদৰে নাজানো। নিশ্চয় স্বাস্থ্য মন্ত্ৰীয়ে অৱগত কৰিব । আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই জাপানীজ এনকেফেলাইটিচ ৰোগতো নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত উচিত সময়ত উচিত পদক্ষেপ লৈছে, মই ধন্যবাদ জ্ঞাপন কৰিছো । মাথোন দুটামান কথা ক'ব বিচাৰিছো যে এই ৰোগতো জুলাই, আগষ্ট মাহত বিশেষ ভাবে হয়। গতিকে এই ৰোগতো হোৱাৰ আগতে যিখিনি আগতীয়া প্ৰতিৰোধৰ ব্যৱস্থা, এই প্ৰতিৰোধৰ ব্যৱস্থাটোত কিছু ত্ৰুতি থকা যেন লাগে। কাৰণ ইয়াৰ মূল কথাটো হৈছে, ভেকচিন, চিতা ইয়াৰ আগতীয়া প্ৰতিকাৰৰ বাবে ভেকচিন, চিতা ল'ব লাগে আৰু দিয়া হৈছে যদিও কিছুমান এনেকুৰা ভিতৰুৱা অঞ্চল আছে যিবিলাক ভিতৰুৱা অঞ্চলত দিবলৈ সক্ষম হোৱা নাছিল। গতিকে মই আশা ৰাখিছো যে অনাগত দিনত যাতে এই যিটো ভেকচিন, চিতা দিয়া হয় তাৰ কাৰণে আগতীয়াকৈ কিছু কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰি ভেকচিন দিয়াৰ ব্যৱস্থা কৰা হয়। তাৰোপৰি ধোৱা দিবলাগে, সেই বিলাকৰ ক্ষেত্ৰতো কিছু ব্যৱস্থা স্বাস্থ্য বিভাগে ল'ব লাগে। যেতিয়া এই ৰোগতো হয় তেতিয়া আমাৰ যি কেইখন মেডিকেল মহাবিদ্যালয় হস্পিতাল আছে ইয়াত আই চি ইউ ৰ সংখ্যা সীমিত আৰু সেই সময়ত ইমান আই চি ইউ লাগে অকল এইটো বেমাৰেয় নহয় বিভিন্ন ৰোগত আক্ৰান্ত হৈ মানুহ আই চি ইউ ত থাকে, গতিকে আই চি ইউ ত থকা ৰোগী সকলক আতৰায় তেনেকুৱা ৰোগীক চিত দিব নোৱাৰে। গতিকে মাননীয় স্বাস্থ্য মন্ত্ৰীয়ে যিখিনি আমাৰ মেডিকেল কলেজ হস্পিতাল আছে, বিশেষকৈ আমাৰ গুৱাহাটী মেডিকেল কলেজ হস্পিতাল, ইয়াৰ আই চি ইউ ৰ সংখ্যাটো বৃদ্ধি কৰিব লাগে আৰু সমষ্টিত আগতীয়াকৈ ডাক্তৰৰ গ্ৰুপ কৰি যাতে চিতা দিয়াৰ ব্যৱস্থা কৰে বা ফগিং দিয়াৰবাবে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । Minister please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এটা অতি বিশেষ গুৰুত্বপূৰ্ণ ৰাজহুৱা স্বাস্থ্যৰ লগত জড়িত বিষয় এই সদনত উত্থাপন কৰাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো । অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগ, ভাৰত চৰকাৰ আৰু অসম চৰকাৰ আমি দুয়োটাই উদ্বিগ্ন হৈ আছো যে ৰাজ্যত যি ধৰণে ক্ৰম বৰ্ধমান ৰূপত জাপানীজ এনকেফেলাইটিচ ৰোগ বৃদ্ধি হৈছে সেইটো আমাৰ বাবে এটা গভীৰ উদ্বিগ্নতাৰ বিষয় । অধ্যক্ষ মহোদয়, ২০০৬ চনত মই প্ৰথমবাৰ স্বাস্থ্য মন্ত্ৰী ৰূপে দায়িত্ব গ্ৰহন কৰিছিলো আৰু সেই সময়ত এই বেমাৰ অসমৰ তেতিয়াৰ ৫ খন জিলাত সীমাবদ্ধ হৈ আছিল- গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ আৰু কিছু পৰিমানে ধেমাজি, লক্ষিমপুৰ theoretically ৬ জিলা বুলি আমি কব পাৰো। কিন্তু আজি এই বেমাৰ সংক্ৰমিত হৈছে আৰু ২৭ খন জিলালৈকে ই বিয়পিছে । আমি খুব উদ্বিগ্ন যে এই বেমাৰটোৱে অসমত এটা এপিডেমিক পৰ্য্যায়লৈকে যাব পাৰে। তাৰ মূল কাৰণটো হ'ল অধ্যক্ষ মহোদয় এই বেমাৰটো কেনেকৈ আহে যে আমাৰ কিছুমান চৰাই আছে যিটো অসমত প্ৰায়ে দেখা পাও বগলী, কনামচুৰী আদি। এই ধৰণৰ চৰাই বিলাকে যেতিয়া নিজৰ মল-মূত্ৰ ত্যাগ কৰে আৰু কিউলেক্স নামৰ মহটোৱে যেতিয়া এই মল-মূত্ৰ সেৱন কৰি মানুহক কামোৰে তেতিয়া মানুহৰ গাত

এই ৰোগতো হয়। যদি এটা চৰাইয়ে মল-মূত্ৰ ত্যাগ কৰিলে তাতেই মহে মল-মূত্ৰটো খালে আৰু কমোৰিলে তেতিয়া চক্ৰটো ইমানতেই শেষ হৈ যায়। সেই কাৰণে কিছুমান গাওঁত দেখিব যে এজন লোকৰ কেৱল জাপানীজ এনকেফেলাইটিচ হয়। কিন্তু বিষয়টোৱে আৰু জটিল ৰূপ ধাৰণ কৰে যেতিয়া সেই মহটোৱে গাহৰিক কামোৰে তেতিয়া হ'লে গাহৰিটো জাপানীজ এনকেফেলাইটিজৰ এটা জীৱন্ত ভড়াল হৈ পৰে। তাৰ পিছত যিটো মহে গাহৰিটোক কামোৰে আৰু গৈ মানুহক কামোৰাৰ লগে লগে সেই ঠাইলৈ সংক্ৰমিত হয় । অসমত এই ৰোগতো নোহোৰা কৰিবৰ কাৰণে আমি প্ৰচেষ্টা লৈছিলো। প্ৰথমে আমি শিশু সকলক ভেকচিন দিয়া আৰম্ভ কৰিলো । আজি আমি এটা কথা লক্ষ্য কৰিছো যে Children coverage বাঢ়ি যোৱাৰ কাৰণে অসমত জাপানীজ এনকেফেলাইটিচত শিশু সকলৰ মাজত মৃত্যুৰ সংখ্যা লাহে লাহে কমিছে। আমি ২০১৪-১৫ ত নিৰবিচ্ছিন্ন ভাবে ভেকচিনদি আছিলো। ২০১৬ চনত যেতিয়া আমাৰ বিজিপি চৰকাৰ প্ৰথম আহিছিলে তেতিয়া আমি ভেকচিন দিয়াৰ ব্যৱস্থা কৰাৰ লগে লগে অসমৰ এটা বিশেষ সম্প্ৰদায়ৰ মাজত এটা প্ৰতিবাদ আৰম্ভ হল যে এই ভেকচিনটো গৰ্ভ ধাৰণৰ কাৰণে দিয়া ভেকচিন আৰু ভেকচিনটো মানুহে নোলোৱা হল। আমাৰ স্বাস্থ্য বিভাগৰ কৰ্মীসকলে বহুত চেষ্টা কৰিলে ময়ো appeal কৰিলো আমি ইলিয়াছ আলিৰ দৰে লোককো কলো যে তেওঁলোকক বুজাওক। কিন্তু যিকোনো কাৰণতে নহওক মানুহৰ মনত এটা অবিশ্বাসৰ বাতাবৰণ সৃষ্টি হ'ল আৰু সেই বাতাবৰণৰ কাৰণে আমি চলাই থকা ভেকচিনৰ যিটো প্ৰক্ৰিয়া তাত এটা বাধা আহি পৰিল। তাৰ ফলত এইবাৰ আমি দেখা পাইছো যে মৃত্যুৰ সংখ্যা সেই জিলাবিলাকতে আটাইতকৈ বেছি বাঢ়িব ধৰিলে। যদি আমি চাব যাও, বৰপেটা, দৰং জিলাত ৮ জনলোকৰ মৃত্যু হল, ধুবুৰীত ৯ জনলোকৰ মৃত্যু হল, গোৱালপাৰাত ১২ জনলোকৰ মৃত্যু হল । সেই ধৰণে সেই বিশেষ সম্প্ৰদায়ে বাস কৰা অঞ্চল বিলাকত যিহেতু সেই অঞ্চলবোৰত খেতিও বেছি হয় আৰু চৰাই, পতঙ্গও তাত বেছি আহে সেই অঞ্চল বিলাকলৈ অতি সোনকালে এই বেমাৰ বিয়পিবলৈ আৰম্ভ কৰে । অধ্যক্ষ মহোদয় জাপানীজ এনকেফেলাইটিচ ৰোগৰ কোনো treatment নাই। ই অকল synthetic treatment . যিবিলাক মানুহ আই চি ইউ ত treatment কৰিছে, ওলাই গৈছে, তেওঁলোক জীৱনৰ কাৰণে পঙ্গু হৈ পৰিছে । দেখিলে বেয়া লাগে। তেওঁলোক আৰু সুস্থ জীৱন-যাপন কৰিব নোৱাৰে। আমি বহুত ব্যৱস্থা লৈছো আই চি ইউ ফ্ৰী কৰি দিছো, প্ৰাইভেট হস্পিতালত আই চি ইউত গ'লেও১ লাখ টকালৈকে আমি তেওঁলোকক অনুদান দিছো । ইয়াৰ যিটো testing kit তাক আমি প্ৰত্যেক খন জিলালৈকে দিছো।

১২৫ জন লোকৰ মৃত্যু হৈছে, মোৰ হাতত থকা শেহতীয়া খবৰ মতে। অহা দিনবিলাকত এই ৰোগটোৱে ভয়াবহ ৰূপ ধাৰন কৰাৰ সম্ভৱনা আছে। গাহৰীৰ তেজ খোৱাৰ পিছত এই ৰোগৰ বাহক মহটো উন্মাদ হৈ পৰে । কিন্তু গাহৰীৰ গড়ালৰ কাষত যদি গৰু বা ঘোঁৰা থাকে তেন্তে ৰোগটো নিবিয়পে কাৰন গৰু বা ঘোঁৰাক কামোৰাৰ লগে লগে এই মহটো মৰে। কিন্তু খেতি পথাৰত কিমান চৰাইয়ে মল মুত্ৰ ত্যাগ কৰিব আৰু সেই বাহক মহে সেই চৰাইজনীক কামুৰি পিছত খেতিয়কজনক কামুৰিব তাক আমি প্ৰতিষেধক দি মহটো মাৰি আমি নোহোৰা কৰিব নোৱাৰো । তাৰ প্ৰতিষেধকটো হ'ল চিটা । কিন্তু এই চিটাটোৱেও ৮০ জন লোককহে প্ৰতিষেধক দিয়ে। অৰ্থ্যাৎ ১০০ জন লোকে বেজী লোৱাৰপিছতো ৮০ জনৰ গাতহে কাম কৰিব ২০ জনৰ ক্ষেত্ৰত কাম নকৰে। কিন্তু হ'লেও সমাজত ১০০ জনৰ ৮০ জন লোক নিৰাপদ হ'ব। আপোনালোকে স্বাস্থ্য বিভাগক ব্যৰ্থ বা কৃতকাৰ্য্য বুলি কয়। হয় মই স্বীকাৰ কৰো যে ভেকচিনেশ্যনৰ ক্ষেত্ৰত ৰাইজক সজাগ কৰিব নোৱাৰাটো আমাৰ এটা দুৰ্বলতা । বি জে পিৰ চৰকাৰ অহাৰ পিছত এটা বিপৰীত ধাৰণাৰ সৃষ্টি কৰা হৈছিল।

গোটেই ভেকচীন প্ৰগ্ৰেমটো ৰিজেক্ট কৰাৰ বাবে আমাৰ সমাজে যথেষ্ট ক্ষতিপূৰণ দিবলগীয়া হ'ল। কিন্তু সেই অঞ্চলবিলাকত শিশুসকলক ভিকচিনেশ্যন দিয়া চলি আছে। ভেকচিনে শিশুসকলক দি আছে কিন্তু এডাল্টে নলয়। সেই কাৰণে এতিয়া শিশুৰ মৃত্যুৰ হাৰ খুব কম। ১ নবেম্বৰৰ পৰা আমি veccination আৰম্ভ কৰিম। বিধায়কসকলৰ নেতৃত্বত আমি Tusk Force কৰিম। আমি এইবাৰ veccine বেছি অনাৰ বাবে চেষ্টা কৰিম। veccination টো সফল যদি আমি কৰিব পাৰো তেতিয়া হ'লে এই বেমাৰটোৰ পৰা আমি অসমক ৰক্ষা কৰিব পাৰিম। এই ক্ষেত্ৰত সকলোৰে সহযোগ আমাক লাগিব। কাৰণ চৰাই আৰু মল মুত্ৰ এইটো আমিতো কোনেও কনট্ৰ'ল কৰিব নোৱাৰো। গতিকে এই প্ৰকৃতিক চাৰ্কোলটোৰ আমি বলি হৈ যাম যদিহে আমি veccination টোত গুৰুত্ব আৰোপ নকৰো। শিৱসাগৰ জিলাত খুব ভাল ভেকচিনেশ্যন হৈছিল। সেই কাৰণে শিৱসাগৰ জিলাত মৃত্যুৰ হাৰ , আগতে য'ত ২৮-২৯ আছিল এতিয়া ৩-৪ লৈকে নামি আহিছে। গতিকে শিৱসাগৰ জিলা জ্বলন্ত প্ৰমান যে ভেকচিনেশ্যন হ'লে আমি এই বেমাৰটো কনট্ৰ'ল কৰিব পাৰো। মই আশা কৰিম- এই ৰোগটো লৈ মানুহৰ মাজত সজাগতা বৃদ্ধি হৈছে। মানুহে জানিবলৈ চেষ্টা কৰিছে- হাউচে যদি একেলগে থিয় হয় তেন্তে সকলোৰে মিলি আমি নভেম্বৰৰ পৰা ভেকচিনেশ্যনটো আৰম্ভ কৰিম। বিশেষকৈ ধুবুৰী-বৰপেটা- গোৱালপাৰা-দৰং - নগাও- মৰিগাওঁ- জিলাৰ সন্মানীয় বিধায়কসকলক মই অনুৰোধ কৰিম যে আপোনালোকেও নিজৰ নিজৰ পৰ্য্যায়ত সজাগতা সৃষ্টিৰ চেষ্টা কৰক । ইয়াৰ লগত কোনো জন্মনিয়ন্ত্ৰনৰ কথা নাই। এই ভেকচিনৰ লগত কোনো বেলেগ কথা জৰিত নাই। এনেকুৱা নহয় যে এই ভেকচিনটো বি জে পিয়ে ইনট্ৰডিউচ কৰিছে ২০০৬ চনৰ পৰা এই ভেকচিনটো আমি চলাই আছো। গতিকে আপোনালোকে সহযোগ কৰিলে অহা বছৰ আমি বেছিকৈ well prepare হ'ব পাৰিম। কিন্তু এইটো সত্য আৰু দুৰ্ভাগ্যজনক যে ১২৫ জন লোকক আমি আমাৰ মাজৰ পৰা হেৰুৱাইছো। আৰু প্ৰায় ৫৫৪ জন লোক ইয়াত আক্ৰান্ত হৈছিল । বাকীসকলক আমি সুস্থ কৰি ওভতাই পঠিয়াব পাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ২ বাজিবলৈ অলপ সময় আছে । মই অলপ সময় ল'ম।

**শ্ৰীৰকিবুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, যিটো Constructive কথা ইয়াত দাঙি ধৰিছে, যিটো ভয়াৰহতাৰ ছবি দাঙি ধৰিছে, ১২৬ গৰাকী বিধায়ককে ৰিকুৱেষ্ট কৰিছে, সেইটো সকলোৰে সহযোগত যদি ব্যাপক সজাগতা কৰা নাযায়, এই ভয়াৱহ ৰোগটোৰ ৰোধৰ ক্ষেত্ৰত আমাৰো এটা দায়িত্ব আছে অধ্যক্ষ মহোদয়, প্ৰতিটো সমষ্টিত এটা ভাল বাৰ্ত্তা যাব। তেখেতে যিটো Appeal কৰিছে আমাক সকলোকে মই ভাবো যে , এইটো এটা প্ৰস্তাৱ ল'ব লাগে। মই নিজেও জনা নাছিলো যে, এই ৰোগটোত ভূগি আই চি ইউ থাকিলেও জীৱনৰ কাৰণে পংগু হ'ব লাগে। গতিকে এইটো এটা Collective Decision ল'লে ভাল হ'ব অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ ৪ নং আইটেম। Dr.Himanta Biswa Sarma to present The Supplimentary demand and the Supplimentary appropriation for the year 2019-2020 . কপিটো Distribute কৰি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে এই বিত্তীয়বৰ্ষৰ Supplimentary demand Grants সদনৰ অনুমোদনৰ কাৰনে উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিত্ত মন্ত্ৰীয়ে পুনৰ পৰিনাম বাজেট (Out come Budget) ৰ

ওপৰত এক বিবৃতি দিব।

**ডº হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, বিবৃতিটো অলপ দীঘলীয়া আছে। কিন্তু প্ৰত্যোকবাৰ বাজেট যেতিয়া আমি উত্থাপন কৰো। অসমে এখন ৰাজ্য য'ত আমি বিধান সভাক জনাইছিলো যে আমি অকল বাজেট উত্থাপন নকৰো। বাজেট ভাল বা বেয়া আমি সদনক স্পষ্টভাবে জনাম। যোৱাবাৰ বিধান সভাত আমি যিধৰণে পৰিনাম বাজেটখন দিছিলো , তেতিয়া সেই পৰিণাম বাজেটখন আমি Tentative বুলি কৈছিলো কিন্তু আজি যিখন Accountant General য়ে Report দিছে। তাতে আমি যিধৰণে reflect কৰিছিলো যে আমি ৭০ শতাংশ খৰছ কৰিম, বা যি কৈছিলো গোটেইখিনি এইবাৰো সদৃশ ভাবে এ জিৰ ৰিপোৰ্টত একে কথাই ৰিফ্লেক্ট কৰিছে। অৰ্থাৎ পৰিনাম বাজেটখন, হাউছত দিয়াৰ বাবে এটা নতুন পৰম্পৰা যোৱা দুটা বছৰত নিৰ্মাণ কৰিছো। আজি এ জিৰ ৰিপোৰ্টখনে সেই পৰম্পৰাক স্বীকৃতি দিছে। তাৰ মানে All the figures We have projected has almost come to be true after full year of accounting . সেই কাৰণে অধ্যক্ষ মহোদয়, এইবাৰো - যোৱা বিত্তীয় বৰ্যত২০১৮-১৯ত মই যিখন বাজেট দিছিলো সেই বাজেটৰ পৰিনাম বাজেট মই পবিত্ৰ সদনত দাখিল কৰিব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনৰ নিশ্চয় মনত আছে যে ২০১৬ বৰ্ষৰ ২৪ মে তাৰিখে আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিচত জুন মাহৰ ৩ তাৰিখে এই সদনৰ মজিয়াত ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ ধাৰণা দিবলৈ মই এক শ্বেত পত্ৰ উত্থাপন কৰিছিলো। সেই শ্বেত পত্ৰত উত্থাপন কৰা হৈছিল ৰাজ্যৰ বিত্তীয় ব্যৱস্থাপনাৰ আঁসোৱাহসমূহ দূৰ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ এক প্ৰয়াসস্বৰূপ। অত্যন্ত দুখেৰে মই সদনক জনাইছিলো যে যিখন অসম ভাৰতৰ স্বাধীনতাৰ সময়ত উন্নত ৰাজ্যসমূহৰ এখন আছিল, সেইখন অসম এতিয়া দেশৰ অন্যতম অৰ্থনৈতিকভাবে অনগ্ৰসৰ ৰাজ্যত পৰিনত হৈছে। ৰাজহুৱা বিত্তীয় ব্যৱস্থাক শক্তিশালী ৰূপত গঢ় দিয়াৰ বিষয়ে মই সেই সময়ত গুৰুত্ব দিছিলো আৰু আভ্যন্তৰীন ৰাজহ বৃদ্ধিৰ ওপৰত গুৰুত্ব দি ( Restructuring Systems and technology for Augmentation of Resources for Transformed Assam) অৰ্থাৎ ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৰ্ধনৰ অৰ্থে প্ৰণালী আৰু তথ্যৰ পুনৰ নিৰ্মানৰ দৰে কাৰ্য্যসূচী ৰূপায়ণৰ ওপৰত গুৰুত্ব দিছিলো। কোৱা বাহুল্য মাথোঁ যে যথোচিত পৰিমানৰ বিকাশমূলক কাম-কাজৰ বাবে প্ৰয়োজন হোৱা বৃহৎ ধনৰাশিৰ জোৰা মাৰিবৰ বাবে অতিৰিক্ত ৰাজহ আহৰণৰ উদ্দেশ্য লৈয়ে এনে কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল।

চৰকাৰী ৰাজহৰ হৰলুকি ৰোধকৰণ, কৰাৰোপণ, ব্যৱস্থাৰ নিছিদ্ৰকৰণ, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু কঠোৰ হাতেৰে দুৰ্নীতি দমনৰ ক্ষেত্ৰত আমাৰ অবিৰাম চেষ্টাই ফল দিবলৈ আৰম্ভ কৰিছে।

**বাৰ্ষিক বাজেটঃ** উন্নয়নৰ উৎক্ষেপন মঞ্চ বাজেট ব্যৱস্থাৰ পবিত্ৰতা পুনৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিগত বৰ্ষকেইটাত আমি আমাৰ আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছো। ভাৰতৰ প্ৰথমখন ই-বাজেট দাখিলৰ প্ৰক্ৰিয়া, বাজেট প্ৰস্তুতকৰণত নাগৰিকৰ সক্ৰিয়তা, বাজেট ৰূপায়ণৰ প্ৰতিবেদন দাখিল তথা শিশুৰ বাবে বাজেট আদি বিভিন্ন কাৰ্য্যৰূপায়ণে সেই কথা প্ৰমাণ কৰিছে।

ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ কাৰ্য্যসূচীত যাতে কোনো নাগৰিকেই বাদ পৰি নাযায়, তাৰ বাবে বিভিন্ন কাৰ্য্য ৰূপায়ণত আমি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ 'সবকা সাথ সবকা বিকাশ'ৰ ধ্বনি অনুকৰণ কৰি আগবাঢ়িছো। আমাৰ ৰাজ্যৰ নাগৰিক সকলৰ জীৱনৰ ৰূপান্তৰ সাধন কৰিবলৈ আমাৰ চৰকাৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

২০১৬-১৭ চনৰ বাজেটখন সেই দিশৰ পৰা আমাৰ আৰ্থিক আৰু সামাজিক বিকাশৰ ভেঁটিস্বৰূপ আছিল। আমাৰ চৰকাৰৰ বাবে অসমৰ জনসাধাৰণহৈ হৈছে প্ৰকৃত জনাৰ্দন। যাৰ সেৱাৰ বাবে আমাৰ চৰকাৰ বদ্ধপৰিকৰ। শেষ বিন্দু তেজ থকালৈকে জনতাৰ সেৱাই হ'ব আমাৰ বাবে সৰ্বোচ্চ প্ৰাথমিকতা।

বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণ মুক্ত এয়াই হৈছে মাননীয় মুখ্যমন্ত্ৰীয়ে এইখন চৰকাৰৰ বাবে নিৰূপিত কৰা মূলমন্ত্ৰ। ২০১৭-১৮ বৰ্ষৰ বাজেটত মই প্ৰথমবাৰৰ বাবে ১৮ খন ধ্বজাবাহী আঁচনিৰ এটি সংহতিক এধাৰি মালাৰ ৰূপত সজাই অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ ধাৰণাটো সৃষ্টি কৰিছিলো। সাধাৰণতে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগতহে ধ্বজাবাহী আঁচনি ৰূপায়ণ হোৱা দেখা যায় যদিও আমিও অসম চৰকাৰৰ তৰফৰ পৰা ধ্বজাবাহী আঁচনিৰ ৰূপায়ণ কৰাৰ স্বপ্ন দেখিছিলো আৰু সম্পূৰ্ণ ৰাজ্যিক পুঁজিৰে তাৰ ৰূপায়ণৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস কৰিছিলো।

অষ্টাদশ মুকুতাৰ উন্নয়নী মালাই বিগত সময়ক অসমত এক আশা আৰু উৎসাহৰ বাতাবৰণ যে সৃষ্টি কৰিছে সন্মানীয় সদস্য সকল নিশ্চয় তাত একমত হ'ব। এই মালাধাৰে সংশ্লিষ্ট পক্ষৰ মনত কোন বছৰ, কোনখন আঁচনি গ্ৰহণ কৰা হৈছে তাক জনাৰ বাবে একধৰণৰ উৎসুকতাৰো সৃষ্টি কৰা দেখিবলৈ পোৱা গৈছে।

সন্মানীয় সদস্যসকল অৱগত যে আমি ১৮ খন আঁচনিৰ এই মালাধাৰৰ তালিকাখন প্ৰগতিশীল কৰি ৰাখিছো। এটা বিত্তীয় বৰ্ষৰ শেষত প্ৰতিখন আঁচনিৰ ৰূপায়ণ মূল্যাংকণ কৰি তাৰ প্ৰাসংগিকতা, নাগৰিকৰ মতামত আৰু ৰূপায়ণৰ প্ৰগতিৰ খতিয়ান লৈ আমি কেতবোৰ আঁচনি পুনৰ বলৱৎ কৰো আৰু কেতবোৰ সালসলনি ঘটোৱাৰ সিদ্ধান্ত লওঁ। ১৮ খন আঁচনিৰ প্ৰতিখনেই একেদৰে ৰূপায়িত নহবও পাৰে অথবা সমানে সফলতা লাভ নকৰিবও পাৰে। সেই বিষয়েও আমি সচেতন। তেনে প্ৰেক্ষাপটত আমি প্ৰতিখন আঁচনিকেই আমাৰ সাধ্যানুসাৰে ৰূপায়ণ কৰাৰ প্ৰয়াস কৰিছো। কোৱা হয় যে বাৰম্বাৰ চেষ্টাৰ পৌনঃপৌনিক ফলেই হৈছে উৎকৰ্ষ সাধন। সেইবাবে মোৰ বিশ্বাস যে আমাৰ চেষ্টাই ফল দিব আৰু আঁচনিসমূহৰ বেছিসংখ্যকেই বিকাশৰ দিশত প্ৰভাৱ পেলাই নাগৰিকৰ জীৱনৰ ৰূপান্তৰ সাধন কৰিবলৈ সক্ষম হ'ব।

২০১৮-২০১৯ চনৰ বাজেটখন তিনিটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠা হৈছিল। সেই স্তম্ভ কেইটা আছিল একত্ৰীকৰণ বিগত দুবছৰৰ নীতি আৰু কাৰ্য্যক্ৰমৰ একত্ৰীকৰণ, সম্প্ৰসাৰণ - আমাৰ দৰ্শন আৰু উচ্চাভিলাষাৰ শ্ৰীবৃদ্ধি আৰু উত্তৰণ- আমাৰ চৰকাৰৰ কৰ্ম-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ জৰিয়তে আমাৰ আকাংক্ষাসমূহৰো সঞ্জীৱিতকৰণ।

**দ্ৰুততৰ বিকাশ, উন্নত ফল ঃ**

বিগত তিনিটা বৰ্ষক অসমক এখন 'নতুন অসম'লৈ ৰূপান্তৰিত কৰিবলৈ আমি এলানি পদক্ষেপ, অভিযোজনা আৰু আঁচনি গ্ৰহণ কৰিছো।

এডভাণ্টেজ আসামৰ পৰা গুণোৎসৱলৈ, চাহ বাগিছা ধন পুৰস্কাৰ মেলাৰ পৰা অটল অমৃত অভিযানলৈ, অসম মালাৰ পৰা সাৰ্বজনীন পেঞ্চন আঁচনিলৈ সকলোতে ৰূপান্তৰণৰ এটা নিৰন্তৰ প্ৰক্ৰিয়া সকলোৰে সন্মুখত দৃশ্যমান হৈ উঠিছে।

২০১৮-২০১৯ বৰ্ষৰ বাজেটত ঘোষণা কৰা কেতবোৰ আঁচনিৰ কাৰ্য্যল ৰূপায়ণ সম্পৰ্কে মই এইখিনিতে এক বিৱৰণ দাঙি ধৰিব খুজিছো।

**ধ্বজাবাহী আঁচনিৰ ৰূপায়ণৰ খতিয়ান (বাজেট ২০১৮-২০১৯ ) ঃ**

প্ৰাথমিক বিদ্যালয়ৰ অতিৰিক্ত শ্ৰেণীকোঠা, বিভাজক দেৱাল আৰু বৈদ্যুতিক সংযোগ

অধ্যক্ষ মহোদয়, ২০১৮-২০১৯ বৰ্ষৰ বাজেটত অতি উদ্বেগেৰে অসমৰ শ শ বিদ্যালয়ৰ প্ৰাথমিক সা-সুবিধাৰ যেনে অতিৰিক্ত শ্ৰেণীকোঠা, বিভাজক দেৱাল, বৈদ্যুতিক সংযোগৰ অভাৱৰ কথা মই উল্লেখ কৰিছিলো আৰু সেই অভাৱ মোচনৰ বাবে সেই বাজেটত এক বৃহৎ পুঁজি ধাৰ্য্য কৰা হৈছিল।

মই উল্লেখ কৰাৰ দৰে ২০১৮-২০১৯ বিত্তীয় বৰ্ষত বিদ্যালয় গৃহৰ উন্নয়নৰ বাবে নাবাৰ্ডে ৪৩৮ কোটি টকা মঞ্জুৰ কৰিছে আৰু অতিৰিক্ত মঞ্জুৰীৰ বাবে অতি শীঘ্ৰে নাবাৰ্ডলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব।

মই আশাবাদী যে ২০১৯-২০২০ বিত্তীয় বৰ্ষত শিক্ষা বিভাগে আঁচনিখনৰ ফলপ্ৰসুতাৰে ৰূপায়ণ কৰিব পাৰিম।

**তেজস্বী নৱধিতম অস্তু শৈক্ষিক আন্তঃগাঁথনি পুঁজি ঃ**

২০১৭-২০১৮ বৰ্ষৰ বাজেটৰ বৃত্তিমুখী মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ বিকাশৰ বাবে উৎসৰ্গীকৃত পুঁজি ধাৰ্য্য কৰিবলৈ আমি তেজস্বী নৱঅধিতম অস্তু শিক্ষা আন্তঃগাঁথনি পুঁজি নামেৰে এখন ঘোষণা কৰিছিলো। ৩১ খন বৃত্তিমুখী মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ে তিনিৰ পৰা চাৰি বছৰৰ ভিতৰত ৰূপায়ণ কৰিব লগা প্ৰকল্পৰ বিপৰীতে ৬৬৭ কোটি টকাৰ অনুদান আবণ্টন কৰা হৈছিল। ইতিমধ্যে উচ্চ শিক্ষাৰ বিভিন্ন প্ৰতিষ্ঠানলৈ বিগত বৰ্ষকেইটাত প্ৰায় ৩০০ কোটি টকা মোকলাই দিয়া হৈছে আৰু এই কথা ক'বলৈ পাই মই সুখী হৈছো যে এই বিনিয়োগে ফল দিবলৈ আৰম্ভ কৰিছে আৰু এই শিক্ষানুষ্ঠান সমূহৰ মাজত আঁচনিখনে পুনৰুত্থানৰ এক লহৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

**সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীৰ বাবে জলপানী আঁচনি ঃ**

মহোদয়, এই আঁচনিখন ৰূপায়ণৰ বাবে শিক্ষা বিভাগেই অধিক উপযোগী হ'ব বুলি ঘোষণা কৰি আঁচনিখন ২০১৮-২০১৯ বিত্তীয় বৰ্ষৰ মাজতে সমাজসেৱা বিভাগৰ পৰা শিক্ষা বিভাগলৈ স্থানান্তৰ কৰাৰ বাবে দুৰ্ভাগ্যক্ৰমে এই আঁচনিখন ৰূপায়িত কৰিব পৰা নগ'ল। বৰ্তমান শিক্ষা বিভাগে আঁচনিখনৰ ৰূপায়ণৰ বাবে নীতি নিৰ্দেশনা প্ৰস্তুত কৰি আছে।

অধ্যক্ষ মহোদয়, আমি আঁচনিখন ৰূপায়ণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ শীঘ্ৰে ৰূপায়ণৰ বাবে এই বছৰ ২০০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

**কনকলতা মহিলা সৱলীকৰণ যোজনা ঃ**

সমগ্ৰ ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিৰ কমেও ১০০০ মহিলা আত্মসহায়ক গোটক উৎসাহিত কৰিবলৈ মূলধনী ৰাজসাহায্যযুক্ত ঋণ সৰ্বোচ্চ পাঁচ লাখ টকালৈকে আগবঢ়াবৰ বাবে আমি কনকলতা মহিলা সবলীকৰণ যোজনাখন আৰম্ভ কৰিছিলো। বৰ্তমানলৈকে প্ৰায় ১.৫৪ লাখ আত্মসহায়ক গোট লৈ ২১৯.৮ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। ইয়াৰ ভিতৰত ৰাজ্যৰ Non Intersive Developmental Block ৰ অন্তৰ্গত ১,০৯,৮৫৭ টা আত্মসহায়ক গোটৰ প্ৰতিটোৰে ১০ হাজাৰ টকাকৈ পুনৰাৱৰ্তনীয় পুঁজি (Revolving Fund) লাভ কৰাৰ বিপৰীতে Non Intersive Developmental Block ৰ অন্তৰ্গত ৪৩,৯৭৪ টা আত্মসহায়ক গোটে ২৫ হাজাৰকৈ পুনৰাৱৰ্তনীয় পুঁজি লাভ কৰিছে।

সদনৰ সন্মানীয় সদস্যসকল অৱগত যে ২০১৯-২০ বৰ্ষৰ বাজেটত বিস্তাৰিত কনকলতা মহিলা সৱলীকৰণ যোজনাখন ঘোষণা কৰা হৈছিল। ইয়াৰ যোগেদি অসমৰ অতিৰিক্ত ৬৩ হাজাৰ

আত্মসহায়ক গোটলৈ বেঙ্ক ঋণৰ বিপৰীতে ৫০ হাজাৰ টকাকৈ মূলধনী ৰাজসাহায্য আগবঢ়োৱা হৈছে। তদুপৰি ঋণৰ বিপৰীতে তিনি শতাংশলৈকে সূদৰ ৰেহাই মঞ্জুৰ কৰা হৈছে। আঁচনিখন ৰূপায়ণৰ ৰূপৰেখা প্ৰস্তুত কৰি থকা হৈছে।

মহোদয়, এই আঁচনিখনে সমগ্ৰ ৰাজ্যজুৰি মহিলাসকলৰ মাজলৈ অৰ্থনৈতিক আৰু বিত্তীয় সবলীকৰণৰ যি লহৰ সঞ্চাৰ কৰিছে সি আমাকো গভীৰ সন্তুষ্টি আৰু উৎসাহ যোগাইছে। এনে কেইটামান সাৰ্থক উদাহৰণ সদনৰ মজিয়াত উত্থাপন কৰিব খুজিছো।

ডিব্ৰুগড় জিলাৰ পানীতোলা উন্নয়ন খণ্ডৰ নদোৱা গাঁও পঞ্চায়তৰ সাৰথি আত্মসহায়ক গোটৰ মহিলাসকলে চেগা-চোৰোগাকৈ আচাৰ, ফলৰ ৰস আদিৰ প্ৰস্তুত কৰা কাম কৰি সীমিত সফলতাৰ মুখ দেখিছিল। ২৫ হাজাৰ টকাৰ এক পুনৰাৱৰ্তনীয় পুঁজি (Revolving Fund) লাভ কৰাৰ পিছত এই আত্মসহায়ক গোটটোৱে গতি লাভ কৰাই নহয়, ৩৫,৫০০ টকাৰ বিক্ৰী কৰি ১৪ হাজাৰ টকাৰ মুনাফা অৰ্জন কৰিবলৈও সক্ষম হয়। তদুপৰি গোটটোৱে ব্যৱসায় অনুজ্ঞা আইন আৰু FSSAI অধীনত পঞ্জীয়ন কৰাৰ উপৰি নিজৰ উৎপাদিত সামগ্ৰীবোৰক 'সুস্বাদু' মাৰ্কা (Brand) ৰূপে পঞ্জীয়ন কৰাইছে।

একেদৰে কাছাৰ জিলাৰ, সোনাই উন্নয়ন খণ্ডৰ সোনাবৰী ঘাট গাওঁ পঞ্চায়তৰ ইন্দিৰা আত্মসহায়ক গোটৰ সদস্যসকলে কনকলতা মহিলা সবলীকৰণ যোজনাৰ অধীনত সাফল্যৰ ন কাহিনী ৰচনা কৰিছে। এই গোটৰ সদস্যসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দশক দশক জুৰি তেওঁলোকে বাঁহ শিল্পৰ সৈতে জড়িত হৈ থাকি পৰম্পৰাগত ভাৱে খৰাহি, ঢাৰী আদি নিৰ্মাণ কৰি সাপ্তাহিক বজাৰত বিক্ৰী কৰি আহিছে। আঁচনিখনৰ অধীনত ১০ হাজাৰ টকাৰ পুঁজি লাভ কৰি তেওঁলোকে বাঁহৰ পৰা বিচিত্ৰ ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰে আৰু বৰ্তমান প্ৰতিগৰাকী সদস্যৰ মাহিলী আয় প্ৰায় ৩০০০ টকালৈ বৃদ্ধি পাইছে।

এক ঋন নিশ্চিত আচঁনি গ্ৰহণ কৰা হৈছিল যাতে ঋণৰ জৰিয়তে মূলধন লাভৰ ক্ষেত্ৰত জটিলতা লাঘৱ হয়, কিন্তু মাননীয় অধ্যক্ষ মহোদয়,এই আঁচনিখন আমি ৰূপায়ন কৰিব নোৱাৰিলো। যিহেতু আমি ৰূপায়ন কৰিব নোৱাৰিলো এই বাৰ আমি সিদ্ধান্ত লৈছো যে এই বছৰ যিমানে লোণ লব সুক্ষ্ম আৰু মজলীয়া খণ্ডত প্ৰতিটো লোণৰ বিপৰীতে আমি **৫০** হাজাৰ টকাকৈ ৰাজ সাহাৰ্য্য দিম। তাৰমানে যোৱাবাৰ দুখন আঁচনি ৰূপায়ন কৰিব নোৱাৰিলো Minority scholarship আৰু আনখন হৈছে Industry Credit Guarantee fund. out of eighteen. তাৰমানে **১৬**খন পাৰিলো দুখন নোৱাৰিলে। তাৰ বাবে এই scheme টো এইবাৰ modify কৰি লৈছো যে আমি **৫০** হাজাৰ টকা কোনোবাই মুদ্ৰা লোণ লৈছে কিবা লৈছে, তাত আমি subsidy দিম। আমি scheme টো amendment কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, State Level Mega Skill Development scheme, এই আঁচনিখনৰ যোগেদি আমি ৰাজ্যখনৰ যুৱক যুৱতীক দক্ষতাৰ বিকাশৰ বাবে এক প্ৰশিক্ষণৰ কাৰ্য্যসূচী আৰম্ভ কৰিছিলো। **২০১৮-১৯** চনৰ বাজেটত আমি ডেৰলাখ যুৱক-যুৱতীক সাঙুৰি লোৱাৰ লক্ষ্য স্থিৰ কৰিছিলো। সমগ্ৰ দেশত ৰূপায়িত হোৱা এনেধনৰণ আঁচনিৰ ভিতৰত আমি গ্ৰহণ কৰা আঁচনিখনে হৈছে বৃহত্তম আঁচনি। আমাৰ লক্ষ্য পূৰণৰ বাবে আমি **৩৩** খন জিলাত **৪৯৭** টা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছো আৰু **১৮৯** জন প্ৰশিক্ষক প্ৰতিষ্ঠানত নিয়োগ কৰিছো । মই পবিত্ৰ সদনক জনাবলৈ পাই গৌৰৱ অনুভৱ কৰিছো যে বৰ্তমানলৈকে **৩৪,২৩৫** গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে। **১৫,৭৬৫** গৰাকীয়ে বৰ্তমান প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। **২৩,৬৪২** গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছে আৰু **১২,৫৪৪** গৰাকী লৰা-

ছোৱালীয়ে কৰ্মত নিয়োজিত হবলৈ সক্ষম হৈছে। যদি সদনত কোনোবাই বিচাৰে যে তালিকাখন দি লাগে, তালিকাখন দিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, কনকলতা মহিলা সৱলীকৰণৰ জৰিয়তে কিধৰণে মহিলা সকল সফল হৈছে সেই বিষয়ে তিনিটা উদাহৰণ আপোনালোকৰ আগত সদনত দাঙি ধৰিব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, নিকুমনি বুলি এগৰাকী ছোৱালী আছে, তেখেতে 12th লৈকে পঢ়িছে, গোৱালপাৰ জিলাৰ ধোপধৰাৰ। আমি তেওঁক Skill training কৰিছিলো। এতিয়া তেখেতে গুৱাহাটীতে এখন ভাল বিউতি পাৰ্লাৰত চাকৰি পাইছে। এতিয়া নিকুমনিয়ে কৈছে যে নিজৰ পাৰ্লাৰ এখন স্থাপন কৰিম। হাইলাকাণ্ডিৰ আব্দুল মতিন মাজাৰ ভূএঞাৰ জন্ম হৈছিল এটা দুখীয়া পৰিয়ালত। তেওঁ আমাৰ Skill training ৰ পিছত গুজৰাটৰ বৰোদাত গৈ এখন ভাল ৰেষ্টুৰেণ্টত কাম কৰি মাহেকত দহ হেজাৰ টকা দৰমহা পাই আছে। ঠিক তেনেধৰণে বৰপেটাৰ অভিজিৎ বৰ্মন, আমি programme ৰ পিছত দক্ষতা বিকাশৰ বাবে তেওঁক training কৰাইছিলো, এতিয়া তেওঁ বাঙ্গালোৰত কাম কৰে আৰু মাহত ১১ হাজাৰ টকা দৰমহা পাই। অৰ্থাৎ এই নিকু, আব্দুল, অভিজিৎৰ সফলতাৰ কাহিনীয়ে আমাৰ যি skill development programme 18 scheme ত অৰ্ন্তভূক্ত কৰিছিলো আৰু আমি পুঁজি দিছিলো ইয়াৰ সফলতাৰ গতি লাভ কৰিছো, তাৰ এটা উদাহৰণ আজিৰ সদনত ডাঙি ধৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, শূণ্য সুতত শস্য ঋণ, কৃষক ঋণ ৰেহাই আৰু কৃষিৰ উপকৰণ বাবে বিত্তীয় সাহাৰ্য্য আঁচনি। পথৰুঘাট কৃষক বিদ্ৰোহৰ ১৫০ বছৰ উপলক্ষে আমি এই তিনিটা স্কীম আৰম্ভ কৰিছিলো। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানি ভাল পাব যে স্কীমত ২০১৮ চনত ৬৮,৮৫৭ গৰাকী কৃষকে পৰিশোধ নকৰা KCC ঋণৰ বিপৰীতে আমি দহ হাজাৰকৈ টকা তেওঁলোকৰ একাউন্টত দিছিলো। তাৰ ফলত যোৱা বছৰত ৬৮,৮৫৭ খন মৰি যোৱা KCC জীৱন্ত হব পাৰিলে। মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছিলো যে যদি ৰাষ্ট্ৰীয় বাণিজ্যিক বেংক, আঞ্চলিক গাঁৱলীয়া বেংক, এপে'ক্স বেংকৰ পৰা যদি এক লাখ টকা লোণ লয়, পচিশ (২৫) হাজাৰ টকা subsidy দিম। বৰ্তমানলৈকে এই লোণখনৰ অধীনত ১,৬৭,১৪১ গৰাকী ব্যক্তিয়ে এই subsidy লাভ কৰিলে আৰু ইয়াৰ বাবে অসম চৰকাৰে জমা দিলে ২০০ কোটি টকা। ১,৬৭,১৪১ গৰাকী কৃষকে এক লাখ টকা লোণ লৈ ২৫ হাজাৰ টকা চৰকাৰৰ পৰা subsidy হিচাপে লাভ কৰিলে। ঠিক তেনেকৈ মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছিলো যে কৃষকক 0% লোণ দিম। অৰ্থাৎ তেওঁলোকে লোণত কোনো সুত দিব নালাগে। আজিৰ মুহূৰ্তলৈকে মাননীয় অধ্যক্ষ মহোদয় আমি বেংকক 0% interest scheme ৰ বিপৰীতে ১৪২.৫০ কোটি টকা মোকলাই দিছো আৰু এই তিনিটা আঁচনিয়ে কৃষকসকলৰ মাজত সমাদৃত হৈছে আৰু এইটো এটা special scheme আছিল, ১৫০ বছৰ পথৰুঘাট উপলক্ষে। কিন্তু এই বছৰো আমি 25% subsidy আৰু 0% interest এই দুয়োটা আঁচনি চলাই ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, উত্তৰণ বিধান সভাৰ অষ্টাদশ মুকুতাৰ মালাত আমি উল্লেখ কৰিছিলো যে প্ৰত্যেকজন বিধায়কক আমি ১০ কোটি টকাকৈ signature scheme ত দিম। আজি মই অত্যন্ত গৌৰৱেৰে ক'ব খুজিছো যে ১২৬ টা বিধান সভা সমষ্টিতে আমি ১০ কোটি টকাকৈ উত্তৰণ আঁচনি অনুমোদন কৰিব পাৰিছো। ১২০ টা সমষ্টিত হৈছে, ৬ টা সমষ্টিত হোৱা নাই। বাকী ৬ টা সমষ্টিতো আমি কৰিবৰ কাৰণে সাজু হৈ আছো। ১২০ টা সমষ্টিত মুঠতে ১২ শ কোটি টকা অনুমোদন কৰিলো আৰু সকলোতে কাম বিলাক চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, অসম আদৰ্শ গ্ৰাম যোজনা - আমি কৈছিলো যে প্ৰত্যেকটো

সমষ্টিতে দুখনকৈ আদৰ্শ গাঁও কৰিম। যোৱা বিত্তীয় বৰ্ষত মই আপোনালোকক জনাব খুজিছো যে › ¶Ë ÃBÁeÃ ¡Ãñ±ûþÁ ü÷©Ë ÂõÃò Õ±õÃÇáÕ1 ¡ÂÕ1ÏË Â› ¶÷ ÂûûþÂ৫০ লাখ ৫০ লাখ টকাকৈ মুকলি কৰি দিয়া হৈছে anti point activity ৰ কাৰণে। অৰ্থাৎ এই আঁচনিখনো আমি ৰূপায়নৰ কাম আৰম্ভ কৰিলো। এই বছৰো এই আচঁনিখন অষ্টাদশ উন্নয়নৰ মুকুতামালাত আমি ধৰি ৰাখিছো, কাৰণ total commitment is 5 crore each village.

দ্বিতীয়তো হ'ল মাননীয় অধ্যক্ষ মহোদয়, CIDF মহানগৰ আন্তঃগাঠনি পুঁজি। তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ, নগাঁও, শিলচৰত এই আঁচনিখনৰ বাবে ২০০ কোটি টকাকৈ দিয়াৰ বাবে সিদ্ধান্ত লৈছিলো। পৰবৰ্তী পৰ্য্যায়ত আৰু আঠখন ডাঙৰ চহৰ বঙাইগাওঁ, ধুবুৰী, উত্তৰ লক্ষ্মীমপুৰ, কৰিমগঞ্জ, গোৱালপাৰা, শিৱসাগৰ, বৰপেটা আৰু গোলাঘাটত ১০০ কোটি টকাকৈ খৰছ কৰিম বুলি ঘোষণা কৰিছিলো। যোৱা বাজেটত কোকৰাঝাৰ, ডিফু আৰু হাফলঙলৈকেও আমি এই আঁচনি সম্পসাৰণ কৰিব খুজিলো। আপোনালোকক অতন্ত গৌৰৱেৰে জনাব খোজে যে বৰ্তমান ৪২ টা বৃহৎ প্ৰকল্পৰ অনুমোদন দিয়া হৈছে। 257 crore ৰ scheme অনুমোদিত হৈছে আৰু জিলাসমূহৰ পৰা যিধৰণে scheme আহিছে আমি তুৰন্তে অনুমোদন কৰি গৈ আছো। মই মহানগৰ বা নগৰসমূহৰ বিধায়ক সকলক ইয়াত আৰু interest ল'ব কৈছো, কাৰণ প্ৰায় ২ হাজাৰ কোটি টকা আমি দিবলৈ সাজু হৈ আছো। যিধৰণে আঁচনি আহিছে আমি দিছো। আপোনালোকে এই ক্ষেত্ৰত আৰু অলপ আগবাঢ়িলে ভাল হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমি এটা আচঁনি কৰিছিলো যে অসম মালা। ৰাষ্ট্ৰীয় ঘাইপথ আৰু প্ৰধান জিলাসমূহ উন্নত কৰণ। আমি ইয়াত এক হাজাৰ কিলোমিটাৰ ৰাষ্টাৰ তিনিবছৰত পাচঁ হাজাৰ কোটি টকা ব্যয় কৰিব খুজিছো। অসম মালাত যোৱা বিত্তীয় বৰ্ষত চাৰিটা আঁচনি অনুমোদন কৰিছো। শিঙিমাৰী, শুৱালকুছি, ঘগ্ৰাপাৰ দামোদৰধাম বিজুলী ঘাট পথ, গড়মুৰ জেংৰাই পথ আৰু বিক্ৰম নদীৰ ওপৰত এখন দলং। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকক অত্যন্ত আনন্দৰে জনাব খুজিছো যে প্ৰত্যেকখন জিলাতে এখনকৈ scheme আমি ইয়াত পাৰম্ভিক পৰ্য্যায়ত সাজু কৰিছো। consultant appointment ৰ কাম চলি আছে আৰু অসম মালাই আৰু বৃহৎ ৰূপ পাবলৈ সক্ষম হব। ইয়াৰ বাবে sufficient fund allot কৰিছো।

অধ্যক্ষ মহোদয় মোৰ মনত আছে, অসম বিধান সভাত যেতিয়া আমি কৈছিলো যে ১০০০ কাঠৰ দলং আমি পকা কৰিম । বিৰোধী দলপতি ডাঙৰীয়াই কৈছিল যে বাজেট আছে হ'বনে নাই? আজি মই হাউচত অন্ততঃ গৌৰৱেৰে সৈতে কব খুজিছো যে out of 1000 bridge মহাবীৰ লাচিত চিলাৰায় নিৰ্মাণ সেঁতু অভিযানত ৬০৪ খন আমি ইতিমধ্যে অনুমোদন কৰিলো। দ্ৰুতগতিত কাম চলি আছে, আৰু এই বছৰ এতিয়া আমি বাকী ৪০ খনো অনুমোদন কৰি দিম। এই বছৰো আমি এই স্কীমটো 18 Flagship Scheme ৰ ভিতৰত ৰাখি থৈছো কাৰণ bridge এখন কৰোতে ৩ বছৰ লাগিবগৈ। অটল অমৃত অভিযান এই ১৮ টা স্কীমৰ আন এখন স্কীম আছিল। এই স্কীমৰ অধীনত বৰ্তমানলৈকে ১,৬০,৯৫,৪৮৩ হিতাধিকাৰীক অন্তভুক্তি কৰা হৈছে। ৭৫ খন চিকিৎসালয় ইয়াত identify কৰা হৈছে। আৰু অটল অমৃত অভিযান আঁচনিৰ অন্তৰ্গত অধ্যক্ষ মহোদয়, জুলাই মাহলৈকে ৪৩, ১০৩ গৰাকী ব্যক্তি উপনীত হৈছে। অধ্যক্ষ মহোদয়, আমি বৰ্তমানলৈকে ৫১কোটি ৯৫ লাখ খৰচ কৰিছো। এই খৰচ ২০০ কোটি হ'লহেতেন। কিন্তু আয়ুষ্মান ভাৰতে আমাৰ কিছু দায়িত্ব লৈ ললে। এতিয়া এইখন অকল middle class ৰ কাৰণে। বি পি এল খিনি

আয়ুষ্মান ভাৰতত গুছি গ'ল। আয়ুষ্মান ভাৰততো আমি প্ৰায় ৬০ কোটি খৰচ কৰিছো। হয়তো আমাৰ গাতে হয়তো ১১০ কোটি পৰিলহেতেন। কিন্তু নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাৰ কিছু দায়িত্ব লৈ ললে, আৰু তাৰ কাৰণে আমি কিছু সকাহ পালো। এই কাৰণেআমি বেমাৰৰ সংখ্যাও আমি বৃদ্ধি কৰি দিলো। next Scheme আছিল অধ্যক্ষ মহোদয়, অসম সংহত কৰ্কট ৰোগ নিৰাময় কাৰ্য্যসূচী Tata trust ৰ লগত লগ লাগি আমি এখন বিশাল আঁচনি লৈছিলো, যে আমি অসমত ১৮ খন কেঞ্চাৰ হস্পিতাল আৰম্ভ কৰিম। ইয়াৰ সকলো কাম হৈ গ'ল। Land allotnent হৈ গ'ল। অধ্যক্ষ মহোদয়, আমি এই আগষ্ট মাহৰ পৰা ৬ খন স্থানত Larsen & Tourbo য়ে ইয়াৰ প্ৰথম ৬ খনৰ টে গুাৰ পাবলৈ সক্ষম হ'ল। L & T company য়ে ৬ টা স্থানত এই মাহৰ পৰা নিৰ্মাণৰ কাম আৰম্ভ কৰিব। অধ্যক্ষ মহোদয়, আমি সমান্তৰালভাৱে আমি ১২৫ গৰাকী ধাত্ৰী আৰু ৬ জন চিকিৎসকক আমি ইতিমধ্যে ACCF ৰ under ৰত আমি নিযুক্তি কৰিছো। তেওঁলোকক training কৰিছো। আমি appointment কৰা নাৰ্চে এতিয়ালৈকে ৫৫০০ ৰোগীক কেম' থেৰাপী দিবলৈ সক্ষম হৈছে। অৰ্থাৎ আমাৰ হস্পিতেল নহওতেই আমাৰ যিটো existing hospital কেইখনতেআমি staff লৈ কাম আৰম্ভ কৰি দিছো। ৫৫০০ patients got chemotherapy through Assam Cancer Care Foundation. অধ্যক্ষ মহোদয়,ডিব্ৰুগড়ৰ যিটো Cancer Unit যিহেতু L1 ডিব্ৰুগড়ত হ'ব, নিৰ্মান হওতে ২ বছৰ লাগিব, ডিব্ৰুগড়ৰ বৰ্তমান Cancer Unit টো আমি ACCF য়ে লৈ লৈছো আৰু তাতো আমি লাইনাক মেচিনেৰে ACCF ৰ উদ্যোগত আমি Treatement ৰ কাম এই বছৰৰ পৰা আৰম্ভ কৰিম। যোৰহাটতো আমি Palliative care Centre এটা আৰম্ভ কৰিম যেতিয়ালৈকে ৬ টা বা ১৮ টা building সম্পূৰ্ণ হৈ নুঠে। বৰ্তমানলৈকে এই শিতানত অসম চৰকাৰ আৰু Tata trust দুয়োটাই ২৫০ কোটি টকাকৈ মুকলি কৰি দিছে, আৰু ৫০০ কোটি ক'ৰপাছ লৈ এতিয়া আমি কামত আগবাঢ়ি গৈছো। অধ্যক্ষ মহোদয়, শ্বহীদ কুশল কোঁৱৰৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি অধ্যক্ষ মহোদয়, Universalization of Old Age Pension. আমি এই স্কীমটো ২০১৮-১৯ ত কৰিছিলো। আমি হাউচে গৌৰৱ কৰিব পাৰো, যে এই হাউচে approve কৰাৰ পাছত এই কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন আঁচনিখন কিমান মানুহে পালে ? আমি এই আঁচনিটো দিয়াৰ পাছত ১০,০১,৮১৯ গৰাকী নতুন ব্যক্তিয়ে বৃদ্ধ পেঞ্চন লাভ কৰিলে। অৰ্থাৎ পুৰণা নহয়, যি পুৰণা আছিল আছেই। কুশল কোঁৱৰৰ অধীনত ১০ লাখে ইতিমধ্যে পালে, আৰু তেওঁলোকক ২৫০ টকাকৈ প্ৰতি মাহত দি আছো, আৰু It is a Continuous Scheme এই বছৰত যি সকলৰ ৬০ বছৰ বয়স হ'ব, আপোনালোকে তাত আৰু নতুন নামো অন্তৰ্ভুক্ত কৰিব পাৰে. মৃত্যু হোৱা সকল আঁতৰি যাব আৰু ৬০ বছৰ হোৱা সকল অন্তৰ্ভুক্ত হ'ব। অধ্যক্ষ মহোদয়, চাহ বাগিচাৰ ধন পুৰষ্কাৰ আৰু জীৱন সুৰক্ষা যোজনা, অধ্যক্ষ মহোদয়, যি সকলে Demonetization ৰ সময়ত বেংক একাউন্ট কৰিছিল, তেওঁলোকক আমি ২৫০০ টকাকৈ দিম বুলি কৈছিলো। বহুতে কৈছিল কেনেকৈ সম্ভৱ হ'ব ? অধ্যক্ষ মহোদয়, মই অত্যন্তঃ গৌৰৱেৰে জনাব খুজিছো যে আমি ইতিমধ্যে ২০১৭-১৮ আৰু ২০১৮-১৯ বৰ্ষত প্ৰথম বছৰ ৩৮২ কোটি আৰু দ্বিতীয় বৰ্ষত ২০২ কোটি মুঠতে ৩৮২ কোটি আমি চাহ বাগিচাৰ মজদুৰ সকলৰ পৰিয়াললৈ মুকলি কৰি দিলো, আৰু ৩৮২ কোটিৰ জৰিয়তে ৭,২১,৪৮৫ জন ব্যক্তিৰ একাউন্টত এই পুঁজি জমা হয়। কোনোবাই যদি বিচাৰে যে নহয় চৰকাৰে এনেয়ে কৈছে, গোটেইকেইটাৰ নাম লাগে, আমি নামবিলাকো দিব পৰাৰ পৰ্য্যায়ত আছো। অৰ্থাৎ আমি এই বিধান

সভাই গৃহীত কৰা বাজেটে ৭,২১,৪৮৫ জন চাহ শ্ৰমিকৰ ঘৰত ভুমুকি মাৰিলে । আমাৰ বাবে গৌৰৱৰ কথা। অধ্যক্ষ মহোদয়, পিছৰ স্কীম আছিল দীন দয়াল দিব্যাংগ সাহাৰ্য্য আঁচনি। এই দীনদয়াল দিব্যাংগ আঁচনিখন আছিল যে আমি আমাৰ সমাজত যিমান দিব্যাংগ ব্যক্তি আছে, তেওঁলোকক আমি ১০০০ টকাকৈ মাহত দিম। ১০০০ প্ৰতি মাহে অৰ্থাৎ ১২ হাজাৰ টকা। অধ্যক্ষ মহোদয়, আঁচনিটো মুকলি কৰি দিলো, আঁচনিৰ বাজেট ললে, কিন্তু আঁচনি ৰূপায়ণ হ'লনে নাই? আজিৰ মুহুৰ্তত মই গৌৰৱেৰে সৈতে কব খুজিছো যে, ১,১৫,৫১১ জন ব্যক্তিয়ে ২০১৮-১৯ চনত দীনদয়াল সাহাৰ্য্য পুঁজি বছৰত ১২ হাজাৰ টকা লাভ কৰিলে। কাৰোবাৰ মনত যদি সন্দেহ আছে, মোৰ সমষ্টিৰ কোনোবাই পালে নে নাই? তালিকাখনো আমি দিব পাৰো। অধ্যক্ষ মহোদয়, ২০১৯-২০ তো এই স্কীমটো চলি থাকিব, আৰু মই ভাবো যে আমি ধৰি লৈছো প্ৰায় ৩ লাখ লোকলৈকে এই আঁচনিখন আমি আগবঢ়াব পাৰিম, আৰু আমি এই আঁচনিখনৰ কাৰণে ইতিমধ্যে নতুন বছৰতো পুঁজি ধাৰ্য্য কৰিছো। তাৰমানে যি আমি ১৮ টা স্কীম এনাউঞ্চ কৰিছিলো সেই ১৮ টাৰ ভিতৰত আমি দুটা স্কীম কৰিব নোৱাৰিলো। এটা হ'ল Minority Scholarship আৰু এটা হ'ল Small Scale ৰ ঋণ গেৰান্টি। ১৬ টা স্কীম কৰিব পাৰিলো। বিধান সভাই মোক কিমান নং দিব It is up to the House. Out of 18 Scheme, in two we have failed, 16 we have passed with distinction এতিয়া যিটো নং দিব সেইটো হাউচে দিব। অধ্যক্ষ মহোদয় ১৮ টাক বাদ দিও আমি আৰু বহুত স্কীম এনাউঞ্চ কৰিছিলো। মই বিচাৰো হাউচত আমি এটা practice আৰম্ভ কৰিব লাগে যে বিধায়ক সকলে বিভাগীয় মন্ত্ৰীক সুধিব লাগে যে, বাজেটত এই স্কীমটো দিয়া হৈছিল, কি হ'ল? তেতিয়া accountability বাঢ়ে। তেতিয়া মই মোৰ খৰচ বঢ়াব পাৰো, যদি অকল ময়ে, Outcome বাজেট দি থাকো, এটাও যদি বিধায়কে প্ৰশ্ন নকৰে, মন্ত্ৰী সকলৰো accountability ইমান নাথাকিব। তথাপিতো মই ৮ টা স্কীমক বাদ দিও আৰু ২-৩ টা স্কীম উল্লেখ কৰিছিলো। অধ্যক্ষ মহোদয়, আমি কৈছিলো ২০১৮-১৯ ত যে আমি চাহ বাগিচাৰ লাইনত ৰাস্তা বনাম। অত্যন্তঃ গৌৰৱেৰে সৈতে ক'ৰ খোজো যে এতিয়ালৈকে আমি ৮৬৪ কিঃ মিঃ বাগিচাৰ ভিতৰত লাইন বনোৱাৰ কাম অনুমোদন কৰিছো, আৰু ইয়াৰ পৰা আমি ৫২৮ কোটি টকা অনুমোদন দিছিলো, আৰু অনুমোদিত ৰাস্তাৰ It is very important খুব গৌৰৱ অনুভৱ কৰিব যে ৩৩৮ কিঃ মিঃ ৰাস্তা ইতিমধ্যে হৈ গ'ল। অনুমোদন দিছিলো মাত্ৰ ২০১৮-১৯ত and within 6 month out of 864 k.m. og road 338 তাৰ মানে 39% is completed, done,payment made আৰু বাকীখিনি target ও আমি এই বছৰ পুৰা কৰিব পাৰিম। অধ্যক্ষ মহোদয়, আপোনাৰ মনত আছে যে Compassionate appointment বিচাৰি আমাৰ চৰকাৰৰ কৰ্মচাৰী সকলে মন্ত্ৰী সকলৰ দুৱাৰদলিত, বিধায়ক সকলৰ দুৱাৰদলিত, অফিচাৰ সকলৰ দুৱাৰ দলিয়ে দুৱাৰ দলিয়ে . ঘুৰি ফুৰিছিল। আমি কৈছিলো যে ২০১৭ ৰ এক এপ্ৰিলৰ পাছত কোনোবা ব্যক্তিৰ যদি মৃত্যু হয়, তেতিয়া হ'লে তেওঁৰ পৰিয়ালক আমি পুৰা দৰমহা দি থাকিম। তেওঁ Compassionate ৰ কাৰণে দিশপুৰ আহিব নালাগে। অধ্যক্ষ মহোদয়, আমাৰ মাজৰ পৰা ১১ শ জন কৰ্মচাৰী আঁতৰি গৈছিল, এই বিত্তীয় বৰ্ষত, আৰু ১১ শ জন কৰ্মচাৰীৰ পৰিয়ালকে অধ্যক্ষ মহোদয়, আমি ফুল পেঞ্চন দি আছো। As if they are in job. চাকৰিত থকা সময়ত যি দৰমহা আছিল, তাক আমি দি আছো। অধ্যক্ষ মহোদয় চাহ বাগিচাৰ চৰ্দাৰ সকলক মোবাইল ফোন দিয়াৰ কথা কৈছিলো ১১, ৮১৮ চাহ বাগিচাৰ চৰ্দাৰৰ ওচৰত মোবাইল ফোন তুলি দিবলৈ সক্ষম হৈছো। এনেকুৱা অধ্যক্ষ মহোদয় বহুত আছে, গোটেইখিনি গাই থাকিলে বহুত সময় ল'ব। গতিকে আপোনালোকে যেনেকৈ

প্ৰশ্ন কৰে আমি উত্তৰ দিব পাৰিম।

অধ্যক্ষ মহোদয়, Central Govt. ৰ scheme বোৰতো আমাৰ কিছু দায়িত্ব থাকে কাৰণ তাত আমি ১০%, ২০% কৈ funding কৰিব লাগে। যোৱা ২০১৮-১৯ চনত আমি State Share মুকলি কৰি দিব পৰাৰ কাৰণে অসমত কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাঁহী আঁচনিৰ ৰূপায়ণৰ মাত্ৰা খুব সুন্দৰকৈ আগবাঢ়ি যাবৰ বাবে সক্ষম হৈছিল। অধ্যক্ষ মহোদয়, আমি জনা উচিত যে, ২০১৪-১৫ বিত্তীয় বৰ্ষত দৈনিক ৪৩৭ টা অনাময় নিৰ্মাণ কৰা হৈছিল, কিন্তু, যোৱা বছৰ স্বচ্ছ ভাৰত গ্ৰামীণ যোজনাৰ অধীনত দৈনিক ২,৯৮০ টা আৰু ২০১৬-১৭ বৰ্ষত ২৬ লাখৰো অধিক অনাময় নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিলো। অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভিন্ন আঁচনিৰ জৰিয়তে এই তিনিটা বছৰত আমি ১৯,৬৪৫ কিঃমিঃ পথ আৰু ৬০০ তকৈও অধিক দলং নিৰ্মাণ কৰিছো। ২০১৫-১৬ বৰ্ষত প্ৰতিদিনে ৫.৪২ কিঃমিঃ পথ নিৰ্মাণ কৰা হৈছিল। অৰ্থাৎ অসমত ২০১৫ চনত প্ৰতিদিনে প্ৰায় ৫.৫০ কিঃমিঃ পথ নিৰ্মাণ কৰা হৈছিল। ২০১৮-১৯ বৰ্ষত এই গড় ১৫.৪৬ কিঃমিঃ লৈ বৃদ্ধি পাইছে। গতিকে অধ্যক্ষ মহোদয়, ২০১৫-১৬ চনতকৈ তিনিগুণ অধিক হাৰত ২০১৮-১৯ চনত পথ নিৰ্মাণৰ কাম সম্পন্ন হৈ উঠিছে।

আনহাতে, ২০১৫-১৬ বৰ্ষত প্ৰধান মন্ত্ৰী (গ্ৰাম্য) আৱাস যোজনাৰ অধীনত প্ৰতিদিনে ১৯৬ টা গৃহ নিৰ্মাণৰ বিপৰীতে আমাৰ চৰকাৰৰ আমোলত ২০১৮-১৯ বৰ্ষত প্ৰতিদিনে ৩৯৭ টা গৃহ নিৰ্মাণ কৰা হৈছে। ২০১৮-১৯ বিত্তীয় বৰ্ষত ১.৪৪ লাখ টা গৃহ নিৰ্মাণ কৰা হৈছিল যাৰ সংখ্যা ২০১৫-১৬ বিত্তীয় বৰ্ষৰ তুলনাত প্ৰায় দুগুণ।

অধ্যক্ষ মহোদয়, EAP (Externally Aided Project) ৰ জৰিয়তে ২০১৬-১৭ বৰ্ষত ১৬ হাজাৰ কোটি টকা ৰূপায়ণ কৰা হৈছিল আৰু আজি এই টকাৰ বিপৰীতে ২০১৯-২০ চনত ৪০ হাজাৰ কোটি টকাৰ বাবে আমি ৰূপায়ণ কৰিছো। আমি ১০ টা নতুন EAP পাবলৈ সক্ষম হৈছিলো, সেই কেইটা হ'ল- বিশ্ব বেংকৰ ASPIRe (বিত্ত বিভাগ), APART (কৃষি বিভাগ), নাগৰিকৰ প্ৰতি সেৱা দান (AR&T, IT); আভ্যন্তৰীণ জল পৰিবহণ, নিউ ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সহায়তাত নিৰ্মিত ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলং (PWD), এছিয়ান ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সহায়তাত ৰূপায়িত পথ উন্নয়নৰ আঁচনি (PWD) এছিয়ান আন্তঃগাঁথনি বিনিয়োগ বেংকৰ বিত্তীয় সহায়তাৰ দ্বাৰা ৰাজ্যিক আভ্যন্তৰীণ সঞ্চাৰণ ব্যৱস্থা (Intra State Transmission System)ৰ সম্প্ৰসাৰণ আৰু শক্তি বিভাগৰ বিদ্যুৎ যোগান ব্যৱস্থাৰ উন্নয়ন আৰু বিদ্যুতৰ অপচয় ৰোধ। এই গোটেই কেইটা scheme ২০১৮-১৯ বৰ্ষত আমাৰ চৰকাৰৰ কালত অনুমোদন পাবলৈ আমি সক্ষম হৈছো। আমি যি EAP Cell গঠন কৰিছিলো এই Cell ক ASEAN Development Bank আৰু ভাৰত চৰকাৰৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে প্ৰশংসা কৰিছে। যোৱা ৫ দিন মানৰ আগত চীনৰ Sanghai ত অনুস্থিত এখন বৈঠকত New Development Bank এ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত দলং নিৰ্মাণৰ বাবে ২৬০০ কোটি টকাৰ অনুমোদন কৰিছে। অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষৰ বাজেটত Financial Reform ৰ ওপৰত আমি কেইটামান কথা কৈছিলো। মোৰ পূৰ্বৰ বিভিন্ন বাজেটত এইটো কথা উল্লেখ কৰি আহিছো যে প্ৰণালীবদ্ধ নিয়ন্ত্ৰণৰ দ্বাৰা বিত্তীয় কাৰ্য্যাৱলী সুচল আৰু সুবিধাজনক কৰি কৰ্মচাৰী তথা ব্যৱসায়ীসকলক সকাহ প্ৰদান কৰা। আপোনালোকৰ জ্ঞাত যে, চিলিং ব্যৱস্থাৰ স্বয়ংক্ৰিয়কৰণ আমাৰ চৰকাৰৰ অন্যতম সফলতা। ইয়াৰ প্ৰৱৰ্তনৰ জৰিয়তে বিত্তীয় ব্যৱস্থাৰ এটা উপৰিঞ্চি স্তৰ বিলুপ্ত হোৱাৰ লগতে ব্যৱস্থাটোলৈ স্বচ্ছতা আহি পৰিছে। প্ৰশাসনিক আৰু বিত্তীয়

অনুমোদন আমি automatic কৰিম বুলি মই বাজেটত কৈছিলো আৰু আজি সেই কামত আমি সফল হৈছো। আনহাতে, কোনো ব্যক্তিয়ে যদি নতুনকৈ চাকৰিত সোমায় তেন্তে তেওঁলোকে প্ৰথম দৰমহাটো পোৱাত অলপ পলম হয়, গতিকে ২০১৮-১৯ বৰ্ষত মই তেওঁলোকক কৈছিলো যে আপোনালোকে বিত্ত বিভাগলৈ অহাৰ পৰিৱৰ্তে দৰমহাৰ অনুমোদন অনলাইন পাই যাব। এই কামটোও আমি ইতিমধ্যে প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছো।

অধ্যক্ষ মহোদয়, কোষাগাৰত বিল পোৱা ব্যৱস্থাটো আমি ২০১৮-১৯ বৰ্ষত স্বয়ংক্ৰিয় কৰিম বুলি কৈছিলো আৰু আজি আমি এই ব্যৱস্থাত এটকাৰো gap নোহোৱাকৈ online salary, online ceiling দিয়াৰ বাবে সক্ষম হৈছো।

অধ্যক্ষ মহোদয়, এতিয়া মই আমাৰ ২০১৮-১৯ বৰ্ষৰ **ব্যয় আৰু ৰাজহৰ** বিবৃত্তি দাঙি ধৰিব বিচাৰিছো। এই সদনৰ মজিয়াত মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে আমি ব্যয় আৰু সেই ব্যয়ৰ পৰিণতিৰ সাময়িক বিবৃত্তি দাখিল কৰিছিলো। সাময়িক হিচাপৰ বিবৃত্তিৰে সন্মাননীয় সদস্য সকলৰ পৰা মতামত আৰু পৰামৰ্শ লাভৰ এক সুবিধা গ্ৰহণ কৰিব বিচাৰিছিলো। এই বছৰ পুনৰায় গ্ৰাফ চিত্ৰ আৰু তালিকাৰ সহায়ত ভিন্ন ভিন্ন বিভাগৰ দ্বাৰা ২০১৮-১৯ বৰ্ষত হোৱা সাময়িক ব্যয়ৰ বাস্তৱ ছবি দাঙি ধৰাৰ আৰু বাজেট ৰূপায়ণৰ মান সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। আমি এই ক্ষেত্ৰত পূৰ্বৰ ২০১৫-১৬, ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ৰূপায়ণৰ লগত তুলনাত্মক দৃশ্য দাঙি ধৰিম। এই হিচাপসমূহ সাময়িক আৰু ইয়াক ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু CTIMS ৰ সমলৰ পৰা সংগ্ৰহ কৰা হৈছে। মহাগাণনিকে প্ৰস্তুত কৰা বাৰ্ষিক হিচাপৰ পৰা উক্ত হিচাপ সমূহ পৰৱৰ্তী পৰ্যায়ত সংশোধিত হ'ব।

অধ্যক্ষ মহোদয়, ২০১৫-১৬ চনত অসমত এবছৰত সৰ্বমুঠ ৪১, ৯২৯ কোটি টকা ব্যয় কৰা হৈছিল। ইয়াৰ বিপৰীতে ২০১৬-১৭ বৰ্ষত ৫৭,৪০৬ কোটি টকা, ২০১৭-১৮ বৰ্ষত ৬৮,৫৮৭ কোটি টকা, ২০১৭-১৮ বৰ্ষত ৭০,৬৫৮ কোটি টকা ব্যয় হৈছিল। ২০১৫-১৬ বৰ্ষত ৫৬% expenditure আছিল আৰু ইয়াৰ বিপৰীতে ২০১৮-১৯ চনত Model Code of Conductৰ বাবে ৬৫% ত ৰৈ গ'লো। কাৰণ এই বিত্তীয় বৰ্ষৰ শেষ মাহটোত আমি কাম কৰিব নোৱাৰিলো। কিন্তু, যোৱা ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষত ৬৯% হৈছে। অধ্যক্ষ মহোদয়, বহুতে কৈছে যে ৩০% ও খৰচ নহ'ল। কংগ্ৰেছ বা আগৰ বিজেপি, অ.গ.প. চৰকাৰৰ দিনত ৫১% বহন ক্ষমতা আছিল আৰু এই ৫১% ৰ বিপৰীতে মাত্ৰ ৪১ হাজাৰ কোটি টকা আছিল। গতিকে, মই SD বা অন্য একো নিদি বাজেটটো যদি ধৰি ৰাখো তেন্তে 70 thousand crore will become 99% of 2015-16. কিন্তু অধ্যক্ষ মহোদয়, মানুহক percentage নালাগে, টকা কিমান পালে সেইটোহে লাগে। ২০১৫-১৬ বৰ্ষত অসমত বছৰি ৪১ হাজাৰ কোটি টকা খৰচ হোৱাৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত ৭০ হাজাৰ কোটি টকা খৰচ হৈছে। তিনি বছৰত আমি ৩০ হাজাৰ কোটি টকাৰ expenditure বঢ়াব পাৰিছো। স্বাধীনতাৰ পিছত, অসমত এবছৰত ৭০ হাজাৰ কোটি টকা খৰচ হোৱা কীৰ্তিমান প্ৰথমবাৰৰ বাবে আমি স্থাপন কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, আমি নতুন নতুন মান নিৰ্ণয় কৰিছো । ২০১৬-১৭ বৰ্ষত আমি ৫০ হাজাৰ কোটি টকা; ২০১৮-১৯ বৰ্ষত ৬০ হাজাৰ কোটি টকা আৰু ২০১৮-১৯ বৰ্ষত ৭০ হাজাৰ কোটি টকাৰ সীমা অতিক্ৰম কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, ২০১৫-১৬ বৰ্ষৰ লগত যদি তুলনা কৰা হয় তেন্তে আমাৰ expenditure ৭০%;লৈ বৃদ্ধি পাইছে আৰু আমি বিশ্বাস কৰো যে আমাৰ কাৰ্য্যকালৰ ৫ বছৰত আমি ১০০% লৈ বৃদ্ধি কৰি থৈ যাব পাৰিম। অধ্যক্ষ মহোদয়, ২০১৫-১৬ বৰ্ষৰ তুলনাত আমাৰ year to year

growth হৈছে ৩৬%; অৰ্থা এই বছৰত যদি ৪১ হাজাৰ কোটি টকা আৰু আনটো বছৰত আকৌ ৫৬ হাজাৰ কোটি টকা খৰচ কৰা হৈছে । এই খিনিয়ে AG ৰ figure তো আহিছে। A.G.য়ে বেলেগ ধৰণে কৈছে। A.G. য়ে কৈছে যে এটা ল'ৰাই ১০০ নম্বৰৰ পৰীক্ষা দি আগতে ৪০ নম্বৰ পাইছিল। এতিয়া ৭০ নম্বৰ পাইছে। A.G.য়ে যদি কয় যে তেওঁ কিয় ১০০ নম্বৰ নাপালে? কিন্তু মই কৈছো যে নহয়, আগতে মই ৪০ পাইছিলো। বৰ্তমান মায়ে মাৰপিট কৰাৰ পিচত ৭০ নম্বৰ পালো। দুয়োটা একে কথা। A.G. য়ে কৈছে যে ১০০ নম্বৰ কিয় একবাৰে নাপালা? মই কৈছো যে ১০০ নম্বৰ একেবাৰে পোৱা সম্ভৱ নহয়। কিন্তু মই ৪০ নম্বৰৰ পৰা ১০০ নম্বৰলৈকে পালো। মোক ধৰি থাকিলে মই আৰু আগবাঢ়ি গৈ থাকিম। সেইকাৰণে মই কৈছো যে It is a progressive step. retrogative ক'তো হোৱা নাই। যিখন ৰাজ্যত আগতে ৪১ হাজাৰ কোটি টকা খৰচ হৈছিল, বৰ্তমান ইয়াত হৈছে, ৭০ হাজাৰ কোটি টকা। ইয়াৰ কাৰণে মোক যদি সমালোচনা কৰিব খোজে কৰিব পাৰে। যদি ৪১ হাজাৰৰ পৰা ৪০ হাজাৰলৈ গ'লহেঁতেন, মই গালি খালোহেঁতেন। কিন্তু মই ৪০ হাজাৰৰ পৰা ৭০ হাজাৰ টকা Capital Expenditure বঢ়াইছো। ১৪,৩০৪ কোটি আমাৰ বাজেট খনত কেনেকৈ টকা বঢ়াইছো ? বহুতে প্ৰশ্ন কৰে, কেন্দ্ৰীয় চৰকাৰে কি দিলে, কি নিদিলে? আমাৰ বাজেট খন যদি চাই ২৭ হাজাৰ কোটি টকা SOPD ত দিছিলো। তাৰ ভিতৰত ১২,৬৮৩ কোটি টকা 46 শতাংশ আমি খৰচ কৰিছো। External added project আমি 46 Centrally Sector Scheme 3%, IRDF Project 23%, Establishment Expenditure 80% আৰু আমি যদি Total চাওঁ তেতিয়হ'লে আমি ৭০ হাজাৰ ৬৫৪ কোটি টকা ৬৫ শতাংশ আমি খৰচ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় এই তালিকাখন মোৰ সতীৰ্থ মন্ত্ৰী বহুতে হয়তো ভাল নাপাব পাৰে যে Department wise expenditure দিছে। বিত্ত বিভাগটো expenditure নকৰে। বিভাগৰ মন্ত্ৰীসকলেহে কৰে। সেয়েহে আমাৰ যাতে Higher Accountability যি হয়, আমি একো নোকোৱাকৈ Department wise expenditure খিনিও ইয়াত দাঙি ধৰিছো। বিত্ত বিভাগৰ ৫৭ শতাংশ। কাৰণ বিত্ত বিভাগ হ'ল, Salary account. Other Account Department ৰ কাম আমি নকৰো। নিযুক্তি, বেছি বেংকৰ loan, interest আদিৰ কাম কৰো। এইটো বেছি টেক্‌নিকেল বিভাগ হয়। Pension and Public Grivence Department এ ১০২ শতাংশ খৰচ কৰিছে। তাৰ মানে পেঞ্চন পোৱা মানুহে বেছিকৈ পেঞ্চন পাইছে। তাত যিহেতু চিলিং নাথাকে, যিমান ইচ্ছা সিমান লৈ যাব পাৰে। Education Elementary -80%, Public Work -75%, Health and Family Welfare-63%, Education Secondary 82%, Home- 72%, WPT&BC-77%, Hill Area-96%, Eduction Higher-76%, Panchayat and Rural Development-33%, PHE-53%, Power-31%, Social Welfare-50%, Revenue-71%, END-46%, Agriculture-44%, Food and civil Suply-74%, Water Resource-58%, Urban Development-30%, Irrigation-30%, Political-70%, Industry-51%, Transport-80%, Judicial-69%, Environment & Forest-80%, General Administration-50%, Animal Husbandary-60%, Guwahati Development Depertment-20%, Public Work (NH&Buliding) 57%, HandloomTextile-61%, Secretariat Administation-68%, Education

Technical-42%, Election-94%, Skill Employment Enterpreneurship-62%, Soil Conservation-68%, Welfare of Minority-35%, Fishery-71%, Co-Operation-64%, আৰু বাকী Tourism কে ধৰি গোটেইকেইটা Depertment-54%. Total Expenditure was 65% in 2018-19. মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত মই বাকী খিনি যিমান পাৰি চমুকৈ কৈ দিছো। মুঠ ব্যয়ৰ ভিতৰত ৰাজহ ব্যয় যদিও .বিগত সময়ত ৮৫ শতাংশ আছিল, ৰাজহ ব্যয়ৰ বৃদ্ধিৰ হাৰ ২০১২-১৩ বছৰৰ পৰা ২০১৭-১৮ বৰ্ষৰ সময়ছোৱাত গড় 14% আছিল। ই এক উল্লেখনীয় ঘটনা। একে সময়তে মূলধনী ব্যয়ও বৃদ্ধি পাইছিল। ভাৰতবৰ্ষৰ সাধাৰণ হিচাপ ৰক্ষক আৰু পৰীক্ষকৰ প্ৰতিবেদন অনুসৰি 2017-18 বৰ্ষৰ মূলধনী ব্যয় পূৰ্বৰ বছৰৰ তুলনাত 40% বৃদ্ধি হয়। সমূহিক হিচাপ অনুসৰি 2018-19 বৰ্ষত ৰাজহ ব্যয় 54,384 কোটি আৰু মূলধনী ব্যয়14,315 কোটি টকালৈ বৃদ্ধি পাইছে। এই বৰ্ষত ঋণ পৰিশোধৰ পৰিমাণো আছিল 2,506 কোটি টকা ৰাজহ বৃদ্ধি। অনাময় স্বচ্ছ ভাৰত অধীনস্থ গৃহ নিৰ্মাণ, প্ৰধান মন্ত্ৰী আৱাস যোজনা আদিৰ ক্ষেত্ৰত বৃদ্ধি পাইছে যদিও এই ধন ব্যয় প্ৰকৃততে মূলধনী ব্যয়। আমাৰ যিবোৰ স্কীমত IYA ৰ ঘৰ বনাইছো, PMAY ৰ ঘৰ বনাইছো, সেইখিনি Capital expenditure. ঘৰটোৰ মালিক চৰকাৰ নহয় কাৰণে এইটো CAG Revenue ত book কৰে। Capital Expenditure আছিল তেওঁলোকক একাউণ্টিং চিষ্টেমত। তৎস্বত্তেও আমাৰ Capital Expenditure ১৪,৩১৫ কোটি টকালৈ বৃদ্ধি পাইছে। বিগত সময়ছোৱাত সপ্তম দৰমহা আয়োগৰ প্ৰতিবেদন সামাজিক নিৰাপত্তা আঁচনিৰ প্ৰতিবেদনৰ ফলত গ্ৰাম্য অৰ্থনৈতিক উন্নয়ন ব্যয় বাৰুকৈ বৃদ্ধি পাইছে। সেয়েহে ব্যয়ও বৃদ্ধি পাইছে। সম্পদৰ সীমাবদ্ধতা, পৰিৱৰ্তিত মূলধনী ব্যয়ৰ আৰ্থিক যোৰা লগোৱাৰ বাবে অসম চৰকাৰে বিগত সময়ছোৱাত বজাৰ ঋণৰ সম্ভৱনীয়তাৰ ওপৰত সম্পূৰ্ণ মনোনিৱেশ কৰিছে। ৰাজ্যিক উন্নয়নৰ ধন ২০১৬-১৭ বৰ্ষত ৩৯০ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষত ৭১৪ কোটি টকালৈ বৃদ্ধি পাইছে। ২০১৮-১৯ বৰ্ষত অসম চৰকাৰে ৮.১৩ শতাংশ হাৰত আন ৰাজ্যত গড় আছিল ৮.৩২ শতাংশ। আমি ৮.১৩ শতাংশ মাৰ্কেট Borrowing কৰিছো ১০,৫৯৫ কোটি টকা। ২০১৮-১৯ বৰ্ষৰ নূন্যতম বজাৰ ঋণ সংগ্ৰহৰ বাবে বিশ্বক্ষণ ঋণ ব্যৱস্থাৰ ৰূপায়ন কৰা হয়। এই উদ্দেশ্যে পৰম্পৰাগত অক্টোবৰ মাহৰ বিপৰীতে এপ্ৰিল মাহতে ঋণ আবেদন কৰা হৈছিল। পূৰ্বৰ বছৰ সমূহৰ তুলনাত কম সুদত আমি ঋণ আদান প্ৰদান কৰিব পৰা হৈছো। আমি এটা কথা উল্লেখ কৰিব পাৰো যে বজাৰ ঋণৰ পৰিমাণ বৃদ্ধি হোৱা স্বত্বেও ঋণ বনাম মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSDP অনুপাতত ২০০৮ চনত মাৰ্চ মাহত GSDP Debt Ratio আছিল 32.6% আৰু ২০১৭-১৮ চনৰ Debt Ratio আছিল 17.8% হ্ৰাস কৰা হ'ল। অধ্যক্ষ মহোদয়, এই সদনত মই অত্যন্ত গৌৰৱেৰে জনাব বিচাৰিছো যে আমি যি ৭,৭৪৬.৬৯ কোটি টকা ভাৰত চৰকাৰৰ পৰা Oil ৰ Royality পাবলগীয়া আছিল। সেই Royality ভাৰত চৰাকাৰে আমাক সম্পূৰ্ণ উভটাই দিছিল। যাৰ কাৰণে আমি মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক এই সদনৰ পৰা ধন্যবাদ দিছো। ইয়াৰ পিছত মই আহিব বিচাৰিছো যে আমি কেনেকৈ Tex বঢ়াব পাৰিছো। যদি ২০১৭-১৮ বৰ্ষত আমাৰ GST আছিল ৪০৭৮ কোটি টকা। ২০১৮-১৯ বৰ্ষত GST সংগ্ৰহ কৰিছো ৮,৪০১ কোটি টকা। ৪০০০ কোটি টকাৰ পৰা ৮৪০১ কোটি টকা। আমাৰ Agriculture Income Tex ১৪ কোটি টকা আছিল আৰু ১৪ কোটিয়ে থাকিল। আমাৰ Land Revenue ২১৯ কোটিৰ পৰা কমি গৈ ১৬২ কোটি টকা হৈছে। Stam আৰু Registration Fees Marginal increase হ'ল ২৩৯ টকাৰ পৰা

২৪০ কোটি টকা। State Excise আমাৰ বহুখিনি বৃদ্ধি হ'ল। ১০৯৫ কোটিৰ পৰা ১৩৯৯ কোটি টকা অৰ্থাৎ প্ৰায় ২০ শতাংশ বৃদ্ধি পাইছে। তেলৰ পৰা আমি যিখিনি Sales Tex পাওঁ সেইটো ৬৩৭৩ । Tex on vehicle 646 কোটিৰ পৰা ৭৭৩ কোটি টকা। অৰ্থাৎ আমাৰ ২০ শতাংশ growth হ'ল Transport ত। Goods and Passenger Tex ২৬২ কোটি টকাৰ পৰা কমি আহিল ১১ কোটি টকালৈ। Tex duty on Electricity ত কমিল ৬০ ৰ পৰা ২৭ কোটি টকালৈ আৰু Other duty ত আমাৰ কমি আহিল ৩৪ কোটিৰ পৰা ম াত্ৰ এক কোটি টকা। Forest reveneu আমাৰ যোৱা বছৰ কমিল ২৫০ কোটিৰ ঠাইত ২১৪ কোটি পালো। Dividend আৰু Profit আমাৰ কমিল ২২৫ কোটিৰ ঠাইত ১৫৩ কোটি টকা পালো। Petroleum Royalty আমাৰ বহুতখিনি বাঢ়িলে। ১,৮৬৩ কোটিৰ ঠাইত আমি ২৫০০ কোটি টকা পালো আৰু marginal interest received ৩০৫ ৰ ঠাইত ২৬৫ কোটি টকা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ ত ভাৰত চৰকাৰৰ পৰা আমি যি টকা পালো তাৰো মই এটা সংক্ষিপ্ত বিৰৰণ দিছো। ভাৰত চৰকাৰৰ পৰা আমি Transfer of Central Share ২০১৫-১৬ ত পাইছিলো ২০ হাজাৰ কোটি টকা, ২০১৬-১৭ ত পালো ২২ হাজাৰ কোটি টকা, ২০১৭-১৮ ত পালো ২৩ হাজাৰ টকা আৰু যোৱা বছৰ যাৰ outcome বাজেট মই এতিয়া দি আছো, যোৱা বছৰ Central Devolution to State has reached 26,148 crore. অৰ্থাৎ ২০১৫-১৬ চনৰ তুলনাত প্ৰতিবছৰে ভাৰত চৰকাৰৰ পৰা আমি ৬ হাজাৰ কোটি টকা এই বছৰ আমি বেছি পাবলৈ সক্ষম হৈছো। মাননীয় অধ্যক্ষ মহোদয, CSS ২০১৫ ত আছিলে ৯,৪৯৪ কোটি টকা। যোৱা বছৰ আমি ২০১৭-১৮ ত পাইছিলো ১২,৭৬৯ কোটি টকা। যোৱা বছৰ ২০ কোটি টকা আমি কম পাইছো। ১২,৭২৫ কোটি টকা। অৰ্থাৎ একেটা লেভেলতে আছে।

মাননীয় অধ্যক্ষ মহোদয়, arrear for Oil Roalty ২০১৭-১৮ ত পাইছিলো ৬৭০ কোটি টকা, ২০১৮-১৯ ত ৩,১৩৪ কোটি পাইছো। GST compensation ৪৫৫ কোটি টকা পাইছো আৰু ২০১৮-১৯ ত total transfer যদি আমি হিচাপ কৰো, ভাৰত চৰকাৰৰ পৰা আমি পোৱা টকাৰ পৰিমাণ হ'ল ৪২,০০০কোটি টকা। অৰ্থাৎ ৭০ হাজাৰ কোটি টকা আমি যি খৰছ কৰিছো, তাৰে ৪২,৪৬২ কোটি টকা ভাৰত চৰকাৰে অসমলৈ আগবঢ়াইছে। যাৰ মনত ধাৰণা আছে যে Central এ আমাক সহায় নকৰে, তেওঁলোকৰ কাৰণে যে আমি ৭০ হাজাৰ কোটি টকা যি খৰছ কৰিছো, তাৰে ৪২ হাজাৰ কোটি অকল ভাৰত চৰকাৰৰ পৰা আহিছে। বহুতে প্ৰশ্ন কৰে যে, শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাক কি দিলে, তাৰ উত্তৰত কওঁ যে ২০১৫ চনত পাইছিলো ২৯,০০০ কোটি টকা আৰু ২০১৮-১৯ চনত পাইছো আমি ৩৮,৮৭৮ কোটি টকা। তাৰমানে annual transfer has increase by ten thousand crore. কিন্তু তাৰ এটা কাৰণো আছে যে ৩,০০০কোটি টকা আমি যি Oil Royalty পাইছো সেইখিনিও যদি বাদ দিওঁ, তথাপিতো ২০১৫-১৬ আৰু ২০১৮-১৯ চনৰ মাজত ৭ হাজাৰ কোটি টকা প্ৰতি বছৰত আমি ভাৰত চৰকাৰৰ পৰা বেছিকৈ পাইছো।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগত চিন্তনীয় বিষয় যিটো আছে আমি সেইটোও দিছো যে দৰমহা আৰু পেঞ্চনৰ বাবদ আমাৰ যি ব্যয়, সেই ব্যয় আমাৰ বাঢ়ি গৈ আছে। নতুন মডিকেল কলেজ, নতুন কলেজ তাৰ ফলত আমাৰ দৰমহা, পেঞ্চন বাঢ়ি গৈ আছে। যিমানে ব্যয় বাঢ়ে, আমি যিহেতু tax লগাব নোৱাৰো, ভাৰত চৰকাৰেও আমাক limited transfer কৰে, গতিকে আমি market loane বেছি লব লাগে। So this is area of concern that how we can

control our revenue expenditure. This is a very big area of concern যিটো আমি ভৱিষ্যতৰ দিনত কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, মই কেগৰ এটা সামান্য observation দিব খুজিছো। আমাক কেগে কৈছে যে ২০১৬-১৭ চনত ৮২৩ খন ব্যৱহাৰিক পত্ৰ আমি দিয়া নাছিলো । কেগৰ ৰিপোৰ্টৰ পাছতো আমি কেগক utilisation নিৰন্তৰ গতিত দি থাকো প্ৰতি দিনে আৰু আজিৰ দিনত utilisation certificate ৰ সংখ্যা ৫৫৮ লৈ হ্ৰাস পাইছে। অৰ্থাৎ যিটো কেগৰ ৰিপোৰ্টত আপোনালোকে ৮২৩ দেখিছিলে, by now it has reduced to 558. বাকী যিখিনি আছে, সেইখিনি আমাৰ MLA Fund, Untied Fund আৰু পঞ্চায়তলৈকে দিয়া Finance Commission ৰ গ্ৰাণ্ট। বাকী আমাৰ মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই যি উল্লেখ কৰিছিল ২০১৭-১৮ ৰ utilisation হে আমি অহা বছৰ দিব লাগিব। ২০১৬-১৭ ৰ utilisation আমি এই বছৰ দিব লাগে। ২০১৬-১৭ ত কেগে আমাক কৈছে যে, আমি ৮৮২ খন দিব বাকী আছিলো কাৰণ কেগে comply কৰিছিল June মাহত। আমি বাকী যি ৯,৩৭০ খন প্ৰমাণ পত্ৰ নিদিয়াৰ কথা কৈছে এইটো আমাৰ চৰকাৰৰ দিনত ন হয়। আমাৰ চৰকাৰৰ দিনত মাত্ৰ ৫৫৮ খনহে বাকী আছে। 9,370 খন পূৰ্বৰ চৰকাৰৰ দিনৰ। অৱশ্যে যোৱা বছৰৰ সংখ্যাটো ইয়াত অহা নাই কাৰণ যোৱা বছৰৰটো অহা বছৰ মই দিম। কিন্তু most of the UCs has come down. Now it come down to 558. এইখিনিও মই complete কৰিব পাৰো। কিন্তু ১২৬ জন MLA ই মনত ৰাখিব যে আপোনালোকে যি পুঁজি দিছে তাৰে ৫০ শতাংশ release কৰি দিছে। কোনেওটো utlization জমা কৰিব পৰা নাই। গতিকে maximum utilization জমা হৈ আছে untide fund আৰু MLA Fund ৰ কাৰণে। বাকী যিকেইটা department ৰ কথা CAG এ কৈছিলে তাৰবাবে এবছৰ সময় পাম। ২০১৬-২০১৭ ৰ reference ত মাত্ৰ ৫৫৮ বাকী আছে আৰু ৫৫৮ ৰ ভিতৰত largely পঞ্চায়ত, MLA আৰু untide fund আছে।

অধ্যক্ষ মহোদয়, ৰাইজে আমাৰ যিধৰণে দিছিলে সেইধৰণে আমি চেষ্টা কৰিছো। ২০১৭-২০১৮ ত আমাৰ Capital Expenditure 40% বৃদ্ধি পাইছে। সকলোবোৰ আচঁনি আমি ৰূপায়ণ কৰিব পৰা নাই। ১৮ টাৰ ভিতৰত ১৬ টাহে কৰিব পাৰিছো। আমাৰ ৰাজ্যৰ অৰ্থনৈতিক ইতিহাসত এইখন সদনত সম্পূৰ্ণ তথ্য সহকাৰে বাজেট ৰূপায়ণৰ প্ৰতিবেদন দাখিল কৰা উদাহৰণ নাছিল। বিগত বৰ্ষৰ পৰা আমি আৰম্ভ কৰা এইটো এটা নতুন পৰম্পৰা। সদনত এই প্ৰতিবেদন দাখিল কৰিবলৈ সময় ধাৰ্য্য কৰি দিয়াৰ বাবে মই আপোনাৰ প্ৰতি কৃতজ্ঞ। এনে ব্যৱস্থাই স্বচ্ছ আৰু জবাবদিহী প্ৰশাসনৰ ভেটি শক্তিশালী কৰিব। আমি জনগণৰ প্ৰতি দায়বদ্ধ। এই জনগণেই আমাৰ বাবে জনাৰ্দ্দন। ২০১৮-২০১৯ বৰ্ষৰ বাজেটৰ সম্পূৰ্ণ পৰিনতিৰ বহীখাতা মই আজি সদনত দাখিল কৰিলো। মহোদয়, আজি আমি পূৰ্বতকৈও অধিক দায়বদ্ধ অনুভৱ কৰো। আমি এই কথাও নিশ্চিত কৰিম যে বাজেটত ২০১৯-২০২০ ত ঘোষণা কৰা প্ৰতিটো প্ৰতিশ্ৰুতি যাতে পূৰণ কৰা হয়। শেষত ৰবাৰ্ট ফ্ৰাষ্টৰ এটি প্ৰেৰণাদায়ক কবিতাৰে মই মোৰ খতিয়ানৰ অন্ত পেলাইছো -The woods are lovely, dark and deep, but I have promised to keep and miles to go before I sleep and miles to go before I sleep.ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৬।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, যিহেতু CAG ৰ Report ৰ ওপৰত কৈছে।

**माननीय अध्यक्ष** ঃ আজি আপোনলোকে statement ৰ ওপৰত ক'ব নালাগে। আজি সময়টো কম। এতিয়া চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয়, আমাৰ কেইটামান কথা আছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, আজি সদনৰ আৰম্ভণিতে আপুনি কৈছিল।---

**মাননীয় অধ্যক্ষ** ঃ আমাৰ SD ৰ ওপৰত Appropriation Bill আহিব। You can discuss. আজি কৰিব নোৱাৰে কাৰণ এইটো statement.

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, মই যেতিয়া point of order দি আপোনাক ক'লো তেতিয়া আপুনি ক'লে যে আপুনি মোক দিব।

**মাননীয় অধ্যক্ষ** ঃ মই যদি statement ৰ ওপৰত যদি তেনেকৈ কৈছিলো তেতিয়াহলে মই সেইটো withdraw কৰিছো। মই ভাবিছিলো Appropriation Bill ৰ ওপৰত কৈছিলে বুলি। ---------- হুলস্থুল----

**Hon'ble Speaker :** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Repealing Bill, 2019" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Repealing Bill, 2019" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰধান সচিবে বিলখনৰ শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়কখনৰ শিৰোনামা ঃ " The Assam Repealing Bill, 2019"

**Hon'ble Speaker :** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Private Placement Agencies for Recruitment of Workers (Regulation) Bill, 2019" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Private Placement Agencies for Recruitment of Workers (Regulation )Bill, 2019" বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো ।

**Hon'ble Speaker :** বিধেয়কখন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে ?

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে, এই বিধেয়ক খনত আচলতে যিবিলাক প্ৰাইভেট এজেঞ্চী আছে, যিসকলে এম্পলয়বিলাক বিভিন্ন অনুষ্ঠান বা ব্যক্তি বিশেষৰ ঘৰত থাকে, সেই অনুষ্ঠান বিলাকৰ কথা কোৱা হৈছে যে তেওঁলোকে চৰকাৰৰ অধীনত ৰেজিষ্টাৰ কৰিব লাগে .............

**মাননীয় অধ্যক্ষ** ঃ আপুনি অকনমান আগতেই ক'ব লাগিছিল। অনুমতি দিয়াৰ পিছত এই কথা নাহে।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা চাজেশ্যন দিব বিচাৰিছো। যিবিলাক প্ৰাইভেট এজেঞ্চীয়ে এম্পলয়বিলাক নিয়োগ কৰে, তেওঁলোকে দৰমহাৰ গোটেই পইচাটো লৈ লয়। বিভিন্ন কোম্পানী বিলাকত এজেঞ্চীবিলাকে যিবিলাক এম্পলয়ী নিয়োগ কৰে, মালিকৰ পৰা এম্পলয়ী বিলাকে ডাইৰেক্ট পইচা নাপায়। এজেঞ্চীবিলাকে লৈ এম্পলয়ী বিলাকক বহুত কম পইচা দিয়ে। সেই

কথাটো ইয়াত সামৰি লোৱা হ'লে ভাল আছিলে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Private Placement Agencies for Recruitment of Workers (Regulation )Bill, 2019" বিধেয়কখন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ " The Assam Private Placement Agencies for Recruitment of Workers (Regulation )Bill, 2019"

**Hon'ble Speaker :** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Right to Public Services (Amendment) Bill, 2019" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Right to Public Services (Amendment) Bill, 2019" বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ দিয়াৰ বাবে এটা বাণী আহিছে। মই বাণীটো পঢ়ি দিছো। "Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of " The Assam Right to Public Services (Amendment) Bill, 2019 " in the Assam Legislative Assembly"

এতিয়া মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ " The Assam Right to Public Services (Amendment) Bill, 2019 " বিধেয়কখন মই সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ জনালো।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ " The Assam Right to Public Services (Amendment) Bill, 2019 ".

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক " The Assam Taxation (On Specified Lands)(Amendment) Bill, 2019" উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Taxation (On Specified Lands)(Amendment) Bill, 2019" বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উৎথাপন কৰিবলৈ দিয়াৰ বাবে এটা বাণী আহিছে।

মই বাণীটো পঢ়ি দিছো। "Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of "The Assam Taxation (On Specified Lands)(Amendment) Bill, 2019 " in the Assam Legislative Assembly"

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় " The Assam Taxation (On Specified Lands)(Amendment) Bill, 2019" বিধেয়কখন মই সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ জনালো।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ " The Assam Taxation (On Specified Lands)(Amendment) Bill, 2019"

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক " The Societies Registration (Assam Amendment) Bill, 2019" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় " The Societies Registration (Assam Amendment) Bill, 2019" বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ দিয়াৰ বাবে এটা বাণী আহিছে।

মই বাণীটো পঢ়ি দিছো। "Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of " The Societies Registration (Assam Amendment) Bill, 2019" in the Assam Legislative Assembly"

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় " The Societies Registration (Assam Amendment) Bill, 2019" বিধেয়কখন মই সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ জনালো।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ " The Societies Registration (Assam Amendment) Bill, 2019"

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী ডাঙৰীয়াক " The Assam Land and Revenue Regulation(Amendment) Bill, 2019" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভৰেশ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Land and Revenue Regulation(Amendment) Bill, 2019" বিধেয়কখন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। এতিয়া মই মাননীয় ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভৰেশ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Land and Revenue Regulation(Amendment) Bill, 2019" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ জনালো।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা ঃ " The Assam Land and Revenue Regulation(Amendment) Bill, 2019"

**মাননীয় অধ্যক্ষ ঃ** **<u>কাৰ্য্যসূচী নং ১২</u>**

এতিয়া মাননীয় বিত্ত মন্ত্ৰীক THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2019 বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2019 বিধেয়ক খন মই সদনত উত্থাপন কৰিবলৈ মই সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়ক খন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে? এতিয়া ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ এটা বাণী আহিছে মই সেই বাণীটো পঢ়ি দিছো

Prof. Jagdish Mukhi
Governor of Assam

Raj Bhavan
Guwahati
July 24, 2019

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2019 in the Assam Legislative Assembly.

Prof. Jagdish Mukhi

Governor of Assam

এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2019 বিধেয়ক খন মই সদনত উত্থাপন

কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**মাননীয় প্ৰধান সচিব ঃ** THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2019 .

**মাননীয় অধ্যক্ষ ঃ** এতিয়া next item মাননীয় গুৱাহাটী উন্নয়ন মন্ত্ৰীক The Guwahati Municipal Corporation (Amendment) Bill, 2019. উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Guwahati Municipal Corporation (Amendment) Bill, 2019 বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ইয়াত এটা কথা আছে চাৰ, এই বিলখনৰ যি সংশোধনী অনা হৈছে আৰু ইয়াৰ আগতে আমি পঞ্চায়তৰ যি সংশোধনী বিল আমি ইয়াত পাছ কৰিছিলো সেই একেই ধৰণে দুজনতকৈ অধিক সন্তান থাকিব নোৱাৰিব। শিক্ষাগত অৰ্হতাৰ যিটো কথা কোৱা হৈছে যে পঞ্চায়তৰ ক্ষেত্ৰত দিয়া হৈছিল যে AP Member, GP President ৰ ক্ষেত্ৰত HSLC আৰু জিলা পৰিষদৰ কাৰণে HS এনেকুৱা আছিল। আমাৰ ইয়াত গুৱাহাটীৰ Municipality ত এৰিয়া মেম্বাৰ আৰু কাউন্সিলাৰৰ ক্ষেত্ৰত শিক্ষাগত অৰ্হতা পৃথককৈ দেখুওৱা নাই। ইয়াত এৰিয়া মেম্বাৰৰ কাৰণে স্নাতক লাগে বুলি কৈছে আৰু এচ চি, এচ টি আৰু অ' বি চিৰ কাৰণে HS Pass দিয়া হৈছে। এইটো পৃথক হ'ব নালাগে নেকি ?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰিছো যে যিখন বিল আমি ইয়াত উত্থাপন কৰিছো তাত আমি যিটো Nagarised Actৰ অধীনত যিটো এৰিয়া সভাৰ মেম্বাৰ আনিছিলো আৰু কাউন্সিলাৰ আছিল। এই এৰিয়া সভাৰ যিটো ধাৰণা সেই ধাৰণাটোৰ বাবে আমি এতিয়া Guwahati Municipal Corporation Act. ত সেই Nagarised আইন প্ৰযোজ্য নহ'ব বুলি আমি এটা সংশোধনী আনিছো আৰু সেই বস্তুটোৰে এই সংশোধনীৰ অংশ। গতিকে আমি গুৱাহাটীৰ গোটেইকেইজন বিধায়কে অনুভৱ কৰো যে এৰিয়া সভাৰ যিটো পদ্ধতি আৰম্ভ কৰা হৈছিল সেই পদ্ধতিটো সঠিক ভাৱে কাম নকৰিলে। আমাৰ যি পুৰনি ৬০ টা Ward আছে সেই ৬০ টা Ward ক আগতে ৩১ টা কৰি দিছিল। এতিয়া আমি সেই ৬০ ward লৈ যাব বিচাৰিছো আৰু bicameral ৰ ঠাইত unicameral কৰিব গৈ আছো। তাৰমানে অকল Ward থাকিব ৬০ টা আৰু Ward Commissioner থাকিব। দ্বিতীয়তে, আপুনি ঠিকেই কৈছে যে পঞ্চায়তৰ ক্ষেত্ৰত যিখিনি প্ৰযোজ্য হৈছিল সেইখিনিয়ে হ'ব অকল ইয়াত গুৱাহাটী চহৰৰ মানুহৰ যি আৱেগ অনুভূতি সেইটো হৈছে যে তেখেত সকলে বিচাৰে তেখেত সকলৰ প্ৰতিনিধি অলপ শিক্ষিত হওঁক, যাতে সঠিক ভাৱে তেখেত সকলক প্ৰতিনিধিত্ব কৰিব পাৰে। সেইবাবে আমাৰ ইয়াত যিটো qualification ৰখা হৈছে সেইটো হৈছে যে Ward Commissioner ৰ বাবে Graduate লাগিব সাধৰণ শ্ৰেণীৰ মানুহৰ বাবে আৰু এচ চি, এচ টিৰ বাবে HS ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন উত্থাপন কৰাৰ কাৰণে সদনৰ অনুমতি আছে নে ? এতিয়া মাননীয় গুৱাহাটী উন্নয়ন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Guwahati Municipal

Corporation (Amendment) Bill, 2019 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কৰ শিৰোনামা পঢ়িব।

**মাননীয় প্ৰধান সচিব ঃ** The Guwahati Municipal Corporation (Amendment) Bill, 2019.

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত শেষৰ কাৰ্যসূচী। মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) নগৰ উন্নয়ন মন্ত্ৰীক " The Assam Municipal (Amendment) Bill, 2019" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Municipal (Amendment) Bill, 2019" বিধেয়ক খন সদনত উত্থাপন কৰাৰ কাৰণে মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়ক উত্থাপন কৰিবলৈ দিয়াত সদনৰ অনুমতি আছেনে? এতিয়া মাননীয় মন্ত্ৰীক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Municipal (Amendment) Bill, 2019" বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কৰ শিৰোনমা পঢ়িব।

**মাননীয় প্ৰধান সচিব ঃ** " The Assam Municipal (Amendment) Bill, 2019".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী শেষ হৈছে। সেয়েহে সদন অহাকালি ৩০-০৭-২০১৯ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।